
# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakhinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1,2,3,4,5,6,7,8,9,10,11,12,15th) | Condition of the original: Brittle. |
| Remarks: Illustrated | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |




পঞ্চদশ বছৰ | ১৮৪৭ শক
৩য় সংখ্যা | আহাৰ

"ন হি জ্ঞানেন সদৃশং পবিত্রমিহ বিদ্যতে।"

## কামৰূপ প্ৰদৰ্শন

নিজদেশৰ—নিজ-জন্মভূমিৰ—যশস্যাবাদ আনৰ মুখত শুনিলে সকলোৰে মনত ৰং লাগে। তাতোকৈ বেছি আনন্দ লাগে, যেতিয়া সেই যশ-গৌৰব, কীৰ্ত্তি-কাহিনী কোনো পুৰণি পুথি-পাঁজিত পঢ়িবলৈ পাওঁহঁক। কালিকা পুৰাণখনি প্ৰাচীন কামৰূপৰ এখনি মানচিত্ৰ বুলিলেও অত্যুক্তি নহয়। ইয়াত কামৰূপৰ পৰ্ব্বত, নদ, নদী, অৰণ্য, বিল, খাল, তীৰ্থপীঠ, আদিৰ যেনে সবিশেষ বিৱৰণ আছে, তেনে বিৱৰণ কোনো পুথিতে নাই। ইয়াৰ পৰা আমি জানিব পাৰো যে, কামৰূপ এখনি ভাৰতৰ ভিতৰত স্বৰ্গোপম পৰম পবিত্ৰ দেশ। ই আদিদেৱ মহাদেৱৰ প্ৰিয়স্থান। ইয়াত ব্ৰহ্মা, বিষ্ণু, শিৱ আদি দেৱতাসকল আহি তপস্যা কৰিছিল। ইয়াতে গন্ধৰ্ব্ব, অপেস্বৰা প্ৰভৃতি লৈ ইন্দ্ৰে ক্ৰীড়া কৰিছিল। ইয়াতে বশিষ্ঠ, শান্তনু, ওৰ্ব্ব, মাৰ্কণ্ড, সুতীক্ষ্ণ আদি মহা মহা মুনিসকলৰ আশ্ৰম আছিল। এই পবিত্ৰ ঠাইৰ মাহাত্ম্য মহাদেৱেহে বুজিছিল। তেওঁ তেওঁৰ পুত্ৰস্থানীয় বেতাল আৰু ভৈৰৱক কৰতোয়া নৈৰে পৰা আৰম্ভ কৰি দিক্কৰবাসিনীলৈকে সমস্ত কামৰূপত যত ক্ষেত্ৰপৰ্ব্বত আছে, যত পুণ্যসলিলা নদ-নদী আছে, যত পবিত্ৰ তীৰ্থকুণ্ড আছে সকলোবিলাককে তন্ন-তন্নকৈ দেখুৱাইছিল। তলত পুৰাণৰ সাৰাংশ আনি পাঠকসকলৰ আগত দাঙি ধৰা হল।

### বায়ুকোণৰ বিভাগ বৰ্ণন

কামৰূপৰ সীমাত দক্ষিণ সমুদ্ৰগামিনী, পুণ্যসলিলা শুদ্ধা, সদা শিৱদায়িনী কৰতোয়া নামে সত্যগঙ্গা বৈছে। কামৰূপৰ বায়ুকোণত জল্পীশ * নামে লিঙ্গ আছে। তাৰ

* এই জল্পীশ লিঙ্গৰ নাম অনুসাৰেই জল্পাইগুড়ি হোৱা সম্ভৱ।

কাষতে নন্দীকুণ্ড— এই ঠাইতে নন্দীয়ে তপ আচৰণ কৰিছিল। এই কুণ্ডৰ আন নাম 'লক্ষৰৰ।' মানুহে ইয়াত স্নান কৰি আৰু তাৰ জলপান কৰি কৃতাৰ্থ হয় আৰু নন্দীৰ সমান শিৱপ্ৰিয় হৈ কৈলাসগামী হয়। তাৰ অলপ দূৰৈত সিদ্ধেশ্বৰী মহাদেৱী। ইয়াতে নন্দীয়ে মহাদেৱৰ আজ্ঞাত মহামায়াক স্তুতি-নতিৰে আৰাধনা কৰি গণৰ আধিপত্য লভিছিল। এই ঠাইতে সুবৰ্ণমানস নামে মনোহৰ এটি নদ আছে। সেই নদেই স্বয়ং মানস-সৰোবৰ;— পূৰ্ব্বকালত মহাদেৱৰ আজ্ঞাত সেই নদে তপ আচৰণ কৰি থকা নন্দীক অনুগ্ৰহ কৰিবৰ কাৰণে সেই ঠাইলৈ আহিছিল। সেই ঠাইতে হিমালয়ৰ পৰা ওলোৱা শুভঙ্কৰা জটোদ্ভৱা নামে নদী আছে—যি নদীত স্নান কৰি মানুহে গঙ্গাস্নানৰ ফল লভে। পূ... গৌৰীৰ বিবাহৰ সময়ত সমুদায় মাতৃগণে মহাদেৱৰ জটাত যি জল অভিষেক কৰিছিল, সেই জলে লগলাগি নদীৰূপে পৰিণত হোৱাত সেই নদীক জটোদাও বোলে। চ'ত মাহৰ শুক্লপক্ষৰ অষ্টমী তিথিত এই নদীত স্নান প্ৰশস্ত।

দ্বাপৰ যুগত ত্ৰিস্ৰোতা নামে যি শ্ৰেষ্ঠ নদী আছিল সেই শুদ্ধা নদীও ইয়াতে। সেই নদী হিমালয়ৰপৰা ওলাইছে আৰু চন্দ্ৰবিম্বৰ পৰা উদ্ভৱ হৈছে। এই নদীত মহামাঘীৰ দিনা স্নান কৰিলে মনুষ্যৰ পুনৰ্জ্জন্ম নহয়। চন্দ্ৰ আৰু সূৰ্য্যগ্ৰহণৰ সময়ত ইয়াত স্নান কৰিলে, মানুহৰ কৈৱল্যপ্ৰাপ্তি হয়।

এই খণ্ডত সিতপ্ৰভা নামে এটি নদী আছে; সেই নদী মহাদেৱে মৰ্ত্ত্যলোকলৈ নমাই আনে। ইয়াৰ পানী বগা, আৰু গতি দাক্ষিণ সাগৰলৈকে। শুক্লপক্ষৰ 'দশহৰা' নামে দশমী তিথিত এই নদীত স্নান প্ৰশস্ত।

ইয়াৰ অলপ পূবে নৱতোয়া নামে এখনি নদী আছে। ই প্ৰতিক্ষণতে মানুহক নতুন নতুনকৈ পৱিত্ৰ কৰে বুলি ইয়াৰ নাম নৱতোয়া হৈছে। মহামাঘীত মানুহে ইয়াত স্নান কৰিলে দেৱত্ব পায়, আৰু সম্পূৰ্ণ মাঘমাহ ইয়াত স্নান কৰি বৈকুণ্ঠ লাভ কৰিব পাৰে।

এইবিলাক নদীৰ পতি অপদ নামে এটা নদ আছে। ই পূৰ্ব্ব পীঠৰ আৰু ব্ৰহ্মপাদৰপৰা উৎপন্ন। সেই দেৱতা গন্ধৰ্ব্বৰ পূজ্য নদ হিমালয়ৰপৰা ওলাইছে। তাত স্নান কৰিলে আৰু তাৰ জল পান কৰিলে মানুহ ব্ৰহ্মলোকলৈ যায়। যি মানুহে গোটাই কাত্তিমাহটো অপদ মহানদত স্নান কৰে, সেই মানুহে ইহলোকত নীৰোগ হৈ সকলো ৰকম সুখভোগ কৰি অন্তত দেৱগৃহলৈ যায় আৰু অৱশেষত মোক্ষ লাভ কৰে।

মানুহে নন্দীকুণ্ডত স্নান কৰি ৰাতি ব্ৰত কৰিব লাগে। তাৰ পাছ দিনা জল্পীশদেৱৰ মন্দিৰলৈ যাব লাগে। সেই ঠাইতে মহানদত স্নান কৰি জল্পীশদৰ্শনৰ পাছত হবিষ্যান্ন খাই সেই ৰাতি তাতে কটাব লাগে। পিছ দিনা পুৱাতে সিদ্ধেশ্বৰী মন্দিৰলৈ যাব লাগে। ইয়াত কামাখ্যা তন্ত্ৰ অনুসাৰে পূজা-সেৱা কৰিব লাগে, তেনেহলে মানুহে পুনৰ্জ্জন্ম এৰাব পাৰে। পূৰ্ব্বে জামদগ্ন্যৰ ... স্নান ক্ষত্ৰিয়ই ম্লেচ্ছত্ব পাই জল্পীশদেৱৰ শৰণাগত হৈছিল। সিহঁতেই জল্পীশদেৱৰ সেৱা কৰি থাকে। সিহঁতে আৰ্য্যভাষা এৰি সদায় ম্লেচ্ছ ভাষাতে কথা-বাৰ্ত্তা কয়। সিহঁতে জল্পীশদেৱক গোপনকৈ ৰাখে। সিহঁতেই জল্পীশৰ গণস্বৰূপ।

## নৈঋ'তাদি বিভাগ

য'তে বহবোকা নদীয়ে কৰতোয়াক প্ৰদক্ষিণ কৰিছে, তাৰ পূবে এই খণ্ড ঠাই। ইয়াত সুৰস নামে এটা পৰ্ব্বত আছে। তাৰে পৰা বহবোকা বাহিৰ হৈছে। সুৰসৰ কাষতে মহাবৃষ নামে এটা শিৱলিঙ্গ আছে। বহবোকাত স্নান আৰু সুৰস পৰ্ব্বতত আৰোহণ কৰি মহাবৃষ আৰু মাহেশ্বৰী দেৱীক পূজা কৰিলে সকলো পাপ বিনষ্ট হৈ স্বৰ্গপ্ৰাপ্তি হয়। সেই ঠাইতে বশিষ্ঠ মুনিয়ে সজা বাশিষ্ঠ নামে এটা কুণ্ড আছে। ইয়াতে বশিষ্ঠ মুনিয়ে নৰকৰপৰা কামৰূপলৈ যোৱাত বাধা পাই নৰকক শাপ দিছিল। তেওঁ নিজৰ স্নানৰ নিমিত্তে সেই ঠাইতে দেৱতাৰো নমস্য এটা কুণ্ড নিৰ্ম্মাণ কৰে। এই কুণ্ডত স্নান কৰিলে স্বৰ্গপ্ৰাপ্তি ঘটে।

সুৰসৰ পূবে কৃত্তিবাসা পৰ্ব্বত; ইয়াতে পূৰ্ব্বে কৃত্তিবাসে সতীৰ সহিত বাস কৰিছিল। সেই ঠাইতে চন্দ্ৰিকা নামে এখনি নৈ আছে। মানুহে ভাদ মাহৰ শুক্লা চতুৰ্থী



তিথিত চন্দ্ৰিকা নদীত স্নান কৰি কৃত্তিবাস মহাদেৱক পূজা কৰিলে কলঙ্কশূন্য হয়। সেই শ্ৰেষ্ঠ নৈ খনি সদাই উত্তৰলৈ বৈছে।

চন্দ্ৰিকাৰ অলপ দূৰতে পূবৰ দিশে সতানন্দা নামে এখনি নৈ আছে। সেই নদী ব্ৰহ্মাৰ দুহিতা আৰু গঙ্গা পৰ্ব্বতৰপৰা উৎপন্ন হৈছে। ইয়াতে ফেণিলা বুলিও এখনি নৈ আছে। মানুহে ফেণিলাত ফাগুনৰ পূৰ্ণিমা তিথিত স্নান কৰিলে নৰক জয় কৰি স্বৰ্গ পাব পাৰে।

তাৰ পূবে উত্তৰগামিনী সীতা নামে নদী আছে; সেই নদীত স্নান কৰিলে গঙ্গাস্নানৰ সমান ফল লাভ কৰিব পাৰি।

তাৰ পূবে দুই যোজনত ... সুদমনা নামে নদী আছে। মহাৰাজ জনকে বৃষধ্বজৰ আৰাধনা কৰি, ভৈৰৱৰ হিতৰ নিমিত্তে সুতীক্ষ্ণ পৰ্ব্বতৰপৰা এই নদীক নমাই আনিছিল। মাঘৰ শুক্লা চতুৰ্থীৰ দিনা সুতীক্ষ্ণ পৰ্ব্বতত উঠি আৰু সুদমনাত স্নান কৰি, মানুহে সকলো কামনা লাভ কৰি শিৱলোকলৈ যাব পাৰে।

কামৰূপৰ নৈঋ'ত কোণত এইবিলাক উত্তৰবাহিনী নদী। ইয়াৰ পূবে ত্ৰিপুৰা দেৱীৰ পীঠ। শম্ভু আৰু অম্বিকা থকা কামৰূপৰ পুণ্যপ্ৰদ এয়ে নৈঋ'ত খণ্ড।

পূৰ্ব্বে কোৱা অগদ নদৰ ওপৰে ভদ্ৰা নামে এখন নৈ আছে। সেই নদীত ভাদ মাহৰ শুক্লা চতুৰ্দ্দশীত স্নান প্ৰশস্ত। তাৰ পূবে চিৰপৱিত্ৰা সুভদ্ৰা নামে নদী; য'ত বহাগৰ শুক্লা তৃতীয়া তিথিত স্নান কৰিলে স্বৰ্গফল পায়। তাৰ পাছে মানসা * নামে আৰু এখন পৱিত্ৰ নদী আছে। সেই নদী, তৃণবিন্দু ঋষিয়ে মানস সৰোবৰৰপৰা নমাই আনে। গোটাই বহাগ মাহটো সেই নদীত স্নান কৰিলে মনুষ্য স্বৰ্গগামী হয়।

হিমালয়ৰ কাষত বিভ্ৰাট নামে এটা ডাঙৰ পৰ্ব্বত আছে, তাতে ভূতনাথ মহাদেৱ সদায় ভৈৰৱ ৰূপে বাস কৰে। সেই পৰ্ব্বতৰপৰা শুভঙ্কৰা ভৈৰৱী নামে নদী মানসাৰ পূবে বৈছে। এই খন নৈও গঙ্গাৰ দৰে ফলদায়িনী। এই নদীত বসন্তকালত স্নান কৰিলে স্বৰ্গলাভ হয়। এই ঠাইত মহামায়াৰ পূজা কৰিলে কামাখ্যাৰ দুগুণ ফল পোৱা যায়। এই দেৱনদীৰ ওপৰে হিমালয়ৰ পৰা ওলোৱা বৰ্ণাশা † নামে এটি নদী আছে; তাতো মানসাৰ নিচিনা ফল। সুভদ্ৰাৰেপৰা বৰ্ণাশালৈকে যিবিলাক নদীৰ নাম কোৱা গল সকলোবিলাক হিমালয়ৰপৰা ওলোৱা আৰু দক্ষিণবাহিনী।

পূৰ্ব্বে কোৱা সুদমনাৰ পূবে, ব্ৰহ্মক্ষেত্ৰৰ ‡ পশ্চিমে, ৰবিক্ষেত্ৰ নামে এখন পৱিত্ৰ ক্ষেত্ৰ আছে। তাত আদিত্য সদায় বাস কৰে। কামৰূপ মহাপীঠত যেতিয়া ব্ৰহ্মা, ইন্দ্ৰ, বৰুণ আদি দেৱতা থাকেহি, ...তিয়া তেওঁলোকে শ্ৰীসূৰ্য্যক থাপনা কৰি পূজা কৰে। সেই নিমিত্তে ইয়াৰ নাম শ্ৰীসূৰ্য্য পাহাৰ নামে খ্যাত। তাৰ পূবে ত্ৰিস্ৰোতা নামে নদী আছে। পাছৰ দিশে কাপোত আৰু কৰুণ নামে দুটা কুণ্ড আছে। কাপোত আৰু কৰুণ কুণ্ডত বিধিমতে স্নান কৰি, এই পৰ্ব্বতত উঠি দিবাকৰ সূৰ্য্যক এবাৰ মাথোঁ পূজা কৰিলে মনুষ্য সূৰ্য্যলোকগামী হয়।

ভাস্কৰ অৰ্থাৎ সূৰ্য্যৰ অলপ দূৰতে শুভাচল পৰ্ব্বত। তাৰ ওখ টিলাত এটা সুন্দৰ শিৱলিঙ্গ আছে। বৰ বলী ডাঙৰ ডাঙৰ বান্দৰবিলাকে সেই লিঙ্গক আগুৰি থাকে। ত্ৰিস্ৰোতা নদীত স্নান কৰি যি মানুহে এই শুভাচলত থকা মহাত্মা শঙ্কৰক অৰ্চ্চনা কৰে সি তাৰ ইষ্টসিদ্ধি কৰিব পাৰে।

তাৰ পূবে কুসুমমালিনী নামে দেৱনদী, তাৰ পাছত ক্ষীৰোদাখ্যা নদী। এই দুয়ো নদী দক্ষিণবাহিনী। এই দুই নদীত স্নান কৰি মনুষ্য কৈলাসগামী হয়। তাৰ পূবে লীলা নামে এখন নদী আছে; মানুহে মহামাঘীত অৰ্থাৎ মাঘী সপ্তমীত ইয়াত স্নান কৰি শিৱলোক পায়।

তাৰ পূবে শিৱাচণ্ডী বা চণ্ডিকা নামে নদী মনোহৰ ধৱল নামে পৰ্ব্বতৰপৰা বাহিৰ হৈছে। তাৰে অলপ

* এয়ে মানাহ নদী।

† যোগিনী তন্ত্ৰত এই নদীক বৰডা বুলিছে; আজিকালি ই বৰ্লিয়া নাম খ্যাত।

‡ কামাখ্যা পৰ্ব্বত।

দূৰত দুটি শিৱলিঙ্গ আছে ; এটিৰ নাম গোলোক, আনটিৰ নাম শৃঙ্গী। এই দুইটিৰ ব্যৱধান বা আঁতৰা-আতৰি এক ক্রোশ। মানুহে চণ্ডিকাত স্নান কৰি, ধৱলেশ্বৰত উঠি গোলোক শিৱলিঙ্গ দর্শন কৰিব, তাৰ পাছে সেই ঠাইৰপৰা নামি সমথলত থকা শৃঙ্গীৰ পূজা কৰিব। এই ৰূপ কৰিলে মানুহে অশ্বমেধ যজ্ঞৰ ফল আৰু সকলো প্রকাৰ অভীষ্ট লভি মৃত্যুৰ পাছে শিৱত্ব পায়। এইবোৰ যে নদীৰ কথা কোৱা হল, সেই সকলোবোৰ দক্ষিণলৈ বোৱা।

## ঈশান কোণ বিভাগ

ঈশাণ কোণত গন্ধমাদন নামে যি পর্ব্বত আছে, তাতে ভৃঙ্গেশ * নামে শি[illegible] প্রকাণ্ড লিঙ্গ আছে। ক্ষেত্রৰ পশ্চিমে যি পর্ব্বত আছে, সেই ঠাইতে দেবীয়ে ব্রহ্মাৰ প্রতি প্রতিকূল হৈ তেওঁৰ মূৰ প্রার্থনা কৰিছিল। গন্ধমাদনৰ মূৰত ভৃঙ্গেশৰ দুটি পদ আছে, তাৰেপৰা গঙ্গাজল ওলাব লাগিছে। সেই ঠাইতে অন্তবালক নামে এটা কুণ্ডও আছে। অন্তবালত স্নান কৰি, ভৃঙ্গেশৰ পদশীলা দর্শন কৰি মহাভৃঙ্গক পূজা কৰিলে গণাধিপত্য লাভ হয়।

মণিকুট † আৰু গন্ধমাদন পর্ব্বতৰ মাজত ব্রহ্ম অগ্নিৰ পৰা ওলোৱা লৌহিত্য নদ বৈছে। বর্ণাশা নদীৰ দক্ষিণ দিশে লৌহিত্য নামে সাগৰ ‡ আছে। তাৰ পূবে মণিকুট পর্ব্বত ; ইয়াতে হয়গ্রীৱ বিষ্ণুৰ প্রতিমূর্ত্তি আছে। বিষ্ণুৱে হয়গ্রীৱৰূপে জ্বৰাসুৰ আৰু হয়াসুৰক বধ কৰি সুৰাসুৰ মনুষ্যৰ হিতৰ নিমিত্তে ইয়াত আছে। বিষ্ণুৱে ইয়াত 'অগদ' § স্নান কৰিছিল, তাতে এটা কুণ্ড হয় ; সেই কুণ্ডৰ নাম অপুনর্ভৱ। এই ঠাইত স্নান কৰিলে পুনর্জ্জন্ম নহয় দেখি এই নাম হৈছে। এই তীর্থৰ বিস্তাৰ ১০০ বেঁও।

মণিকুটৰ পূবে ভদ্রকাম পর্ব্বত। ই ত্রিকোণ ; এই ঠাইত কালহয় নামে শিৱলিঙ্গ আছে। তাৰে দক্ষিণে অপুনর্ভৱ কুণ্ড। সেই কুণ্ডৰ পাৰত ভদ্রকাম পর্ব্বতত হয়গ্রীৱা নামে ব্রহ্মৰূপিনী এখন শিলা আছে। সেই ঠাইতে যোগজ্ঞ যোগী মহাদেৱে ধ্যানমগ্ন হৈ অৱস্থান কৰে। ইয়াক দর্শন কৰি মানুহে মোক্ষলাভ কৰিব পাৰে। সেই শিলাতেই গোকর্ণ নামে এটি শিৱমূর্ত্তি আছে। এই ঠাইতে মহাদেৱে কোনো অন্ধকৰ বন্ধু গোকর্ণ অসুৰক মাৰিছিল।

গোকর্ণৰ ঈশাণ কোণত কেদাৰ নামে মহাদেৱ আছে। তেওঁ কমলাকাৰ ৰূপধাৰী। যি পর্ব্বতত কেদাৰ আছে, তাৰ নাম মদন। সেই ঠাইতে লয়কাৰী মহাত্মা কমলো আছে। অপুনর্ভৱত স্নান, গোকর্ণ কেদাৰ আৰু কমল দর্শন কৰি মাধৱ দর্শন কৰিলে মুক্তি পায়। তাৰ পাছে কামদেৱ দর্শন[illegible] অপুনর্ভৱ দর্শন। এইৰূপ নিয়মে পীঠযাত্রা কৰিলে ঊৰ্দ্ধ সাতপুৰুষ আৰু অধৰ সাতপুৰুষ উদ্ধাৰ হয় আৰু নিজকো উদ্ধাৰ কৰিব পাৰি। গৰুড়ধ্বজ হৰি গন্ধর্ব্ববিলাকৰ সহিত ক্রীড়াৰ ছলে, লোকৰ হিতৰ নিমিত্তে সর্ব্বদা শিলাৰূপ ধৰি আছে।

হয়গ্রীৱৰ পূবে আৰু কেদাৰৰ পশ্চিমে ছায়াভোগ নামে এডোখৰ ঠাই আছে। সেই ঠাইতে ভোগৱতী নামে এখন পুৰী আছে।

যি কৌতুকতেই অপুনর্ভৱ মণিকূটলৈ যায় সি সকলো তীর্থৰ ফল পায়। জেঠমাহৰ শুক্লপক্ষৰ পূর্ণিমা বা অষ্টমী তিথিত অপুনর্ভৱত স্নান কৰি যি বিধি অনুসাৰে নাৰায়ণক দর্শন কৰে সি সমুদায় কুশল লাভ কৰি, বিষ্ণুৰ সাযুজ্য লাভ কৰে। যি গোটেই জেঠ মাহটো নাৰায়ণক দর্শন কৰে, সি নিজৰ সকলো পুৰুষ উদ্ধাৰ কৰি ভগৱানত লীন হয়। এই মণিকূট ঠাই অতি পবিত্র। ই বাৰাণসীতকৈও অধিক পবিত্র ; সিদ্ধ আৰু বিদ্যাধৰগণৰ পূজিত।

## তীর্থ-প্রসঙ্গ

মণিকূটৰ পূবে দর্পণ পর্ব্বত ; এই পর্ব্বতত যক্ষবিলাকে সৈতে কুবেৰ থাকে। ইয়াৰ মাজভাগত বৌমাছৰ আকাৰৰ এটা পর্ব্বত আছে। তাৰ স্পর্শত লো-আদি ধাতু তৎক্ষণাৎ সুবর্ণত্ব পায়। তাৰ অলপ দূৰৈত দর্পণ * নামে এটা নদ আছে। ই হিমালয়ৰপৰা ওলোৱা আৰু ফলদানত লৌহিত্যৰ তুল্য। লৌহিত্য জন্ম হোৱাত হৰিয়ে দেৱতাবিলাকে সৈতে সকলো তীর্থৰ জল আনি লৌহিত্যক স্নান কৰাইছিল। সেই জলৰপৰা এই নদৰ উৎপত্তি। যি জনে কাতি মাহৰ শুক্লা প্রতিপদ তিথিত এই শ্রেষ্ঠ নদত স্নান কৰি দর্পণাচলত কুবেৰৰ পূজা কৰে, সি শত-ঐশ্বর্য্যযুক্ত হৈ ব্রহ্মলোকলৈ যায়।

দর্পণৰ পূবে অগ্নিমাল † নামে পর্ব্বত আছে। ইয়াৰ আকাৰ সর্পৰ নিচিনা। ই সাত শ বেওঁ দীঘল, উচ্চতা আৰু বিস্তৃতিও তদ্ৰূপ। সেই প[illegible]ৰ্দ্ধভাগত সুন্দৰ দাৰুশিলাৰ তলত অগ্নিদেৱতা ‡ আছে। সেই পর্ব্বতত আজিকালিও নিৰিন্ধন (জ্বলন বস্তু নোহোৱাকৈ) অগ্নি প্রকাশ পায়। ভৈৰৱৰ হিতৰ নিমিত্তে আৰু কামাখ্যাৰ সেৱনৰ নিমিত্তে প্রথমৰ পৰাই বহ্নি নিজ গণবিলাকে সৈতে সাক্ষাৎৰূপে সেই পর্ব্বতত আছিল। লৌহিত্য জলত স্নান কৰি, অগ্নিমালত উঠি যি অগ্নিৰ পূজা কৰে, সি বিষ্ণু মন্দিৰত আনন্দ উপভোগ কৰে।

অগ্নিমালৰ সন্মুখত বৰুণ নামে এটা কুণ্ড আছে ; তাৰ কাষত কংসকৰ নামে এটা শ্রেষ্ঠ পর্ব্বত আছে। সেই ঠাইতে জলাধিপ বৰুণ সর্ব্বদা বাস কৰে। সেই কংসকৰ পর্ব্বতত বৰুণদেৱৰ পূজা আৰু বাৰুণ কুণ্ডত স্নান কৰি মানুহে বৰুণলোক পায়।

বৰুণাচলৰ পূবে বায়ুকূট নামে পর্ব্বত। ই দুখণ্ড, বায়ু বীণাকাৰ। বায়ুলোকত চন্দ্র থাকে, সেই চন্দ্রৰপৰা বায়ু ওলাই উৰ্দ্ধ অধোভাগত বৈছে। সেই ঠাইত বায়ুক পূজা কৰিলে বায়ুলোক প্রাপ্তি হয়।

বায়ুগিৰিৰ পূবে চন্দ্রকূট § পর্ব্বত। ই ত্রিকোণ। চন্দ্রে ইয়াক আজিকালিও প্রদক্ষিণ কৰে। এই পর্ব্বতৰ পূবে সোমকুণ্ড নামে সৰোবৰ আছে। তাত স্নান আৰু তাৰ জল পান কৰি মনুষ্যে কৈবল্য প্রাপ্ত হয়। কামাখ্যা পূজিবৰ নিমিত্তে চন্দ্র যেতিয়া স্বর্গৰপৰা পৃথিবীলৈ নামিছিল, তেতিয়া তেওঁৰ কিৰণসমূহৰপৰা জলবিন্দু নিঃসৃত হয়। সেই জলবিন্দুৱে ইন্দ্রে ব্রহ্ম শিলাৰ ওপৰত নিজ নামে আৰু চন্দ্রৰ নামে এটা কুণ্ড কৰে। চন্দ্র সৰোবৰত স্নান কৰি চন্দ্রকূট পর্ব্বতত উঠি যি চন্দ্রক পূজা কৰে, তাৰ তিৰোতাৰ সন্ততি হানি নহয়। সি মৰাৰ পাছে চন্দ্রপদ ভেদ কৰি পৰমপদ পায়।

চন্দ্রকূটৰ কাষতে নন্দন ‖ নামে এটি পর্ব্বত আছে, সেই ঠাইত কামাখ্যা পূজাত আসক্ত ইন্দ্র বাস কৰে। সর্ব্বেশ্বৰ হৰিও সেই ঠাইতে ত্রিদশগণসেবিত আত্মভাব গোপন কৰি সদায় বাস কৰে। প্রতি অমাৱস্যাত চন্দ্রে তিনিবাৰ চন্দ্রকূট আৰু নন্দন পর্ব্বত প্রদক্ষিণ কৰে। চন্দ্রকুণ্ডৰ জলত স্নান আৰু চন্দ্র পর্ব্বত আৰোহণ আৰু লোকপাল ইন্দ্রৰ পূজা কৰিলে মহৎ ফল পোৱা যায়।

নন্দনৰ পূর্ব্বদিশে ভস্মকূট ¶ নামে পর্ব্বত আছে। সেই ঠাইলৈ গলে শান্তি লাভ হয়। ভস্মকূটৰ দক্ষিণে উর্ব্বশী নামে খ্যাত ইন্দ্রৰ প্রীতিকাৰিণী, অমৃতধাৰিণী দেৱী আছে। পূর্ব্বে দেৱতাবিলাকে ভোজনৰ নিমিত্তে যি অমৃত ৰক্ষা কৰিছিল, উর্ব্বশীয়ে কামাখ্যাৰ নিমিত্তে তাক লৈ এই ঠাইলৈ আহে। শিলাৰূপী মহাদেৱে উর্ব্বশীক বেঢ়ি আছে। উর্ব্বশীয়ে তেওঁ অনা অমৃতৰে কিছু কিছু অংশ প্রতিদিনে কামাখ্যাক অর্পণ কৰে। উর্ব্বশী আৰু ভস্মকূটৰ মাজত উর্ব্বশী কুণ্ড। এই কুণ্ড ৩২ ধনু বিস্তৃত, পঞ্চাশ ধনু দীঘল। এই ঠাইতে স্নান আৰু ইয়াৰ জলপান

---

* ভৃঙ্গেশৰ দেৱালয়।
† হাজোৰ মাধৱৰ পর্ব্বত।
‡ আজিকালি ই এখন বিল ; তাক কাকড়া সাগৰ বোলে।
§ নিষ্পাপ।

---

* আজি কালি ইয়াৰ নাম চেঁছা নদী।
† ইয়াকে আঁগিয়াথুৰি বা অগ্নিগিৰি বোলে।
‡ আগিয়াথুৰিৰ কাষত অগ্নিবাণেশ্বৰ বুলি এখন দেৱালয় আছে। তাত থকা লিঙ্গাকাৰ মূর্ত্তিয়ে যে অগ্নিমূর্ত্তি তাত কোনো সন্দেহ নাই।
§ অশ্বক্রান্তৰ পর্ব্বত।
‖ যোগিনী তন্ত্রত নন্দন পর্ব্বতক ইন্দ্রশৈল বুলিছে ; ইয়াক আজিকালি অঁাৰ পর্ব্বত বোলে।
¶ উমানন্দ।

কৰিলে মনুষ্যে মোক্ষ প্ৰাপ্ত হয়। কামাখ্যাৰ যোগিনী সদায় ঈশাণ কোণলৈ যায় আৰু উৰ্ব্বশী কুণ্ডত সোমায়গৈ। তাতে অমৃত পান কৰি কাম সহিত ক্ৰীড়া কৰে।

ভস্মকূটৰ ঈশাণ কোণত • মণিকূট নামে গিৰি—সেই ঠাইতে মণিকৰ্ণ নামে এটি শিৱলিঙ্গ আছে। তেওঁ যেন এতিয়াই জন্ম হল, এনে দেখা যায়। চন্দ্ৰতীৰ্থত স্নান, বাসৱৰ নন্দন পৰ্ব্বত স্পৰ্শ, মণিকৰ্ণেশ্বৰ দৰ্শন আৰু ভস্মাচললৈ গমন কৰিলে মুক্তি লাভ হয়।

হিমালয়ৰপৰা অহা সুমঙ্গলা † নামে নদী মণিকূটৰ পূবৰ দিশে সদায় বব লাগিছে। যি জনে মণিকূটত আৰোহণ কৰি সেই নদী দৰ্শন কৰে, সি গঙ্গা স্নানৰ সমান ফল পাই স্বৰ্গলৈ যায়।

মণিকূটৰ পূবে মৎস্যধ্বজ ‡ নামে এটা কুলপৰ্ব্বত আছে; এই ঠাইতে কামে মহাদেৱৰ নেত্ৰ-বহ্নি দ্বাৰা দগ্ধ হৈ তপস্যাৰে বৃষধ্বজক আৰাধনা কৰি পুনৰ্ব্বাৰ শৰীৰ পাইছিল। মৎস্যৰূপধাৰী বিষ্ণু সেই ঠাইতে অধিত্যকাত পৃথিৱীলৈ চাই অৱস্থিতি কৰিছে। সেই ঠাইতে দক্ষিণবাহিনী শাশ্বতী নদী আৰু কামসৰ নামে সৰোবৰ আছে। শাশ্বতীৰ জলত স্নান আৰু কাম সৰোবৰৰ জল পান কৰিলে সকলো কামৰপৰা বিমুক্ত হৈ শিৱলোকত সন্মান প্ৰাপ্ত হব পাৰি।

## ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰ

আগেয়ে কোৱা গন্ধমাদনৰ পূবে সুকান্ত নামে এটা পৰ্ব্বত আছে, তাৰে ওচৰত ইন্দ্ৰৰ কুণ্ড; তাৰ আন নাম 'বাসৱামৃত ভোজন'। পূৰ্ব্বে শচীপতি ইন্দ্ৰ কামৰূপৰ দক্ষিণ ভাগত ইয়াতে থাকি শৰীৰৰ ক্লান্তি জন্মাত অমৃত পান কৰিছিল। বাসৱ কুণ্ডত স্নান আৰু সুকান্ত পৰ্ব্বতত আৰোহণ কৰিলে বাসৱৰ প্ৰিয় হৈ ইন্দ্ৰলোকলৈ যাব পাৰি।

সুকান্তৰ পূবে ৰক্ষকূট § পৰ্ব্বত। ইয়াত ৰাক্ষসেশ্বৰ নিঋতি বাস কৰে। যি জনে ৰক্ষকূট আৰোহণ কৰি ৰাক্ষসেশ্বৰ নিঋতি আৰু ৰাক্ষসেশ্বৰী চণ্ডিকাক পূজা কৰে তাৰ ৰাক্ষসৰ ভয় নেথাকে।

ৰক্ষকূটৰ পূবৰ দিশে ভৈৰৱৰূপী মাধৱ আছে, তেওঁৰ নামে পাণ্ডুনাথ। তেওঁৰ ৰূপ অতি ভয়ঙ্কৰ। পাণ্ডুনাথৰ উত্তৰে ব্ৰহ্মকুণ্ড নামে সৰোবৰ। এই সৰোবৰ পূৰ্ব্বে ব্ৰহ্মাই স্বৰ্গবাসীবিলাকৰ স্নানৰ নিমিত্তে নিৰ্ম্মাণ কৰিছিল।

মানুহে ব্ৰহ্মকুণ্ডত স্নান, উমাপতিৰ পূজা আৰু বায়ুকূট আৰোহণ কৰি মুক্তি পায়।

পাণ্ডুনাথৰ পূব দিশে চিত্ৰবহ নামে পৰ্ব্বত। ইয়াত বিষ্ণুৱে সদায় বৰাহ ৰূপ ধৰি বাস কৰে।

চিত্ৰবহ বা বৰাহ পৰ্ব্বতৰ পূবে কামাখ্যাদেৱীৰ ঠাই—নীলকূট। ... ব্ৰহ্মাৰ আবাস ঠাই ব্ৰহ্মগিৰি। ব্ৰহ্মশৈলৰ পূব ভাগত সমান মাটিৰ ওপৰত শুভাৱৰ্ত্ত মনোহৰ কামাখ্যাৰ নাভিমণ্ডল। সেই ঠাইতে পৰমেশ্বৰী উগ্ৰতাৰা বাস কৰে।

নাভিমণ্ডলৰ পূবে ভস্মকূটৰ দক্ষিণে, যমৰ প্ৰতিমূৰ্ত্তি-ধাৰী কৰ্পট ‖ নামে পৰ্ব্বত আছে। সেই ঠাইতে নীলাঞ্জনৰ নিচিনা কৃষ্ণবৰ্ণ যাম্য শিলা আছে। সেই শিলা পৰ্ব্বতৰ অধিত্যকাত। ই পাঁচ বেওঁ বহল। নিত্য প্ৰাণদণ্ডৰ সাধনদণ্ড যাৰ হাতত, সেই শিলাত সেই যমৰ পূজা কৰিব লাগে। কৰ্পট পৰ্ব্বতত যাম্যবীজ মন্ত্ৰেৰে যমৰ পূজা কৰিলে মৃত্যু নহয়।

কৰ্পটৰ পূবে চিত্ৰ নামে এটা পৰ্ব্বত আছে। তাতে নৱগ্ৰহ আছে। সেই পৰ্ব্বতৰ ওপৰত যি মানুহে নৱগ্ৰহৰ পূজা কৰে তাৰ কেতিয়াও আপদ নহয়।

চিত্ৰকূট বা চিত্ৰপৰ্ব্বতৰ পূবে কজ্জল নামে এটা উত্তম পৰ্ব্বত আছে। সেই পৰ্ব্বতত বিদ্যাধৰ আদি সকলো প্ৰকাৰ দেৱযোনি বাস কৰে। সেই পৰ্ব্বতত উঠি সকলো দেৱগণক নমস্কাৰ কৰিলে মানুহে ইহলোকত অতুল লক্ষ্মী লাভ কৰি অন্তত স্বৰ্গলৈ যায়।

• মণিকৰ্ণেশ্বৰ পৰ্ব্বত; হাজোৰ মাধৱ পৰ্ব্বত আৰু অশ্বক্ৰান্তৰ পৰ্ব্বতকো মণিকূট বোলে।
† যোগিনী তন্ত্ৰত মঙ্গলা নদী বুলিছে; আজিকালি ইয়াৰ নাম বৰনদী।
‡ কুৰুৱা পৰ্ব্বতৰ আগৰ পৰ্ব্বত।
§ ৰাক্ষসিনী পৰ্ব্বত।
‖ যোগিনীতন্ত্ৰত এই পৰ্ব্বতক কলি পৰ্ব্বত বুলিছে। ইয়ালৈ যাব নেপায়; ইয়ালৈ গলে মানুহৰ সকলো পুণ্য নাশ হয় দেখি, ইয়াক কৰ্ম্মনাশাও বোলে।



কজ্জলাচলৰ পূবে শুভ নামে এটা পৰ্ব্বত আছে। সেই পৰ্ব্বতত পূৰ্ব্বকালত ইন্দ্ৰে শচীৰ সহিত ক্ৰীড়া কৰিছিল। তাৰ পূবে কপিলগঙ্গা নদী। তাত স্নান কৰিলে গঙ্গাস্নানৰ সমান ফল পোৱা যায়।

কামাখ্যাৰ পূবে আৰু দক্ষিণদিশে ব্ৰহ্মবিল নামে এটা ডাঙৰ আবৰ্ত্ত (পানীৰ পাক) আছে। সেই আবৰ্ত্তৰ পৰা বগা মেঘবিলাকৰ দৰে সেই কপিলগঙ্গা ওলাইছে। দেৱগণে 'ক' শব্দৰ অৰ্থ ব্ৰহ্মা বুলি নিৰ্দ্ধাৰণ কৰিছে। ব্ৰহ্মাৰ পিল বা বিলৰপৰা ওলাইছে আৰু গঙ্গাৰ তুল্য ফলা দান কৰে বুলি এই নদীৰ নাম কপিলগঙ্গা হৈছে। মঙ্গলবাৰ দিনত কপিলগঙ্গাত স্নান প্ৰশস্ত।

এই নদী এৰাই দমনিকা নামে আৰু এখন নদী পোৱা যায়। ইয়াৰ পানী কৃষ্ণবৰ্ণ। ... নদী পাপৰ দমনকাৰিণী।

এই নদীৰ পূবৰ দিশে বৃদ্ধা নামে আৰু এটি উত্তম নদী আছে। ইও গঙ্গাৰ দৰে ফলদায়িনী। সমুদায় মাঘ মাহ এই নদীত স্নান কৰিলে মানুহে নিৰ্ব্বাণ পদ পাব পাৰে।

দমনিকাৰ পূব-উত্তৰ কোণে যমুনাসদৃশ ফলদায়িনী দিব্য যমুনা নদী। দক্ষিণ পৰ্ব্বতৰপৰা উৎপন্ন হৈ দক্ষিণ সাগৰ মুখে বৈছে। যি কোনো মাহতে তাত স্নান কৰিলে মুক্তিলাভ হয়।

তাৰে মাজত দুৰ্জ্জয় নামে পৰ্ব্বতত ভৈৰৱদেৱ আৰু শৰভৰূপী মহাদেৱৰ মহাভৈৰৱ মধ্যখণ্ডত বৰ্ত্তমান। তাতে ভৈৰৱগঙ্গা আৰু ভৈৰৱ সৰোবৰ আছে। মানুহে তাত স্নান কৰিলে অমৰ হৈ শিৱলোকত বাস কৰে।

দুৰ্জ্জয় পৰ্ব্বতৰ দক্ষিণ পূব কোণত 'বৰাসন' নামে এক নগৰ আছে। সেই নগৰৰ দক্ষিণে ক্ষোভক নামে মহাশৈল। সেই পৰ্ব্বতৰ বক্ষশিলা পৃষ্ঠত দেৱী আছে। তেওঁ পঞ্চযোনিস্বৰূপা আৰু তেওঁৰ নাম পঞ্চ-পুষ্কৰিণী। হিমালয়নন্দিনী দুৰ্গা সদায় পঞ্চবক্ত্ৰ মহাদেৱক সুখী কৰিবৰ নিমিত্তে তাত বৰ্ত্তমান আছে।

সেই পৰ্ব্বতৰ পূবে কান্তা নামে মহানদী। সেই মহানদী উত্তৰৰ পৰা আহি দক্ষিণ সাগৰলৈ গৈছে। সেই পৰ্ব্বতৰ উপত্যকাত দিব্য-কুণ্ড নামে এক কুণ্ড আছে। দিব্য-কুণ্ডত স্নান কৰি পঞ্চপুষ্কৰিণী দেৱীক পূজা কৰিলে পুনৰ্জ্জন্ম নহয়। তাত পঞ্চযোনি পুষ্কৰিণীৰূপে বৰ্ত্তমান সেই কাৰণেই সেই দেৱীৰ নাম পঞ্চপুষ্কৰিণী। উগ্ৰচণ্ডা, প্ৰচণ্ডা, চণ্ডোগ্ৰা, চণ্ডনায়িকা আৰু চণ্ডা— পঞ্চপুষ্কৰিণীৰ এই পাঁচ জন যোগিনী। সেই ঠাইৰ শিলাত, দেৱীৰ দক্ষিণ পূব কোণত পঞ্চপুষ্কৰিণীৰ নায়ক হেৰুক নামে শিৱলিঙ্গ আছে। সাধকে তাকো পূজা কৰিব। ভৈৰৱ মন্ত্ৰে তেওঁক পূজিলে স্বৰ্গলাভ হয়। বসন্তকালত কান্তাৰ জলত স্নান কৰিলে অন্তে শিৱলোক লাভ হয়।

সেই ক্ষোভক পৰ্ব্বতৰ ঈশাণকোণত উচ্চিত সন্ধ্যাবন। বশিষ্ঠই এই ঠাইতে থাকি উগ্ৰতাৰা দেৱী প্ৰভৃতিক শাপিছিল। পূৰ্ব্বকালত ব্ৰহ্মনন্দন বশিষ্ঠ— নিমিৰজাৰ শাপত দেহহীন হয়। তেতিয়া বশিষ্ঠে ব্ৰহ্মাৰ উপদেশত নিৰ্জ্জন কামৰূপ পীঠৰ সন্ধ্যাবনত তপস্যা কৰে। তাতে বিষ্ণু তেওঁৰ আগত দেখা দি বৰ দিয়ে। মহৰ্ষিয়ে সেই বৰৰ প্ৰভাৱতে সন্ধ্যাগিৰিলৈ অমৃত আনি, মহাকুণ্ড নিৰ্ম্মাণ কৰি তাত স্নান আৰু জলপান কৰে। জলপান কৰা মাত্ৰকে মুনিৰ আগৰ দৰে সম্পূৰ্ণ শৰীৰ হৈ পৰে। সেই অমৃত কুণ্ডৰপৰাই সন্ধ্যা নদী ওলাইছে। তাত স্নান কৰিলে মানুহ নীৰোগ আৰু দীৰ্ঘজীৱী হয়।

সেই নদীৰ পূবে ললিতা নামে মনোহাৰিণী দক্ষিণ সাগৰ গামিনী • এক নদী আছে। মহাদেৱে সেই নদী নমায়। যি মানুহে বহাগ মাহৰ—শুক্লা তৃতীয়াত ললিতা স্নান কৰে, সি শিৱলোক পায়। ললিতা নদীৰ পূৰ্ব্বতীৰত ভগৱান নামে এক পৰ্ব্বত আছে; ভগৱান বিষ্ণু লিঙ্গৰূপে তাত আছে। যি মানুহে শুক্লপক্ষৰ দ্বাদশী তিথিত— ললিতাত স্নান কৰি, ভগৱান পৰ্ব্বতত উঠি পৰমেশ্বৰ বিষ্ণুৰ পূজা কৰে, সি সশৰীৰে বিষ্ণুলোকলৈ যায়।

আগেয়ে কোৱা আৰু এইবোৰ নদী সকলোটি উত্তৰ বাহিনী,— আৰু গঙ্গা সদৃশ। যি মানুহে প্ৰথমতে কামাখ্যা

• কামৰূপৰ সকলো নদীকে ব্ৰহ্মপুত্ৰে দক্ষিণ সাগৰত পেলাইছে গৈ। ইয়াতে দক্ষিণ সাগৰ ব্ৰহ্মপুত্ৰকে ধৰি লব পাৰি।

দৰ্শন আৰু উৰ্ব্বশী কুণ্ডত স্নান কৰি এইবিলাক নদীত স্নান কৰে তাৰ মুক্তি লাভ হয়।

## নদী-বিৱৰণৰ উপসংহাৰ

মৎস্যধ্বজৰ কাষত থকা শাশ্বতী নদীৰ কথা যে পূৰ্ব্বে কোৱা হৈছিল, সেই শাশ্বতী নদীৰ পূবে দীপৱতী নামে এক নদী আছে। দীপৱতী হিমালয় পৰ্ব্বতৰপৰা উৎপন্ন আৰু দীপৰ দৰে অন্ধকাৰ নাশ কৰে। এই কাৰণে দেৱতা মনুষ্য সমাজত ই দীপৱতী নামে প্ৰসিদ্ধ।

দীপৱতীৰ পূব দিশে শৃঙ্গাট * নামে পৰ্ব্বত, তাত দেৱদেৱ মহাদেৱৰ এটি লিঙ্গ আছে। সিদ্ধ ত্ৰিস্ৰোতা নামে এক নদী শৃঙ্গাটক পৰ্ব্বতৰপৰা নিজৰি সেই পৰ্ব্বতৰ দাতিতে বৈছে। যি মানুহে দীপৱতীৰ জলত স্নান কৰি শৃঙ্গাটক পৰ্ব্বত উঠি লিঙ্গৰূপী শঙ্কৰক পূজা কৰে, সি শুদ্ধচিত্ত, উজ্জ্বল আৰু সুন্দৰ শৰীৰযুক্ত হৈ, ইহলোকত অতুল সুখভোগ কৰি, শিৱলোকলৈ যায়, তাৰ পাছে মুক্তি পায়। দীপৱতীৰ পূবদিশে বৃদ্ধদেৱীকা নামে নদী আছে। তাত স্নান কৰিলে দেৱীকা স্নানৰ ফল পায়।

তাৰ পাছত হিমালয়গিৰিত উৎপত্তি হোৱা ভট্টাৰিকা নামে মহানদী। দেৱতাবিলাকে সুখে এই নদীৰ জল সেৱন কৰে। যি মানুহে চাৰিটা যুগান্তা তিথিত সেই নদীত স্নান কৰে সি পৰম পদ পাই বিষ্ণুলোকত বাস কৰে।

এই খণ্ডত নাটক নামে এক পৰ্ব্বত আছে। সেই পৰ্ব্বতত মানস সৰোবৰ তুল্য এটি সৰোবৰ আছে। সোণালী পদ্মবোৰে শোভা হৈ থকা এই সৰোবৰত মহাদেৱে পাৰ্ব্বতীৰ লগত জলক্ৰীড়া কৰে। সেই পৰ্ব্বতৰ, পশ্চিম, মধ্য আৰু পূৰ্ব্বভাগৰপৰা তিনিখন নদী উৎপন্ন হৈ দক্ষিণ সাগৰ অভিমুখে গৈছে। তাৰ পশ্চিম ভাগত উৎপন্ন হোৱা নদীৰ নাম দিক্কৰিকা। দিগহস্তীবিলাকৰ আঘাতত ইয়াৰ উৎপত্তি বুলি এই নদীৰ নাম দিক্কৰিকা হৈছে। যি নদী মধ্য ভাগৰপৰা ওলাইছে, সেই নদী শঙ্কৰে নমোৱা। তাৰ নাম বৃদ্ধগঙ্গা (বুঢ়ী গঙ্গা)। বৃদ্ধগঙ্গা গঙ্গাৰ নিচিনা ফলদায়িনী। যি নদী সেই পৰ্ব্বতৰ পূবৰপৰা ওলাইছে, তাৰ নাম স্বৰ্ণশ্ৰী। এই নদীও গঙ্গাৰদৰে ফলদায়িনী। পাৰ্ব্বতীয়ে স্নান কৰা সময়ত গাৰপৰা এৰিপৰা সোণৰ কণিকা, এই নদীয়ে ধীৰে ধীৰে বৈ লৈ যায়। শম্ভুৱে ক্ৰীড়াসময়ত যি চন্দনবিন্দু অৰ্পণ কৰে, স্নানৰ সময়ত স্বৰ্ণ-কণিকা আৰু সেই চন্দনবিন্দু স্বৰ্ণশ্ৰীৰ পানীত ধোৱা যায়। এই কাৰণে সেই সৰ্ব্বশ্ৰেষ্ঠা নদীৰ আন এটা নাম 'স্বৰ্ণবহা'। চ'ত মাহৰ কৃষ্ণাচতুৰ্দ্দশী তিথিত সংযতচিত্তে এইবিলাক নদীত তিনিও সময়তে স্নান কৰিলে বহুকাল দেৱীৰ গৃহত থাকি, শেহত ব্ৰহ্মলোকলৈ যাব পাৰি। তাৰ পাছে পৃথিৱীত জন্ম ধৰি সাৰ্ব্বভৌম ৰজা হব পাৰি।

বৃদ্ধগঙ্গাৰ পানীৰ মাজত ব্ৰহ্মপুত্ৰ নদৰ পাৰত বিশ্বনাথ নামে শিৱলিঙ্গ [illegible] যোনিৰূপা মহাদেৱী বিশ্বদেৱী আছে। পূৰ্ব্বকালত জগৎপতি বিষ্ণুৱে তাতে হয়গ্ৰীৱৰ সৈতে যুদ্ধ কৰে আৰু হয়গ্ৰীৱক বধ কৰি মণিকূটলৈ (হাজোলৈ) যায়। তাত যি মানুহে দ্বাদশী, অষ্টমী আৰু চতুৰ্দ্দশীত উপবাসে থাকি শাৰদা মন্ত্ৰে আৰু পূজাৰ ক্ৰম অনুসাৰে ভগৱতী দুৰ্গাক, হয়গ্ৰীৱ মন্ত্ৰ-তন্ত্ৰানুসাৰে গৰুড়ধ্বজক আৰু কামেশ্বৰৰ মন্ত্ৰ-তন্ত্ৰানুসাৰে শঙ্কৰক পৰম ভক্তিৰে সৈতে পূজা কৰে, তাৰ পুণ্য ফলৰ শেষ নাই; তিনিকল্প শিৱ-ধামত, তিনিকল্প বিষ্ণুধামত, তিনিকল্প দুৰ্গাধামত থাকি শেষত পৃথিৱীত বেদজ্ঞ ব্ৰাহ্মণ হৈ জন্ম ধৰে।

স্বৰ্ণশ্ৰীৰ পূবৰ দিশে নিৰ্ম্মল জলেৰে কামা নদী আছে। কামাৰ পূব ভাগত সোমাশনা নদী। সোমা-শনাৰ পূব দিশে বৃষোদকা নামে নদী। তাৰ পূবে কামৰূপ পীঠৰ সীমান্তত থকা মহামায়া জগজ্জননী দেৱী দিক্কৰবাসিনীৰূপে আছে।

দিক্কৰবাসিনীৰ সীমাত শ্বেতগঙ্গা নামে স্বৰ্ণদী সদায় বৈ আছে। এই নদী সাক্ষাৎ গঙ্গাৰ দৰে ফলদায়িনী। ভূমিপীঠত থকা দিক্কৰবাসিনী দেৱী অন্তঃসলিলা হৈ বিষ্ণুৰ সৈতে দেখা কৰে। শ্বেতগঙ্গাত স্নান কৰাৰ পাছত হৰি-হৰ-বিৰিঞ্চিক দৰ্শন কৰিলে পুনৰ্জ্জন্ম নহয়। দিক্কৰবাসিনীৰ পীঠত স্বয়ং ভগৱান শম্ভু লিঙ্গৰূপে আছে আৰু তাতে দেৱী

* শিঙৰি পৰ্ব্বত হব পায়।



দুৰ্গা, তীক্ষ্ণ-কান্তা আৰু উগ্ৰতাৰা এই দুইৰূপে বিহাৰ কৰে। ললিতকান্তা নামৰ মঙ্গলচণ্ডিকাৰ নামেই তীক্ষ্ণকান্তা। নৰান্তক, ত্ৰিপুৰান্তক, দেৱান্তক, যমান্তক, বেতালান্তক, দুৰ্দ্ধৰান্তক, গণান্তক আৰু শ্ৰমান্তক এই কেইজনেই তীক্ষ্ণ-কান্তাৰ দ্বাৰপাল। চামুণ্ডা, কৰালা, সুভগা, ভীষণা, ভগা আৰু বিকটা এই ছয়জন দেৱীৰ যোগিনী। তীক্ষ্ণকান্তাৰ পানীয় মদিৰা, বলিৰ ভিতৰত নৰবলি, * নৈবেদ্যৰ ভিতৰত মোদক, নাৰিকল, মাংস, ব্যঞ্জন আৰু ইক্ষুই (কুঁহিয়াৰ) প্ৰশস্ত আৰু তেওঁৰ প্ৰীতিপ্ৰদ।

শ্ৰীসোণাৰাম চৌধুৰী

---

# সাহিত্য-টোকা

## অসমীয়া সাহিত্য-পঞ্জিকা

প্ৰত্যেক উন্নত সাহিত্য-সমাজতে এখ[illegible] সাহিত্য-পঞ্জিকা ওলায়। তাত গ্ৰন্থকাৰসকলৰ নাম, [illegible]ৰ-কাকতৰ বৰ্ণনা, আৰু সাহিত্যসম্পৰ্কীয় নানান লাগতিয়াল খা-খবৰ থাকে। তাক চালে সেই সমাজৰ সাহিত্য-সম্পদৰ অৱস্থা জানিব পাৰি, আৰু লিখকসকলৰ নামো আগলৈ বৈ যায়। এনে দৰৰ সাময়িক সাহিত্য-পঞ্জিকা জাগ্ৰত সাহি-ত্যৰ চিন। অসমীয়া সাহিত্য-পঞ্জিকা বছৰি উলিয়াবলৈ কোনো জনে আগ নাবাঢ়েনে?

## ৰাধিকাৰাম ঢেকিয়াল ফুকনৰ জীৱনী

মহাত্মা আনন্দৰাম ঢেকিয়াল ফুকনৰ পুতেক স্বৰ্গীয় ৰাধিকাৰাম ঢেকিয়াল ফুকনে য়ুৰোপত নানা ঠাইত বিজ্ঞান আৰু সঙ্গীত চৰ্চ্চা কৰি পি-এইচ্-ডি উপাধি লাভ কৰি দেশলৈ উভতি আহিছিল, য়ুৰোপৰ পণ্ডিতসমাজত তেওঁৰ বোলে বৰ সুখ্যাতিও আছিল, তেওঁৰ ৰচিত বিজ্ঞানবিষয়ক এখনি গ্ৰন্থ ছাৰ জগদীশ চন্দ্ৰ বসু আৰু ডাক্তাৰ পি, কে, ৰায়ে বৰ প্ৰশংসা কৰা বুলিও আমি শুনিছো। তথৰ বিষয়, ডাক্তাৰ ফুকনৰ বিষয়ে সকলো কথা অসমীয়া মানুহে নাজানে। তেওঁৰ স্বনাম-খ্যাতা বাইদেৱক শ্ৰীযুক্তা পদ্মাৱতী দেৱী ফুকননী ডাঙ্গ-ৰীয়ানীয়ে ভায়েকৰ এখন চমু জীৱনচ-ৰিত লিখিছিল, কিন্তু সি হেৰাল। কোনোবাই যত্ন কৰি ৰাধিকাৰামৰ জীৱন-কাহিনী প্ৰকাশ কৰিবনে?

## পণ্ডিত ধীৰেশ্বৰ ভট্টাচাৰ্য্যৰ জীৱনী

পণ্ডিতপ্ৰবৰ মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্য কবি-ৰত্ন ডাঙ্গৰীয়া ঢুকুৱা আজি কেবা বছৰো হল। ইমান দিনে তেখেতৰ জীৱনী নোলোৱাটো বৰ দুৰ্ভাগ্যৰ কথা হৈছে। তেখেত অগাধ পণ্ডিত আছিল। কিন্তু আমি জনাৰ ভিতৰত এখনি পুৰণা তামৰ ফলিৰ পাঠো-দ্ধাৰ, ছন্দ শাস্ত্ৰৰ বিষয়ে এখন সৰু কিতাপ, আৰু অপ্ৰকাশিত বৃহৎ "বৃত্তমঞ্জৰীৰ" বাহিৰে আন কতো তেখেতৰ পাণ্ডিত্যৰ চিন যুগমীয়াকৈ থৈ যাব পৰা নাই। তেখেতৰ কাৰ্য্যকলাপ, উদ্যম, উৎসাহ, সৰলতা, বিদ্যানুৰাগ সাত্ত্বিক জীৱন, মহানুভৱতা, বাকশক্তি, তৰ্কনৈপুণ্য, চালচলন কথাবাৰ্ত্তা ইত্যাদিতে তেখেতৰ মাহাত্ম্য আৰু পাণ্ডিত্য ফুটি ওলাইছিল। গতিকে তেখেতৰ কাৰ্য্যকলাপ আৰু কোৱা কথা মন্তব্য আদিৰপৰা তেখেতৰ পণ্ডিত্য, আৰু চালচলন আদিৰ মাহাত্ম্য পৰা যুগমীয়া কৰিব লাগিব। এতি-য়াই তপতে তপতে তেখেতৰ সকলো কথা সংগ্ৰহ নকৰিলে পাছলৈ তাক হিয়া ভুকুৱালেও পোৱা নাযাব।

## সাহিত্যিকৰ ব্যক্তিত্বৰ আভাস

ডাক্তৰ জনছন যে ইংৰাজী সাহিত্যত ইমান সুপৰি-চিত ইয়াৰ কাৰণ তেওঁৰ ৰচিত গ্ৰন্থাৱলীয়েই অকল নহয়। মিঃ বছৱেলে ডাক্তাৰ জনছনৰ জীৱনৰ সৰুসুৰা ঘটনা, আৰু তলসৰা উক্তিবোৰ বুটলি জীৱনীত লিপিবদ্ধ নকৰা হলে ডাক্তাৰ জনছনৰ নাম আজি বহুতে পাহৰিলে-

* বোধ হয় সদিয়াৰ তাম্ৰেশ্বৰীয়ে তীক্ষ্ণকান্তা দেৱী। তাম্ৰেশ্বৰীত যে পূৰ্ব্বে নৰবলি দিয়া হৈছিল, এই কথা বুৰঞ্জী পাঠক মাত্ৰেই জানে।

হৈছেন। জগতত কিছুমান মহাপুৰুষ ওলায়, তেওঁলোকৰ কৃত কাৰ্য্যাৱলীতকৈ তেওঁলোকৰ জীৱন-মহিমা বা ব্যক্তিত্ব বা "পাৰ্ছনেলিটি"ৰ ( personality ) পৰা তেওঁলোকৰ মাহাত্ম্য বেছিকৈ পৰিস্ফুটিত হয়।

## গুণাভিৰাম বৰুৱাৰ ব্যক্তিত্ব

সেইদৰে মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্য আৰু ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ মাহাত্ম্য—তেওঁলোকৰ "পাৰ্ছনেলিটি"ৰ ভিতৰতে নিহিত আছিল। "আসাম বুৰঞ্জী," "ৰামনৱমী নাটক," "আসাম-বন্ধু," "ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ" আদি গ্ৰন্থত যি গুণাভিৰাম বৰুৱাৰ আভাস পাওঁ, সেই গুণাভিৰাম বৰুৱা প্ৰকৃত জীৱন্ত গুণাভিৰাম বৰুৱাৰ এটি অতি ক্ষুদ্ৰ সংস্কৰণ, হাতীৰ আগত বালীচাহিটোৰ দৰে। গতিকে এই প্ৰকৃত বিৰাট মহাপুৰুষ— উদাৰচেতা মহাপ্ৰাণ শিশুসৰল সংসাহী দেশ-প্ৰেমিক গুণাভিৰামৰ সম্পূৰ্ণ আভাস দিবলৈ গলে তেখেতৰ জীৱনৰ সামান্য সামান্য ঘটনা, নানা কথাত দিয়া উক্তিবোৰ চালচলন, দৈনন্দিন জীৱনযাপন আদিৰ কথা সংগ্ৰহ কৰিব লাগিব। তেনেহলেহে প্ৰকৃত গুণাভিৰামৰ প্ৰতিভা আৰু মাহাত্ম্যৰ এখনি ওচৰ-চপা ছবি বা ফটোগ্ৰাফ ৰাইজে লাভ কৰিব পাৰিব।

## ৰত্নেশ্বৰ মহন্তৰ জীৱনী

স্বৰ্গীয় ৰত্নেশ্বৰ মহন্তৰ নিচিনা অবিশ্ৰান্ত সাহিত্যসেৱী অসমত অতি কম। তেওঁৰ একনিষ্ঠতা সকলোৰে আদৰ্শ-স্থানীয়। কিন্তু দুখৰ বিষয়— তেওঁৰ জীৱনী এখনি কোনেও লিখা নাই। সংসাৰ-ক্ষেত্ৰত তেওঁৰ কিমান প্ৰতিপত্তি আছিল আমি কব নোৱাৰো, ঐশ্বৰ্য্য-বিভূতিৰ অধিকাৰী নোহোৱা বাবেই যদি তেওঁ জীৱন-চৰিত এখনিৰ পৰা ইমান দিন বঞ্চিত হৈছে তেন্তে ই আমাৰ বৰ দুৰ্ভাগ্যৰ কথা। ইংলণ্ড আদি আন আন দেশৰ যিসকল সাহিত্যিকৰ জীৱনী আমি পঢ়িবলৈ পাওঁ, তেওঁলোকৰ আটাইবে যে সাংসাৰিক প্ৰতিপত্তি আছিল আমি কব নোৱাৰো। মাৰ্টলো, কুপাৰ, গল্ডস্মিথ, কীট্‌ছ্‌ আদি সাহিত্যিক অতি দুখীয়া মানুহ আছিল, তথাপি তেওঁলোকৰ জীৱন-কাহিনী আৰু গ্ৰন্থাৱলীৰ আলোচনাত মহা মহা বিদগ্ধ পণ্ডিতসকল আগ্ৰহেৰে নিযুক্ত হৈছে। ৰত্নেশ্বৰ মহন্তৰ গ্ৰন্থ আৰু প্ৰবন্ধ আদিৰ আলোচনা কৰিলে জীৱন-চৰিতৰ আহিলা-পাতি বহুত পৰিমাণে ওলাব। পূৰ্ব্বে জয়মতী কুঁৱৰীৰ কাহিনী দেশৰ সাহিত্যত ঠাই পোৱা নাছিল; ৰত্নেশ্বৰ মহন্তই পোনপ্ৰথমে শিৱসাগৰৰ ইন্দীবৰ বৰুৱা ডাঙৰীয়াৰ পৰা শুনি তাক উদ্ধাৰ কৰি অসমীয়া ৰাইজক উপহাৰ দিয়ে। তাৰ ফলত আজি আমি সকলোৱে



ৰত্নেশ্বৰ মহন্ত

সতী জয়মতীৰ নামত গৌৰৱ অনুভৱ কৰিছো। ৰত্নেশ্বৰ মহন্তই ঐতিহাসিক প্ৰবন্ধ আদিৰে তাহানি "আসাম-বন্ধু" "জোনাকী," "বিজুলী"ৰ পাত শুৱনী কৰিছিল। আমি জনাত তেওঁৰ "কবিতাহাৰ" পুথিখনি মাথোঁ ছপা হৈছে। "বেণীসংহাৰ," "হৰিশ্চন্দ্ৰ" আৰু "দ্ৰৌপদীহৰণ"—মহন্তৰ এই তিনিখনি নাটক ছপা হৈছে নে নাই আৰু কব নোৱাৰো। স্বৰ্গীয় ৰত্নেশ্বৰ মহন্তই ( "ৰামদাস গোস্বামী)



লিখা তলত দিয়া প্ৰবন্ধবোৰ ছপাই গ্ৰন্থকাৰে উলিয়ালেও তেওঁৰ নাম চিৰস্মৰণীয় হৈ থাকিব :— জয়মতী কুঁৱৰী, তুলাৰাম সেনাপতি, মীনাৱতী, মোৱামৰীয়া বিদ্ৰোহ, অসমত মান, ৰামসৰস্বতী।

## লম্বোদৰ বৰাৰ জীৱনী

অসমীয়া ভাষাৰ আথৰ জোঁটনিৰ বেমেজালি গুচাই অসমীয়া ভাষাৰ ভেটি দৃঢ় কৰোঁতা, "শকুন্তলা", "জ্ঞানোদয়", "লৰাবোধ" আদি গ্ৰন্থ লিখোঁতা দেশ-প্ৰেমিক লম্বোদৰ বৰাক আমি পাহৰিলোনেকিয়েই ? তেখেতৰ চমু জীৱনৰ বিস্তৃত কাৰ্য্যাৱলীৰ আভাস অসমীয়া ৰাইজে ইমান দিনে যে পোৱা নাই ই বিষম দুখৰ কথা। দেশৰ কাৰণে প্ৰাণ-পৰিশ্ৰমে খাটি যি জনে অ[illegible]যুখত পৰিল তেওঁৰ এখনি জীৱনী লিখি আমি আমাৰ কৃতজ্ঞতা দেখুৱাব নোৱাৰোনে ? যিসকলে জীৱনচৰিত লিখিবৰ হলে জোৱান-ডাৰ্ক, নেপোলিয়ান, হানিবল, গাৰিবল্ডি, ওৱাশ্বিংটনৰ নিচিনা অতিমানৱৰ দৰ্কাৰ বুলি ভাবে তেওঁলোকৰ সেই ধাৰণা বিষম ভুল, কাৰণ তেওঁলোকৰ জীৱনচৰিতত পোৱা শিক্ষাখিনি আমি ধূপ-ধুনা লগাই আলফুলকৈ শৰাই-ঠগীত থৈ কীৰ্ত্তনঘৰত থাপনা কৰো, মাথোন তিথিয়ে-উৎসৱে বিহুৱে-সংক্ৰান্তিয়ে সেই আদৰ্শটো উলিয়াই চাওঁ। কিন্তু দিনৌ দহোৱাৰ কামত লাগে লম্বোদৰ বৰা আৰু ৰত্নেশ্বৰ মহন্তৰ নিচিনা একনিষ্ঠ কৰ্ম্মবীৰ সকলকহে, কাৰণ তেওঁলোকৰ আদৰ্শ সকলোৰে ঢুকি পোৱা আৰু অনুকৰণ কৰিব পৰা, আৰু সি ৰভাঘৰলৈ যোৱা সামৰণ সাজ-পাৰ বা দৰবাৰী পোছাক নহয়।

## অসমীয়া সাহিত্যিকৰ সম্বৰ্দ্ধনা

আমাৰ দেশত আমাৰ সাহিত্য-সেৱীসকলৰ সমাদৰ কৰিবলৈ আমি এতিয়াও শিকা নাই। অসমীয়া কিতাপ যথেষ্ট বিক্ৰী নাযায়, অসমীয়া সাহিত্যিকে নিজৰ অৰ্থ হানি কৰি গ্ৰন্থ প্ৰচাৰ কৰিব লগাত পৰে। এইবোৰৰ ক্ষতিপূৰণ কৰিবলৈ হলে মুখিয়াল অসমীয়া সাহিত্যিকক সম্বৰ্দ্ধনা কৰি অভিনন্দন পত্ৰাদি দিলে তেওঁলোককো উৎসাহ দিয়া হব, অন্ততঃ তেওঁলোকে জানিব পাৰিব সমসাময়িকসকলে তেওঁলোককনো কেনেকৈ গ্ৰহণ কৰিছে, আৰু ইয়াৰ দ্বাৰা অন্যকো উৎসাহ দিয়া হব।

## দুখীয়া সাহিত্যিকৰ সাহায্য-ভঁৰাল

দুখীয়া সাহিত্যসেৱীক ধনেৰে সহায় কৰিব লাগে বুলি বঙ্গদেশত তাহানি এটা আন্দোলন চলিছিল। আমাৰ অসমতো তেনে এটা অনুষ্ঠান কৰিলে ভাল। ৰাইজে নথ জোকাৰিলে নৈ বৈ যায়; দেশৰ সাহিত্যৰ উন্নতিৰ কাৰণে আজি অসমীয়াই স্বাৰ্থত্যাগৰ নামত অলপ বিলাস ত্যাগ কৰিবলৈ সাজু নহওঁ নে ?

## শ্ৰীযুত সোণাৰাম চৌধুৰীৰ সাহিত্য-সেৱা

শ্ৰীযুত সোণাৰাম চৌধুৰী ( হেমদাশৰথি চৌধুৰী ) ডাঙৰীয়াই আজি দেৰকুৰি দুকুৰি বছৰ ধৰি নানান ঘৰুৱা জঞ্জাল কাতি কৰি থৈ নীৰৱে অসমীয়া সাহিত্যৰ সেৱা কৰি আহিছে। তেখেতে অলপতে কমিশ্যনাৰ অফিছৰ ছৰ্কাৰী কামৰ পৰা আজৰি পাই বহিছে, উদ্যম আৰু সাহিত্য অনুৰাগত এই বয়সতো তেখেতৰ তেজ ডেকাতকৈয়ো বেছি। এইজন পুৰুষে সমৰ্থবান হোৱা হলে, আৰু উৎসাহ পোৱা হলে আমাৰ সাহিত্যৰ সম্পদ কত পৰিমাণে বঢ়াব পাৰিলেহেতেন তাক ভাবিলে বাস্তবিকে বৰ দুখ লাগি আছে। প্ৰাচীন অসমীয়া সাহিত্য আলোচনা আৰু অসমৰ পুৰণি তথ্য উলিয়া কামত তেখেতে কিদৰে নীৰৱে প্ৰাণ-পৰিশ্ৰম কৰিছে, তেখেতে নানান মাহেকীয়া কাকতত লিখা প্ৰবন্ধাৱলীৰ তলত দিয়া সংক্ষিপ্ত তালিকাৰ পৰা সকলোৱে অনুমান কৰিব পাৰিব। সাহিত্যিক সম্মিলনবোৰৰ সভাপতি বিচাৰি যেতিয়া দেশবিদেশ চলাঠ কৰিবলগীয়া হয় তেতিয়া যেন চৌধুৰী ডাঙৰীয়াৰ নাম ৰাইজে নাপাহৰে। চৌধুৰী ডাঙৰীয়াৰ লিখিত প্ৰবন্ধাৱলীৰ তালিকা।—

কলিকতীয়া "জোনাকী"ত ওলোৱা :—ৰাম সৰস্বতী, আসামত আৰ্য্যবসতি আৰু অসমীয়া ভাষা, নাৰায়ণচন্দ্ৰ বিদ্যাভূষণ ( কবিতা )।

গুৱাহাটীৰ "জোনাকী"ত ওলোৱা :—ছাহাপৰীৰ উপাখ্যান বা মৃগাৱতী চৰিত, জ্ঞানী ডাক, হৰিদেৱৰ জীৱনচৰিত, বামুণৰ লৰাৰ সাধুকথা।

"উষা"ত ওলোৱা :—মণিকূট, দৰবাৰ মন্দিৰৰ ফলি, শ্ৰীচন্দ্ৰপ্ৰভাৱতী বা অনন্ত কন্দলী, কেশৱদেৱ, আমাৰ জাতীয় বিশৃঙ্খলতা, শঙ্কৰ-মাধৱ-সম্বাদ, ভক্তি-ৰত্নাৱলী, শ্ৰীৰামকীৰ্ত্তন, লীলাৱতী।

"আলোচনী"ত ওলোৱা :—ফটাশিলৰ গল্প, কানাই বৰশীবোৱা শিলৰ ফলি, প্ৰাগজ্যোতিষপুৰ সম্বন্ধে যৎকিঞ্চিৎ, ঈশ্বৰৰ লগত মানৱ-জাতিৰ সম্বন্ধ, বঙ্গীয় বৈষ্ণৱ কবিৰ গীত, ঈশোপনিষদ্‌, কামৰূপ-প্ৰাগ-জ্যোতিষপুৰ।

"আসাম-বান্ধৱ"ত ওলোৱা : —মেঘদূত ( পদ্য ), ৰামসৰস্বতীৰ গীত-গোবিন্দ।

"চেতনা"ত ওলোৱা :—কবি আৰু কবিতা, কামৰূপত কোচ ৰজাৰ কীৰ্ত্তি, হাতী আৰু ঘোঁৰাৰ নিদান, হাজোৰ বিৱৰণ।

"মিলন"ত ওলোৱা :—দীৰ্ঘেশ্বৰী দেৱালয়, উমানন্দ দেৱালয়।

"বাঁহী"ত ওলোৱা :—নামমালিকা, গীত-গোবিন্দ, পুৰণি পুথি সংগ্ৰহ, কেইখন নষ্ট হৈ যো[illegible]লৰ ফলিৰ পাঠসংগ্ৰহ, সঙ্গীত।

## শ্ৰীযুত কামেশ্বৰ চক্ৰৱৰ্ত্তীৰ পুথিপ্ৰকাশৰ আয়োজন

গুৱাহাটীৰ শ্ৰীযুত কামেশ্বৰ চক্ৰৱৰ্ত্তী ডাঙ্গৰীয়াই গুৱাহাটীত এটি নতুন প্ৰেছ স্থাপন কৰি অসমীয়া সত্ গ্ৰন্থ ও চাবৰ কাম হাতত লৈছে। সম্প্ৰতি শ্ৰীযুত সোণাৰাম চৌধুৰী ডাঙ্গৰীয়াই সম্পাদন কৰা "শ্ৰীৰাম কীৰ্ত্তন" পুথি খনি আৰু অনন্তকন্দলীৰ "সপ্তকাণ্ড ৰামায়ণ" খনি চক্ৰৱৰ্ত্তী ডাঙ্গৰীয়াই উলিয়াব খুজিছে। তেখেতৰ নিচিনা সমৰ্থৱন্ত পুৰুষে দেশীয় সাহিত্যৰ উন্নতিত লাগিছে ই মহা সুমঙ্গলসূচক বুলি আমি ভাবিছো। তেখেতৰ আদৰ্শ আনেও যেন অনুকৰণ কৰে।

### ঐতিহাসিক ঠাইবোৰৰ বুৰঞ্জী

আমাৰ ঐতিহাসিক ঠাই কিছুমানৰ বুৰঞ্জী উলিয়াব পাৰিলে বৰ ভাল হয়। সেইবোৰ বুৰঞ্জীৰ লগত অসমৰ অতীতৰ ভালেমান কথা সংযুক্ত আছে। ঐতিহাসিক ঠাইবোৰৰ ভিন ভিন যুগৰ ভাগ্য-বিপৰ্য্যয়ৰ কাহিনী ওলালে অসম-বুৰঞ্জীৰো বহুত কথা উদ্ঘাটন হব। হাজো, কামাখ্যা, সদীয়া, গুৱাহাটী, ডিমাপুৰ, বিশ্বনাথ আদি ঠাইৰ বুৰঞ্জী ৰচনা কৰিবলৈ আমি শিক্ষিত সম্প্ৰদায়ক অনুৰোধ কৰো। গুৱাহাটীৰ হাজী মহম্মদ শ্বাহ মৌজাদাৰ ডাঙৰীয়াই "লুকীৰ বুৰঞ্জী" উলিয়াইছে, এই কিতাপত লুকী ৰাজ্যৰ সম্পৰ্কে কিম্বদন্তী আৰু সাধুকথাও আছে।

## মাহেকীয়া কাকতৰ প্ৰৱন্ধ আৰু লিখকৰ তালিকা

ডুখীয়া অসমীয়া সাহিত্যিকে মাহেকীয়া কাকতত যিবোৰ প্ৰৱন্ধ লিখে তাক সাধাৰণতঃ কিতাপৰ আকাৰে প্ৰকাশ কৰিব নোৱাৰে। তাৰপৰা বহুত সাহিত্যিকৰ নাম লোপ পাবলৈ ধৰিছে। আজিলৈকে সকলো মাহেকীয়া কাকতৰ প্ৰকাশিত হোৱা প্ৰৱন্ধাৱলীৰ তালিকা লিখকৰ নামেৰে সৈতে উলিয়াব পাৰি। এই কাম একো ডাঙৰ নহয়, মাহেকীয়া কাকতবোৰৰ বছেৰেকীয়া সূচীৰ নকল দিলেই সম্প্ৰতিকলৈ হব, আৰু অসমীয়া ভাষাত ওলোৱা মাহেকীয়া কাকতৰ সংখ্যাও বৰ বেছি নহয়।

### নগাঁৱত সাহিত্য চৰ্চ্চা

তাহা[illegible] বৰুৱা ডাঙ্গৰীয়া নগাঁৱত থাকোঁতে "আসামবন্ধু" আৰু "মৌ" নগাঁৱৰ পৰা ওলাওঁতে, অসমীয়া পুথি বছা কমিটি নগাঁৱত বহোতে, স্বৰ্গীয় ৰত্নেশ্বৰ মহন্ত, কন্দৰাম বৰদলৈ, ধৰ্ম্মেশ্বৰ গোস্বামী, নবনাথ মহন্ত, বিষ্ণুপ্ৰিয়া দেৱী, শ্ৰীযুক্তা পদ্মাৱতী ফুকননী আৰু শ্ৰীযুত ভোলানাথ দাস ডাঙ্গৰীয়াই সাহিত্যচৰ্চ্চা কৰোতে নগাঁও সমাজত সাহিত্য-সম্পৰ্কে "গুলজাৰ" হৈ আছিল। আজি কালি নগাঁও নিমাত হল কিয়? নগাঁও শিক্ষিতৰ সংখ্যা দিনকদিনে বাঢ়িছে, এখন ৰেল নগাঁৱলৈ গৈ বহিৰ্জ্জগতৰ লগত নগাঁওক কাৰবাৰৰ শিকলিৰে বান্ধিছে, এনেস্থলত সাহিত্য বিষয়ত নগাঁও পিছ পৰি থকা উচিত নহয়। আশা কৰো ১৯২৫ চনৰ শেহাশেহি বহিবলগীয়া অসমীয়া সাহিত্য সন্মিলনৰ অধিৱেশনে নগাঁৱক মৃতসঞ্জীৱনী দিব।

### অসমীয়া জাতি সাহিত্যপ্ৰাণ জাতি

হিৱেনচাঙ্গে কৈছে, অসমীয়া মানুহৰ স্মৃতিশক্তি বৰ চোকা, আৰু পঢ়াশুনাত তেওঁলোকৰ বৰ আগ্ৰহ; কুমাৰ ভাস্কৰবৰ্ম্মাৰ হংসবেগ নামক কটকীয়ে সম্ৰাট হৰ্ষবৰ্দ্ধনক এখন সাঁচিপতীয়া পুথি উপহাৰ দিছিল; কমতাপুৰৰ ৰজা দুৰ্ল্লভনাৰায়ণ আৰু কোচৰ ৰজা নৰনাৰায়ণে সাহিত্যিকৰ পৃষ্ঠপোষক হৈ গ্ৰন্থ লিখাইছিল; স্বৰ্গদেৱ ৰুদ্ৰসিংহ আৰু শিৱসিংহই নিজে গীত ৰচিছিল; ৰাজেশ্বৰসিংহই "কীচক বধ" নামে নাটক ৰচিছিল; ৰামচন্দ্ৰ বৰপাত্ৰগোঁহাই ডাঙ্গৰীয়াই সুন্দৰ কবিতা লিখিছিল; শিৱসিংহ ৰজা, চুমলী বৰগোঁহাই, শ্ৰীনাথ বৰবৰুৱা, পুৰন্দৰসিংহ স্বৰ্গদেৱে অসমৰ বুৰঞ্জী লিখাইছিল; এতিয়াও খেনো সত্ৰৰ অধিকাৰ সকলে 'নাট কাটিলেহে' অধিকাৰ পদৰ কাৰণে উপযুক্ত বিবেচিত হয়। অসমীয়া সমাজত ভাগৱতী, পাঠক আদি একশ্ৰেণীৰ মানুহে পুথি পঢ়াৰ কাৰণে বিশেষকৈ শিক্ষিত হৈছিল; অসমীয়া মানুহৰ ঘৰে ঘৰে গোঁসাইঘৰত পুথিৰ ভঁৰাল, বংশাৱলী আদি লিখাৰ ব্যৱস্থা; অসমীয়া কাকতী কাইথসকল পুথি-পাঁজি লিখাত পৈণত আছিল; অসমীয়া মতা তিৰুতাই মুখে মুখে গীত ৰচি গীত গাই যাব পাৰে; দুৰ্ঘোৰ অশিক্ষিত অসমী[illegible]নিহ তিৰোতাৰ মুখতো উচ্চ অসমীয়া সাহিত্যৰ [illegible]শুনিবলৈ পোৱা যায়। এনে সাহিত্যপ্ৰাণ জাতি পৃথিবীত কিমান?

### পুৰণা পুথিৰ তালিকা

অসমীয়া প্ৰাচীন সাহিত্যৰ ঐশ্বৰ্য্য কিমান তাক উপলব্ধি কৰিবলৈ হলে তাৰ এখন সম্পূৰ্ণ তালিকা সংকলন কৰিব লাগিব। ১৮১৭ শকত অ-ভা-উ-সা সভাৰপৰা তেনে এখন তালিকা যুগুত হৈছিল; কিন্তু প্ৰকৃত প্ৰস্তাৱে তাৰ তালিকাত থকা পুথিতকৈ তেজাৰ গুণ বেছি পুথি অসমীয়াৰ ঘৰত আছে বুলি আমাৰ বিশ্বাস। অসমীয়া পুৰণি পুথিৰ তালিকা দু-ভাগত ভগাব লাগিব, ১ম, প্ৰকাশিত পুথি, ২য়, অপ্ৰকাশিত পুথি। প্ৰকাশিত পুথিৰ তালিকা কৰিবলৈ পৰিশ্ৰম দৰ্কাৰ মাথোন। অপ্ৰকাশিত পুথিৰ তালিকা কৰিবলৈ হলে তলত দিয়া উপায় অৱলম্বন কৰিব পাৰি,—অসমীয়াৰ ঘৰুৱা বা ৰাজহুৱা গোঁসাইঘৰ, নামঘৰ, বা কীৰ্ত্তনঘৰ বা মন্দিৰত থকা পুথিৰ নাম, গ্ৰন্থকাৰৰ নাম, পুথিৰ বিষয়, ৰচনা তাৰিখ, নকল কৰোঁতা জনৰ নাম, পুথিৰ পাতৰ সংখ্যা ইত্যাদিৰ বিৱৰণে সৈতে পুথিৰ তালিকা পঠাবলৈ সকলো সত্ৰ, মন্দিৰ, দেৱালয়, সম্ভ্ৰান্ত মানুহ, উদ্যোগী সাহিত্য-সেৱী আদিলৈ গাঁৱে ভূঁয়ে সকলো ঠাইলৈ চিঠি পঠোৱা হক। লগতে ছপা কৰা ফৰ্ম্ম পঠোৱা হক, তেনেহলে সকলোৰেপৰা একেধৰণৰ বিৱৰণ পোৱা যাব। এনেদৰৰ ফৰ্ম্ম পাই তাক পূৰ্ণ কৰি পঠিয়াবলৈ বোধ কৰো কাৰো শঙ্কা নহব, কাৰণ তেনে-স্থলত পুথিৰ গৰাকীয়ে নিজৰ পুথি হস্তান্তৰ নকৰিলেও হব। পুথিৰ গৰাকীৰ ভিতৰত যি সকল শিক্ষিত নহয়, তেওঁলোকে গাঁৱৰ কোনো শিক্ষিত মানুহৰ হতুৱাই এই ফৰ্ম্ম পূৰ্ণ কৰি পঠিয়াব পাৰিব। অসমৰ ঠায়ে ঠায়ে সৰু ডাঙৰ বহুত সন্মিলন আছে, আৰু বহুত উদ্যোগী পুৰুষ আছে, তেওঁলোকে নিজ নিজ এলাকাৰ মানুহৰ ঘৰত থকা পুথিৰ বিৱৰণ দি পঠিয়াব পাৰে। এই কামৰ নিমিত্তে কোনো এজন দায়িত্ব-পূৰ্ণ উদ্যোগী মানুহক উপযুক্ত বানচ দি এই কামত লগাব পাৰি। এই বিষয়ে সাহিত্য-সভাই অলপ আলোচনা কৰিব নে?

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

## সাধক

তেতিয়াৰে পৰা মই প্ৰিয়াৰ সাধক
জপি আছো প্ৰিয়া-মলা নিমাতে নিতালে
প্ৰিয়াৰ ৰূপেই আছে আগুৰি বিশ্বক
যতেই সৌন্দৰ্য্য ততে প্ৰিয়া চিৰকালে।
একেটি জেউতি ব্যাপি আছে বিশ্বময়,
প্ৰিয়াৰ একোটি ক্ষীণ আভা সকলোতে;
স্বাধীন সৌন্দৰ্য্য সি যে আবদ্ধ নহয়
এটি সান্ত পৃথিবীৰ নিৰ্দ্দিষ্ট ৰূপতে।
সৌন্দৰ্য্যৰ তৃষ্ণাতুৰ মোৰ হৃচকুত
নাচি ফুৰে অৰূপৰ অণু-পৰমাণু,
যাকে পাওঁ তাকে মই সামৰো বুকুত
শুনি সেই সুন্দৰৰ মতলীয়া বেণু,
সমাজৰ নিন্দনীয় অবুজ প্ৰেমিক,
মহা প্ৰয়াণৰ মই আকুল পথিক।

# ঋতুব্ৰতী

সমুখত পঢ়াশালি পুথি মেলি লই
বহো, অযাচিতে আহি খিৰিকি দুৱাৰে
শাৰদী জোনাকে বৰে ; বহি ভাবো মই—
অপাৰ লাৱণ্য মোৰ ছানিছে প্ৰিয়াৰে।
হেমন্তৰ বায়ু লাগি পকা ধাননিৰ
ধান গছবোৰ যদি নাচে উলাহেৰে,
ৰূপহী প্ৰিয়াৰ ৰিহা-আচল খনিৰ
কথাহে মনত আহি ঘনে ঘনে পৰে।

শীতৰ ৰ'দালি মোৰ প্ৰিয়া-পৰশন,
বসন্তৰ ফুল-ৰেণু সেন্দুৰী দুগাল ;
জহৰ এছাতি মৃদু শীতল পৱন
প্ৰিয়াৰ নিশাহ বুলি লাগে বৰ ভাল।
বাৰিষা মেঘৰো সেই ওন্দোলোৱা বেশ,
বাউলী প্ৰিয়াৰে মোৰ বিশৃঙ্খল কেশ।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# দৃষ্টিহীন

সকলোতকৈ বুঢ়ী কাণী—ত'ত আমাক মনে মনে বৈ থাকিবলৈ কৈছিল।

তৃতীয় কণা—আমি মন্দিৰৰ ভিতৰত নহও, নহয় !

সকলোতকৈ বুঢ়ী কাণী—তই ক'ত আছ নেজান।

তৃতীয় কণা—মোৰ কথা নেপাতিলে ভয় লাগে।

দ্বিতীয় কণা—আমাৰ সাধুজন কলৈ গল কব পাৰনে ?

তৃতীয় কণা—তেখেতে আমাক অকলে এৰি থৈ যোৱা বহুত পৰ হল হ'বলা।

প্ৰথম কণা—তেখেত বৰ বুঢ়া হল। কিছুদিনৰ পৰা তেখেতে নিজেই চকুৰে নমনা হৈছে হ'বলা। আন এজনে আহি আমাৰ মাজত তেখেতৰ ঠাই লয়হি বুলি ভয়তে তেখেতে এই কথা স্বীকাৰ নকৰে ; কিন্তু তেখেতে যে কিবা দেখে মোৰ হলে সন্দেহ হয়। আমাক আন এজন গুৰিয়াল লগা হল আৰু ; তেখেতে আজিকালি আমাৰ কথা নুশুনা হল আৰু আমিও তেখেতৰ কাৰণে এমখা হৈ পৰিলো। ঘৰ খনত চকুৰে দেখাৰ ভিতৰত মাথোন তেখেত আৰু তাপসী তিনি জনা। আৰু কেউ-জনাই বয়সে আমাতকৈ ডাঙৰ ; মই নিশ্চয়কৈ জানিছো, তেখেতে আমাক ভুল-বাটে আনি আকৌ বাট বিচাৰি ফুৰিছে। তেখেতনো বাৰু ক'লৈ গল ?—তেখেতৰ আমাক ইয়াত এৰি থৈ যোৱাৰ কি স্বত্ব ..................

সকলোতকৈ বুঢ়া কণা—তেখেত বহুত দূৰলৈ গল ; মাইকীবোৰক সেই বুলি তেখেতে কৈ যাব পায়।

প্ৰথম কণা—তেন্তে তেখেতে আজিকালি মাইকী-বোৰৰে সৈতেহে কথা-বতৰা হয় ? আমি মৰিলোনে কি ? অন্ততঃ আমি গোচৰ দিব লাগিবপে আৰু !

সকলোতকৈ বুঢ়া কণা—কাৰ গুৰিত গোচৰ দিবি অ' ?

প্ৰথম কণা—জানো কাৰ গুৰিত, দেখা যাব, দেখা যাব। কিন্তু তেখেত বাৰু গল কলৈ ? মই তিৰুতা-সকলক সুধিছো।

সকলোতকৈ বুঢ়ী কাণী—অত পৰ থোজ কাঢ়ি তেখে-তৰ বৰ ভাগৰ লাগিল। মোৰ মনেৰে এখন্তেক তেখেত আমাৰ মাজতে বহিছিল। আজি কেদিন মান তেখেতৰ বৰ বেজাৰ আৰু বৰ দুৰ্ব্বল। ডাক্তৰজন মৰিবৰেপৰা তেখেতৰ অসুখ। তেখেত নিচেই অকলশৰীয়া হৈ পৰিল। তেখেতে কথাকে নোকোৱা হল। কি হল জানো, মই



একোকে কব নোৱাৰো। আজি বৰকৈ ওলাই যাব খুজিছিল ; কৈছিল বোলে, জাৰ পৰাৰ আগতে, বদ পৰি থাকোতেই দ্বীপটো এদিন শেষবাৰ চাই লব খোজে। এইবাৰ বোধকৰো বৰ জাৰ পৰিব আৰু বহুত দিন ( জাৰ ) থাকিব, উত্তৰ ফালৰপৰা বৰফ লাহে লাহে আহিলেই হব পায়। তেখেতৰ বৰ এটা চিন্তা আছিল জুৰিটোলৈ ; শুনিছো বোলে এই কেদিনৰ ধুমুহাত জুৰিটো বৰ বাঢ়িল আৰু হেনো ভেটাবোৰ ভাগিব লাগিছে। সাগৰখনৰ পৰাও হেনো ভয় লাগিছিল, তাত হেনো অকাৰণতে ঢৌবোৰ উঠিছিল, আকৌ ইফালে দ্বীপটোৰ পাহাৰবোৰো বৰ ওখ নহয়। তেখেতে নিজ চকুৰে চাব খুজিছিল ; কিন্তু কি দেখিলে তেখেতে ... কলে। মোৰ মনেৰে তেখেতে পাগলী-জনীৰ নিমিত্তে অলপ আহাৰ-পানী আনিবলৈ গৈছে। বহুত দূৰ যাব লগাত পৰিব পাৰে বুলিও তেখেতে কৈছিল। গতিকে আমি বৈয়েই থাকিব লাগিব।

গাভৰু কাণী—যাবৰ বেলিকা তেখেতে মোৰ হাত দুখন ধৰিছিল আৰু তেখেতৰ হাত দুখন ভয়ত কঁপাৰ দৰে থকথক কৰে কঁপিছিল। তাৰ পাছত তেখেতে মোক চুমা খালে..............

প্ৰথম কণা—অঁা ! অঁা !

গাভৰু কাণী—মই "কি হৈছে" বুলি সোধাত তেখেতে কলে বোলে কি হব খুজিছে তেখেতে নিজেই কব নোৱাৰে। কলে বোলে "বুঢ়াৰ দিন উকলি আহিল হ'বলা !..........

প্ৰথম কণা—সেইটোৰ নো কি অৰ্থ কৰিলে ?

গাভৰু কাণী—মই তেখেতৰ কথা বুজি নেপালো। কলে বোলে সেই আকাশ-বাতি থকা ডাঙৰ ঘৰটোৰ ফালে যাব।

প্ৰথম কণা—কি, ইয়াত আকাশ-বাতিৰ ঘৰ এটাও আছেনে কি ?

গাভৰু কাণী—ওঁ, দ্বীপটোৰ উত্তৰ ফালে। আমি তাৰ পৰা বেছি দূৰত নহব পাওঁ। তাৰ চাকিটোৰ পোহৰ ইয়াৰ পাত-চোতবোৰৰ ওপৰত পৰা তেখেতে দেখিছিল বুলি কৈছিল। তেখেতক আজিৰ দৰে বিমৰিষ আৰু কেতিয়াও দেখা নাই, আজি গল কেদিনমানৰপৰা তেখেত কান্দি থকা যেনো লাগে। কিয় কব নোৱাৰো। মোৰো কিন্তু তেখেতক নেদেখাকৈয়েই কান্দোন ওলাইছিল। মই তেখেত যোৱা শুনা নাই, আৰু সৰহ কথাও নুসু-ধিলো। তেখেতে এটা গহীন হাঁহি মাৰিছিল আৰু শান্তি বিচাৰি চকু মুদা মই শুনিছিলো।......................

প্ৰথম কণা— তেখেতে আমাক এইবোৰ একো কোৱানাই !

গাভৰু কাণী—তোমালোকে তেখেতৰ কথালৈ যে কাণকে নকৰা !

সকলোতকৈ বুঢ়ী কাণী—এ... বাপাই, তেখেতে কথা কলে তহঁতে নিজৰ ভিতৰতে গুণ-গুণাই থাক।

দ্বিতীয় কণা—যাবৰ সময়ত তেখেতে, শুবলৈ যাওঁতে কোৱা সেই "সু-ৰাত্ৰম্" চোলোখৰাৰ গাইছিল।

তৃতীয় কণা—ৰাতি বাৰুকৈয়ে হব পায়।

প্ৰথম কণা—যাবৰ বেলিকা তেখেতে দুবাৰ কি তিনি-বাৰ "সু-ৰাত্ৰম্" কথাষাৰ কলে, যেন শুবলৈহে গৈছে। "সু-ৰা-ত্ৰম্ ;" "সু-ৰা-ত্ৰম্" বোলোতে তেখেতে মোৰ ফালে চাই থকা শুনিছিলো।—এটাৰ ফালে একেৰাহে চাই থাকিলে মাতটোৰ সলনি হয় নহয় !

পঞ্চম কণা—( হে হৰি, ) কণাক কৃপা কৰা !

প্ৰথম কণা—সেইটো কোন ওঁ, আগগুৰি নোহোৱাকৈ কথা কোৱাটো ?

দ্বিতীয় কণা—সেই কাণে নুশুনাটো হ'বলা।

প্ৰথম কণা—মনে মনে থাক। এতিয়া মাগিবৰ সময় নহয়।

তৃতীয় কণা— তেখেতনো ভাত-পানী আনিবলৈ ক'লৈ গ'ল ?

সকলোতকৈ বুঢ়ী কাণী—সেই সাগৰৰ ফাললৈকে গৈছিল।

তৃতীয় কণা— তেখেতৰ বয়সত, মানুহে সেইদৰে সাগৰৰ ফালে নেযায় !

দ্বিতীয় কাণী—আমি সাগৰৰ ওচৰতে আছোনে কি ?

সকলোতকৈ বুঢ়ী কাণী—এৰা; অলপ মনে মনে থাকচোন; শুনিবিয়ে।

[ওচৰতে সাগৰৰ হো-হোৱনি আৰু পাহাৰবোৰৰ সিফালে বৰ নিৰ্জ্জন।]

দ্বিতীয় কণা—মই মাথোন বুঢ়ী তিনিজনীয়ে উপাসা কৰাহে শুনিছো।

সকলোতকৈ বুঢ়ী কাণী—ভালকৈ মন কৰচোন, তাৰ ভিতৰতে শুনিবি।

দ্বিতীয় কণা—ওঁ, শুনিছো আমাৰ ওচৰতে কিবা এটা।

সকলোতকৈ বুঢ়ী কাণী—সাগৰখন শুই আছিল; এতিয়া যেন সাৰ পাই উঠিছে।

প্ৰথম কণা—

আমাক ইয়ালৈ লৈ অহা তেখেতৰ বৰ ভুল; মই সেই গোলমালবোৰ শুনিব নোৱাৰো।

সকলোতকৈ বুঢ়ী কাণী—দ্বীপটো ডাঙৰ নহয় বুলি মেথোন জানয়; আশ্ৰমৰ চাৰিবেৰৰ বাহিৰ হলেই সাগৰৰ শবদ শুনা যায়।

দ্বিতীয় কণা—মই আগেয়ে কেতিয়াও শুনা নাই।

তৃতীয় কণা—আজি সাগৰখন নিচেই ওচৰতে যেন লাগিছে; মই ইমান কাষতে এইখন শুনিবলৈ ভাল নেপাওঁ।

দ্বিতীয় কণা—ময়ো নেপাওঁ পাই হে; আমিতো কেতিয়াও আশ্ৰমৰ বাজ ওলাওঁ বোলা নাই।

তৃতীয় কণা—আমি কেতিয়াও ইমান দূৰ অহা নাই; আমাক ইমান দূৰ অনা একো দৰ্কাৰ নাছিল।

সকলোতকৈ বুঢ়ী কাণী—আজি পুৱা বৰ ফৰকাল আছিল। জাৰৰ দিনকেটালৈ আশ্ৰমতে সোমাই থকাৰ আগেয়ে তেখেতে আমাক জহৰ শেষ দিন কেটা অলপ ভোগ কৰিবলৈ দিব খুজিছিল ......... ...................

প্ৰথম কণা—মোৰ হলে আশ্ৰমত থাকিহে ভাল লাগে!

সকলোতকৈ বুঢ়ী কাণী—আৰু তেখেতে কৈছিল বোলে আমি থকা দ্বীপটোৰ বিষয়েও অলপ-অচৰপ জনা উচিত। আনকি তেখেতে নিজেই গোটেইটো দেখা নাই। আজিলৈকে বোলে পাহাৰটোও কোনোও বগোৱা নাই, সমতললৈকো কোনো নমা নাই, গহ্বৰটোতো সোমেৱা নাই, থকা নাই। তেখেতৰ মতে একেষাৰতে, মানুহ অকল ঘৰ-দুচালৰ তলত সোমাই গা ৰ'দাই ৰ'দলৈ বাট চাই থাকিলেই নহয়। সেইহে তেখেতে আমাক সাগৰৰ দাতিত ফুৰাবলৈ আনিব খুজিছিল। তেখেত তালৈ অকলে গল।

সকলোতকৈ বুঢ়া কণা—যি কৈছিল ঠিককে কৈছিল। মানুহে থকাৰ বিষয়েও ভবা দৰ্কাৰ।

প্ৰথম কণা—পিছে, ঘৰৰ বাহিৰততো চাব লগীয়া একো নাই।

দ্বিতীয় কণা—এতিয়া আমি ৰ'দতনে?

তৃতীয় কণা—এতিয়াও বেলি আছেনে?

ষষ্ঠ কণা—মোৰ মনেৰে নাই। বহুত পৰ হল যেন লাগিছে।

দ্বিতীয় কণা—কেইটা বাজিল?

আনবিলাক কণা—জানো আমি কব নোৱাৰো—কোনেও নেজানে।

দ্বিতীয় কণা—এতিয়াও পোহৰ হৈয়ে আছেনে? [ষষ্ঠ কণাক] তই ক'ত অ,' কোনখিনিত? আহ, তই, অলপ দেখাটো এইপিনে আহচোন!

ষষ্ঠ কণা—বোধকৰো, এতিয়া ৰাতি, যোপমৰা এন্ধাৰ। বেলিটো থাকিলে মই মোৰ চকুৰ পিৰিকটিৰ তলত নীলা আঁচ এডাল দেখো। বহুত দিনৰ আগেয়ে এডাল দেখিছিলো—পিছে আজিকালি একোকে নেদেখো।

প্ৰথম কণা—মই কবৰ হ'লে মোৰ ভোক লাগিলেই বহুত পৰ হল বুলি জানো; আৰু এতিয়া মোৰ ভোক লাগিছে।

তৃতীয় কণা—পিছে আকাশলৈ চাইকচোন; কিবা এটা দেখিবিইক যেন পাওঁ [সকলোৱে ওপৰলৈ মুৰ দাঙি দাঙি আকাশলৈ চায়।—জন্মান্ধ কেটাই কিন্তু মাটিলৈকে চাই থাকে।]

(আৰু আছে)

---



# মন বুজি চলা

সংসাৰী নৰনাৰীমাত্ৰেই নানা অৱস্থাত নানা কাৰণত লোকৰ মন বুজি চলিব লগীয়াত পৰে। লোকৰ মনোভাৱলৈ একেৰিকে ভ্ৰুক্ষেপ নকৰি মইমতীয়াভাৱে চলা মানুহে, কিম্বা আৱশ্যক অনুসৰি লোকৰ মন বুজি চলিব নজনা মানুহে নিজেও সুখী হব নোৱাৰে আনকো সুখী কৰিব নোৱাৰে। পত্নীয়ে পতিৰ, চাকৰে গিৰিহঁতৰ, পুতেকে বাপেকৰ, আলধৰতীয়ে ৰোগীৰ মন বুজি চলিব নজনা হলে কোনো পক্ষই সুখী হব নোৱাৰিলেহেতেন।

অনুগ্ৰহ অথবা প্ৰীতি আকৰ্ষণ[illegible] কিম্বা প্ৰিয়জনক সুখী কৰিবৰ মনেৰে, মানুহে মানুহৰ মন বুজি চলিবলৈ চেষ্টা কৰে।

আশাতেই হক, ভয়তেই হক, মৰমতেই হক, কিম্বা ঠগিবৰ উদ্দেশ্যেই হক, যি, লোকৰ মন বুজি চলিব জানে, তাৰ সকলোবোৰ দোষ তল পৰে। এই গুণৰ বলতে একোটা মহা দুৰ্জ্জন মানুহেও উচ্চপদ উপভোগ কৰিবলৈ পায়।

যি, লোকৰ তলতীয়া অথচ ওপৰৱালাৰ মন বুজি চলিব নাজানে, তাৰমান দুৰ্কপলীয়া আৰু অপদাৰ্থ আৰু নাই। "A clever rogue is better than an honest fool." (মুৰ্খ সাধুতকৈ টেঙৰ অসাধু ভাল।)

ৰোগীয়ে বটিয়াৰ খুজিছে কিন্তু চৰিয়াটো আগ বঢ়াই দিব লাগে বুলি আলধৰতীৰ গাত গমেই নাই! ৰাতিপুৱা শুই উঠিয়েই পানী এঘটী বিচৰা গিৰিয়েকৰ অভ্যাস; কিন্তু ঘৈণীয়েকে তাকে যতাই থব লাগে বুলি নাজানে! কোনো এটা কথাৰ প্ৰাৰ্থী হৈ এজনৰ ওচৰলৈ গৈছো; কিন্তু যি কথা কলে তেওঁ বেয়া পায়, সেই কথাকে তেওঁৰ আগত কৈছো, আৰু যি কাম কৰা তেওঁ দেখিব নোৱাৰে, সেই কামকে কৰি দেখুৱাইছো; এনে অৱস্থাত প্ৰাৰ্থনা ফলৱতী হবৰ আশা কৰিব পাৰি নে? ছাৰ ৱাণ্টাৰ ৰেলীয়ে ৰাণী এলিজাবেথৰ ভৰিত বোকা নালাগিবলৈ বোকাৰ ওপৰত ততালিকতে নিজৰ গুভাৰকোটটো পাৰি দি ৰাণীৰ প্ৰিয়পাত্ৰ হৈছিল। কিন্তু সেইবাবে তেওঁক কোনেও খোছামোদকাৰী বুলি নিন্দা নকৰে। ভদ্ৰতা দেখুৱাবলৈ সঙ্কুচিত হোৱা বেয়া।

যেতিয়া যি অৱস্থাত পৰে, সেই অৱস্থাৰ লগত যি মুনিহ বা তিৰোৱে নিজক থাপ্ খুৱাই লব নাজানে বা নোৱাৰে, সেই মুনিহ বা তিৰোৰ দুৰ্দ্দশাৰ সীমা নাথাকে। বাহুক সাৰথিক মহাৰজা নল বুলি চিনি পাবৰ সাধ্য কাৰো নাছিল। চণ্ডালবেশী ৰজা হৰিশ্চন্দ্ৰক ঘৈণীয়েক শৈব্যায়ো চিনিব পৰা নাছিল। বিৰাট ৰজাৰ ঘৰত বৃহন্নলাৰূপী অৰ্জ্জুনক বা সৈৰি[illegible]পিণী দ্ৰৌপদীক চিনিপায় সাধ্য কাৰ?

ইচ্ছা থাকিলেও মন বুজি চলাৰ বাটত বিঘিনি বহুত; যথা,—

(১) অলপ বুধীয়া মানুহে নিভুৰ্লে লোকৰ মন বুজিব নোৱাৰে।

(২) মন বুজিব পাৰিলেও সেইমতে চলা কোনো কোনো অৱস্থাত একেবাৰে অসম্ভৱ।

(৩) নিজৰ মনোবেগ সম্পূৰ্ণৰূপে দমন কৰি, পৰৰ মনানুযায়ী আচৰণ কৰিবৰ নিমিত্তে যিমানখিনি ধৈৰ্য্য, আত্মসংযম প্ৰভৃতি মানসিক বলৰ আৱশ্যক, সিমানখিনি ধৈৰ্য্য আৰু আত্মসংযম প্ৰভৃতি গুণৰ অভাৱ।

(৪) অব্যবস্থিতচিত্ত মানুহৰ মনৰ গতি কেতিয়া কোনফালে ঢাল খায় তাৰ অনিশ্চিততা, ইত্যাদি।

গল্পত আছে,—মাকে কোনো এঠাইলৈ "পোনে পোনে" যাবলৈ কোৱাত পুতেকে সেইমতে যাবলৈ ধৰিলে আৰু বাটত শিমলুগছ এজোপা পাই, ঠিক পোনে পোনে যাবৰ মনেৰে, গছজোপাৰ এপাৰে উঠি আনপাৰে নামি গল। ইয়াত বুদ্ধিহীনতাৰ বাবে পুতেকে মাকৰ মন বুজাত ভুল কৰিছিল।

"পণ্ডিতমূৰ্খানাম্" গল্পৰ পণ্ডিতকেজনে "সৰ্ব্বনাশে সমুৎপন্নে অৰ্দ্ধং ত্যজতি পণ্ডিতঃ" কথাফাঁকিৰ বিকৃতাৰ্থ কৰি কেনে কাণ্ড কৰিছিল, সকলোৱে জানে। ইয়াতো লোক

ৰচোতাৰ প্ৰকৃত মনোভাব শিক্ষাভিমানী পণ্ডিত-মূৰ্খকেজনে বুজিব পৰা নাছিল।

বিড়লীৰ মন বুজি চলিব খুজিলে, গাধীৰ মাছ প্ৰভৃতি বস্তু উদঙাই থবলগীয়া হয়! বাঘৰ মন বুজি চলিব খুজিলে, ইহধামকে ত্যাগ কৰিবলগীয়া হয়! পাপীৰ মন বুজি চলিব খুজিলে পাপকৰ্ম্মৰ সহায়ক হলেহে পাৰি। এনেবোৰ ঠাইত সকলোৰে পক্ষে পৰৰ মন বুজি চলা অসম্ভৱ। এনেবোৰ ঠাইত স্বাধীনচিত্ততা শলাগিবলগীয়া। এনে অৱস্থাত আত্মৰক্ষাৰ চিন্তাহে ঘাই চিন্তা হোৱা উচিত।

এটা হজুৱা গল্প আছে,—পথাৰত কাম কৰি থাকোতে মানুহ এটাই তাৰ বন্ধু এজনক কলে, "আজি ঘৰলৈ গৈ ঘৈণীজনীক চৰ গোটাচেৰেক মাৰিব লাগিব।" বন্ধুৱে সুধিলে "দোষ পালেহে মাৰিবা, দোষ নাপালে কেনেকৈ মাৰিবা?" মানুহটোৱে উত্তৰ দিলে, "ঘৈণীক মাৰিবলৈ আকৌ দোষ বিচাৰিব লাগিছে নে? তাই যদি কাঁহৰ লোটাটো ঘৰৰ ভিতৰত থৈছে, তেন্তে, চোতালত নথলি কিয়, বুলি, দোষ উলিয়াম। আৰু লোটাটো যদি তাই চোতালত থৈছে তেন্তে, ঘৰৰ ভিতৰত থোৱা নাই কিয়, বুলি দোষ ধৰিম।"

এই কথা শুনি বন্ধুজনে কিবা এটা ছেলু লৈ মানুহটোৰপৰা বিদায় ললে আৰু কোনোবা এটা চমু বাটে আগ হৈ গৈ, মানুহটোৰ ঘৈণীয়েকক সাৱধান কৰি দিলে। ঘৈণীয়েকেও বুদ্ধি খটাই, লোটাটো ঘৰৰ ভিতৰত কি চোতালত নথৈ, উভয়ৰে মধ্যস্থল দুৱাৰদলিত থৈ দিলে!

গিৰিয়েকে ঘৰ-পাই লোটাটো দুৱাৰদলিত দেখি অলপ বিবুদ্ধি হল; কিন্তু ততালিকতে "কাঁহৰ লোটা দুৱাৰ দলিত থলেও তোক নচৰিবাকৈ নেৰোঁ।" বুলি ঘৈণীয়েকক অনাহকতে চৰ সোধালে!

এনে মানুহৰ মনত সন্তোষ দিবলৈ চেষ্টা কৰা মিছা। কিন্তু সাধাৰণভাৱে কব পাৰি যে, বিষয় কাৰ্য্যোপলক্ষে বা আনপ্ৰকাৰে যিবোৰ মানুহৰ ভিতৰত পৰস্পৰ সম্বন্ধ ঘটে তেওঁবিলাকৰ উভয়পক্ষই যদি যুক্তিমাৰ্গী, সহৃদয় আৰু চোকাবুধীয়া হয়, আৰু তেওঁবিলাকে যদি পৰস্পৰৰ মন বুজি চলিবলৈ যত্নশীল হয়, তেন্তে তেওঁবিলাকৰ সম্বন্ধটো আনন্দময় হয়।

প্ৰখৰ বুদ্ধি, সহানুভূতিপূৰ্ণ হৃদয়, মনুষ্যচৰিত্ৰত গভীৰ-জ্ঞান, প্ৰবল [illegible]ক্তি ইত্যাদি সদ্গুণ গাত নাথাকিলে লোকে লোকৰ মন বুজি চলিব পৰা টান। লোকৰ মন বুজি চলিব পৰাৰ মূল-মন্ত্ৰ সম্পূৰ্ণৰূপে আত্মবিলোপ।

সমাজত মুকলিমূৰীয়াভাবে ফুৰিবলৈ সমৰ্থ পুৰুষতকৈ চিৰপৰাধীনা ভাৰতীয়া নাৰীৰ গাত, পতি-পুত্ৰ, শাহু-শহুৰৰ মন বুজি চলিব জনা গুণটোৰ বাৰুকৈ বিকাশ হোৱা যে কিমান বাঞ্ছনীয়, তাক কৈ অন্ত কৰিব নোৱাৰি। এই গুণটোৰ বিকাশৰ ফাললৈ বিশেষকৈ চকু ৰাখি, পঢ়াশালীবোৰত স্ত্ৰী-শিক্ষাৰ বন্দবস্ত কৰিলে, বোধ কৰো, সুফল ফলিব পাৰে।

মন বুজি চলিব পৰাৰ শক্তি আৰ্জ্জিবলৈ গাত যিবোৰ গুণ থকা বিশেষ আৱশ্যক, তাৰ ভিতৰত কথা কব জনা গুণটো প্ৰধান। এই বিষয়ে পাছত আলচ কৰিবৰ ইচ্ছা থাকিল।

শ্ৰীজ্ঞানানন্দ জগতী

---

# হিন্দুৰ ধৰ্ম্ম কি

হিন্দুৰ ধৰ্ম্ম কি?— এই প্ৰশ্ন কোনো হিন্দুক কৰিলে, তেওঁ তোমাক বলিয়া বুলিব। কিন্তু আচলতে কথাটো আমি ফঁহিয়াই চাবলৈ যাওঁ যদি আমাৰ বৰ্ত্তমান ধৰ্ম্ম আৰু সমাজৰ কি শোচনীয় অৱস্থা তাক ফটফটীয়াকৈ দেখিবলৈ পামহঁক।

হিন্দুধৰ্ম্ম সনাতন বৈদিক ধৰ্ম্ম, এই কথা আমি প্ৰত্যেক হিন্দুৰ মুখতে শুনিবলৈ পাম। কিন্তু বৰ্ত্তমান অৱস্থাত আমি কি ধৰ্ম্মৰ কাজ কৰোঁহক, আৰু তাৰ সৈতে সনাতন বৈদিক ধৰ্ম্মৰ কি সম্পৰ্ক আছে তাক সকলো চিন্তাশীল হিন্দুৱে এবাৰ ভাবি চোৱা উচিত যেন বিবেচনা কৰো।



বছেৰেকৰ মূৰত পিতৃ-মাতৃৰ মৃত্যুৰ তিথিৰ দিনা বামুণ এজনক মাতি এটা পিণ্ড দিয়া, বিহুৱে-সংক্ৰান্তিয়ে বামুণক দুই-চাৰি পইচা দান-দক্ষিণা কৰা, গুৰু তিথি, জন্মাষ্টমী তিথি বা তেনেকুৱা তিথি-উৎসৱৰ দিনা নামগোৱা, সবাহ পতা বা পূজা কৰা আৰু সুবিধা হলে আঁউসী-একাদশীৰ দিনা এসাঁজ ভাত লঘোন দিয়াই—বোধ কৰো আমি ধৰ্ম্মৰ চূড়ান্ত কৰ্ম্ম বুলি ভাবোহঁক, আৰু তাৰ লগতে আমাৰ দেশৰ আচাৰ মতে খোৱা-লোৱাত বাচ-বিচাৰ কৰি চলিব পাৰিলেই আমি হিন্দু। কিন্তু আজিকালি শিক্ষিত সমাজত বা নগৰত বসতি কৰা হিন্দুৰ ভিতৰত শ্ৰাদ্ধ কৰা, বামুণক দক্ষিণা দিয়া, ব্ৰত উপবাস কৰা বা পূজা-পাতল কৰা নিয়ম পাতলি আহিছে, আৰু সেইবিলাক [illegible] নকৰিলেও কোনেও নিন্দা কৰিবৰ ভয় নাই। [illegible]কে সেইবিলাক কাজ কৰিলে বা নকৰিলে হিন্দুৰ হিন্দুত্বত কোনোৰূপে ব্যাঘাত নকৰে। তেনেহলে দেখা যাব হিন্দুৰ হিন্দুত্ব দেশাচাৰৰ খোৱা-লোৱাতহে কেৱল তিষ্ঠিছে। ইয়াতো কিন্তু পাশ্চাত্য ধৰণৰ শিক্ষা-পোৱাসকলৰ মনত কোনো আশঙ্কা নথকা দেখা গৈছে। ধৰ্ম্মৰ ভয় বা সমাজৰ ভয় বুলিবলৈ বিশেষ একো নাই। গতিকে হিন্দুৱে কি ধৰ্ম্মৰ ওপৰত বা কি কাজৰ ওপৰত নিজক হিন্দু বোলাই পৰম পবিত্ৰ আৰু ধৰ্ম্ম-নিষ্ঠাবান বুলি ভাবিব পাৰে, তাক ধৰা কঠিন হৈ পৰিছে। নগৰত বসতি কৰা আৰু ইংৰাজীত শিক্ষিতহোৱাসকলৰ ভিতৰত আৰু দেশ-বিদেশত ফুৰিচাকি অহা মনত খোৱা-লোৱা সম্পৰ্কে আশঙ্কা নথকা হিন্দুৰ গাত পবিত্ৰতা আৰু ধৰ্ম্মনিষ্ঠতা আন মানুহে কম বুলি ধৰে। আৰু যি হিন্দুৱে নিজৰ জাতকে সকলো অন্য জাতৰ মানুহতকৈ শ্ৰেষ্ঠ বুলি ধৰে, আৰু অন্য জাতৰ মানুহৰ হাতে খোৱা-লোৱা নকৰে, তেওঁবিলাকে ছোৱা পানী-চুনি নাখায় আৰু কোনোৰূপে সংসৰ্গ নকৰে তেওঁকে আমাৰ সমাজত ধাৰ্ম্মিক আৰু পবিত্ৰ বুলি ধৰোহঁক। অৰ্থাৎ উচ্চজাতিৰ মানুহে নীচজাতিৰ সৈতে কোনোৰূপে সম্পৰ্ক নাৰাখা অথবা পোন কথাৰে উচ্চজাতিৰ মানুহে যিমান অন্যজাতিৰ মানুহক ঘিণ কৰিব পাৰে সি তিমান আমাৰ বৰ্ত্তমান ধৰ্ম্মমতে শুদ্ধ, শিষ্ট আৰু পবিত্ৰ!

ইপোনে তেওঁ বেদৰ বিহিত ধৰ্ম্মৰ লাগিলে কোনো কাম একোকে নকৰক।

খোৱা-লোৱা সম্পৰ্কে কোনো বাচ-বিচাৰ নকৰিবলৈ মই কুব খোজা নাই। পূৰ্ব্বকালৰ জ্ঞানীসকলে খোৱা-লোৱাত যি নিয়ম বান্ধি দিছে সি অতি সত্ আৰু সুবিবেচনাৰ ওপৰত কৰা নিয়ম। গৰমদেশ ভাৰতবৰ্ষৰ নিচিনা ঠাইত উত্তেজনা-কৰা বস্তু খালে ঈশ্বৰ-উপাসনা কৰাত মন স্থিৰ ৰাখিব নোৱাৰে, গতিকে তেনেবিলাক বস্তু আগৰ পূৰ্ব্ব-পুৰুষসকলে ত্যাজ্য বস্তু বুলি খাবলৈ বাদ দিলে। আৰু সেইকাৰণেই ভাৰতত বেদ-বেদান্ত, গীতা-ভাগৱত আদি ঈশ্বৰ-নিৰূপক অপূৰ্ব্ব চিন্তাৰ সোঁত বব পাৰিছিল। আজিকালি কিন্তু ঈশ্বৰ চিন্তা বা ঈশ্বৰ উপাসনা কৰা কথা নাইকিয়া হল যদিও খোৱা-লোৱাৰ নিয়মটো সম্পূৰ্ণৰূপে ৰৈ গল। পিঁয়াজৰ নিচিনা গৰম বস্তু খোৱা নিষিদ্ধ হলে, ভাং হেন বস্তু কেনেকৈ ধৰ্ম্মৰ ভিতৰত ভক্ষ্য হৈ বল তাক এতিয়া বুজিবলৈ টান। ই মহাদেৱৰ হেনো প্ৰসাদ। এনেকুৱা কেতবিলি বস্তুৰপৰা খোৱা-লোৱা নিয়মত আমাৰ ধৰ্ম্মৰ বৰ বেমেজালি হৈছে যেন অনুমান কৰো। আৰু এতিয়া আমাৰ সম্পূৰ্ণ ধৰ্ম্ম-কৰ্ম্ম ৰৈছে খোৱা-লোৱা নিয়ম প্ৰণালীতে। খোৱা-লোৱাৰ নিয়মত তাৰতম্য ঘটিলে আমাৰ ধৰ্ম্ম নষ্ট হল বুলি আমি সমাজত গণনা কৰো। আৰু ইয়াকে আমি বেদৰো আচল ধৰ্ম্ম বুলি ধৰো।

কিন্তু বেদৰ আচল ধৰ্ম্ম কি? হিন্দুৰ সনাতন আস্থ বেদৰ ধৰ্ম্ম কি? বেদ চাৰিখন হলেও, বেদ আচলতে আৰু প্ৰকৃততে দুই খণ্ড; কৰ্ম্মকাণ্ড আৰু জ্ঞানকাণ্ড, এই দুই খণ্ডই বেদৰ প্ৰকৃত বিভাগ। কৰ্ম্মকাণ্ডত সূৰ্য্য, চন্দ্ৰ, বায়ু, বৰুণ, অগ্নি আদিক দেৱতা সিদ্ধি কৰি আৰ্য্যসকলে কৰা স্তুতি-মিনতিৰ শ্লোক আছে, আৰু তেওঁলোকক প্ৰীতি কৰিবলৈ কৰা যজ্ঞাদিৰ নিয়ম প্ৰণালী লিপিবদ্ধ আছে। জ্ঞানকাণ্ডত ঈশ্বৰ উপলব্ধি কৰিবৰ আলোচনা—ঈশ্বৰ কোন? কেনেকুৱা? ক'ত আছে? আৰু কেনেকৈ পাব পাৰি?—তাৰ সূক্ষ্ম আৰু দ আলোচনা কৰি ঈশ্বৰক উপলব্ধি কৰিব পৰা কথা আছে। এই জ্ঞান-

কাণ্ডক বেদান্ত আৰু উপনিষদো বোলে। কৰ্ম্মকাণ্ড আগ জ্ঞানকাণ্ড পাছ—কৰ্ম্মকাণ্ডৰ সাৰ ভাগ, অৰ্থাৎ বেদৰ সাৰ ভাগ বেদান্ত আৰু উপনিষদ। আদিতে সূৰ্য্য, চন্দ্ৰ আদি সকলো জ্যোতিৰ্ম্ময় আৰু ক্ষমতাশালী বস্তুবিলাককে একো একো জন ঈশ্বৰ বুলি গণনা কৰিছিল। পাছত তেওঁ-বিলাকক ঈশ্বৰৰ কেৱল শক্তি-প্ৰকাশক বুলি স্থাৱৰ কৰি আছল ঈশ্বৰ অন্বেষণ কৰোতে বেদান্ত-উপনিষদৰ সৃষ্টি হল। সূৰ্য্য, চন্দ্ৰ, বায়ু, বৰুণ আদি প্ৰবল পৰাক্ৰমশালী বস্তু, ইজনে সিজনে গাইগোটা, কেতিয়াবা কেতিয়াবা কামত বিৰুদ্ধা-বিৰুদ্ধি, বেলেগ বেলেগ পদাৰ্থ, আৰু আকাশত বা পৃথিৱীত এটা নিয়ম ধৰি সদায় প্ৰৱৰ্ত্তে, আৰু মনুষ্যবিলাকে তেওঁলোকৰ সুখ-সৌন্দৰ্য্যৰ নিমিত্তে আৱশ্যক মতে ব্যৱহাৰ কৰে। এই চন্দ্ৰ-সূৰ্য্যক এইদৰে এক নিয়মে চলাওঁতা আৰু আদেশ কৰোঁতা এজন কৰবাত আছে, নহলে এওঁলোকৰ এই শক্তি ক'ৰ পৰা আহি আছে? ইত্যাদি ভাবে যেতিয়া কৰ্ম্মকাণ্ডত দ্বিধা লগালে, তেতিয়া সেই শক্তিৰ আঁতি-গুৰি বিচাৰি "একমেবাদ্বিতীয়ং" এই বিশ্ব-ব্ৰহ্মাণ্ডৰ মহাশক্তি এক বিৰাট-পুৰুষ বিচাৰি পালে—এৱেঁই সমস্ত বিশ্বব্ৰহ্মাণ্ডৰ ভিতৰত বিয়াপি থাকি সূৰ্য্য, চন্দ্ৰ আদিত শক্তি বিতৰণ কৰি চলাইছে। এৱেঁই ব্ৰহ্ম। এই ব্ৰহ্ম নিৰ্গুণ, গুণমন্ত পদাৰ্থই তেওঁৰ শক্তি কেৱল প্ৰকটন কৰিছে; তেওঁ অনাদি আৰু অনন্ত—আদি আৰু অন্ত থকা পদাৰ্থ তেওঁৰ অংশস্বৰূপ প্ৰকাশ মাত্ৰ, আৰু তেওঁ নিত্য-নিৰ্ব্বিকাৰ। এনে ব্ৰহ্মক জানিব পাৰিলেই জীৱই মুক্তি পায়। আৰু ব্ৰহ্মক জনাই জীৱৰ চৰম উন্নতি। বেদান্তৰো মুখ্য উদ্দেশ্য, ঈশ্বৰ নিৰূপণ, নিৰ্গুণ ব্ৰহ্মত স্থিতি আৰু মোক্ষ লাভ।

এই নিৰ্গুণ ব্ৰহ্ম মনুষ্যৰ ইন্দ্ৰিয়াতীত—চৰ্ম্মেন্দ্ৰিয়েৰে ধৰিব নোৱাৰি। পূৰ্ব্বকালত যোগ, ধ্যান, আৰু সমাধি দ্বাৰাই মুনি-ঋষিসকলে এই ব্ৰহ্মক উপলব্ধি কৰিব পাৰিছিল। এই ধ্যান-সমাধি বৰ দুষ্কৰ কাৰ্য্য, আৰু যদিও সত্য-ত্ৰেতা-দ্বাপৰ কালত ঋষিসকলে আয়ত্ত কৰিব পাৰিছিল, সকলো শ্ৰেণীৰ পক্ষে ই সহজ আৰু সুগম পথ নাছিল। কলিকালত অল্পায়ু আৰু ক্ষণভঙ্গুৰ মনুষ্যৰ পক্ষে ই সম্পূৰ্ণ অসম্ভৱ। পণ্ডিতে নিৰ্গুণ ব্ৰহ্মক উপলব্ধি কৰিবলৈ কলিকালত সহজ বাটৰ আৱশ্যক হল, নহলে ধৰ্ম্ম লুপ্ত হব আৰু ধৰ্ম্মৰ নাম লৈ মানুহে অনেক অধৰ্ম্মৰ কামত লিপ্ত হব। এইবাবে নিৰ্গুণ ব্ৰহ্মৰ পথ সহজ কৰিবলৈ নিৰ্গুণ ব্ৰহ্মই সগুণ আকাৰ ধাৰণ কৰি পূৰ্ণ ব্ৰহ্মস্বৰূপ শ্ৰীকৃষ্ণৰূপে অৱতাৰ ধৰিলে। আৰু তেওঁৰ প্ৰিয়শিষ্য অৰ্জ্জুনক উপদেশ বাক্য কোৱাৰ ছলেৰে ব্ৰহ্ম-ব্যাখ্যা কৰি কলিকালৰ মনুষ্যৰ পক্ষে বেদান্ত-উপনিষদৰ ঈশ্বৰোন্মুখী কাৰ্য্যবিলাক আচৰিবলৈ আৰু ব্ৰহ্মক জানিব পাৰিবলৈ সহজ আৰু বোধগম্য কৰি দিলে; এয়ে শ্ৰীমদ্‌-ভাগৱত, আৰু শ্ৰীমদ্ভগৱদ্‌গীতা।

উপনিষদৰ ব্ৰহ্মতত্ত্ব নিৰূপণ অতি দুৰুহ। এই ব্ৰহ্মতত্ত্ব নিৰূপণৰ ব্যাখ্যা পাছলৈ নানা ঋষিৰ নানা মত হল। আৰু নানা প্ৰকাৰ দাৰ্শনিক শাস্ত্ৰই নানা প্ৰকাৰ ব্যাখ্যা দিলে, আৰু আছল ব্ৰহ্মতত্ত্বৰ পৰা আঁতৰি গৈ কোনোৰ মতে ঈশ্বৰৰ অস্তিত্ব পৰ্য্যন্ত নাইকিয়া হল। জীৱই ব্ৰহ্মক জানি মোক্ষ লাভ পোৱাৰ কথা দূৰৈত থাকিল, ঈশ্বৰৰ অস্তিত্ব-নাস্তিত্ব বিষয়েই যেতিয়া নানা তৰ্ক-বিতৰ্ক উপস্থিত হল, তেতিয়া ব্ৰহ্মজ্ঞান ৰক্ষাৰ হেতু ভগৱানে নিজে বেদান্তৰ ধৰ্ম্মৰ উদাহৰণ স্বৰূপে পৃথিৱীত অৱতাৰ ধৰি সকলো গূঢ় তৰ্ক-বিতৰ্কৰ ওৰ পেলালে। সেইহে মহাপুৰুষ মাধৱদেৱে লেখিছে,—

"তৰ্কশাস্ত্ৰ মহাব্যাঘ্ৰী, তাহান নিপুণ পতি,
তাৰ শিষ্য পুত্ৰ ভৈল প্ৰায়।
সংসাৰ বনত পশি, পতি পুত্ৰে সমন্বিতে,
উপনিষদ ধেনুধৰি খায়॥"

এই তৰ্ক-বিতৰ্কই উপনিষদৰ ৰহস্য যেতিয়া লুপ্তপ্ৰায় কৰিলে তেতিয়া ব্ৰহ্মই শ্ৰীকৃষ্ণ অৱতাৰ ধৰি ভাগৱতত বেদান্তৰ ধৰ্ম্ম প্ৰমাণ কৰিলে,

"সৰ্ব্বশ্ৰুতি শিৰোৰত্ন, ভাগৱত বন মাজে,
হৰি নাম সিংহ প্ৰকাশয়।
তাৰ মহাধ্বনি শুনি, নিজ পৰিবাৰ সমে,
তৰ্ক ব্যাঘ্ৰী পলায় হুয়া ভয়॥"

এই হৰিনাম সিংহ শ্ৰীকৃষ্ণ চৈতন্যস্বৰূপ। শ্ৰীকৃষ্ণই



সকলো ধৰ্ম্ম-কৰ্ম্মৰ গৰাকী। শ্ৰীকৃষ্ণত আত্মসমৰ্পণ কৰি "ৰাত্ৰি দিনে মোক সুমৰন্তে॥ সবে কৰ্ম্মবন্ধ হৈব হীন। অন্তকালে মোত যাইবা লীন॥" এই ধৰ্ম্ম প্ৰকাশ কৰিলে।

বহুত দিনৰ পাছত এই ভাগৱতৰ ধৰ্ম্ম শঙ্কৰদেৱে মহাপুৰুষে আসামত প্ৰচাৰ কৰিছিল। তেতিয়াও ধৰ্ম্মবিপ্লৱ ঘটি অসমীয়া মানুহৰ মাজত অধৰ্ম্মৰ কৰ্ম্ম চলিছিল। ভাগৱত, গীতা আৰু বহুত অমূল্য বৈষ্ণৱ শাস্ত্ৰ অসমীয়া ভাষালৈ তুলি অসমীয়া মানুহক ধৰ্ম্ম দিছিল, আৰু সেই ধৰ্ম্ম প্ৰচাৰিত হবলৈ মহাপুৰুষে নামকীৰ্ত্তন, বৰগীত আৰু নানা প্ৰকাৰ টোটয় ছপয় আদি ৰচনা কৰি নাট, নাটক আদি লিখি আৰু ভাৱনা পাতি বৈষ্ণৱ ধৰ্ম্মৰ প্ৰবল সোঁত বলাই দিছিল। সেই সময়তে অসমীয়া মানুহৰ জাতীয় জাগৰণ, আৰু অসমীয়া ভাষাৰ প্ৰথম উদ্দীপন আৰম্ভ হয়। এতিয়া সেই জাতীয় জাগৰণো লুপ্ত হল, সেই উদ্দীপনও চেঁচা পৰিল। ধৰ্ম্মৰ নামত কেৱল বাহ্যিক কৰ্ম্মবিলাক অৰ্থাৎ নামগোৱা, সৰাহপত্তা, ভাৱনা কৰা ইত্যাদি আজি অসমীয়াৰ মাজত উপকৰা ভাবে আছে। কিন্তু ধৰ্ম্ম ভাব, ঈশ্বৰ উপাসনা বা বৈদিক তত্ত্ব আলোচনা একেবাৰে নাইকিয়া হল। আমাৰ সকলো ধৰ্ম্ম কৰ্ম্ম আমাৰ আজি দেশৰ আচাৰমতে খোৱা-লোৱাতে ৰল।

চাৰি শ বছৰৰ আগেয়ে হাত চাপৰি বজাই কৰা নাম-কীৰ্ত্তনে আজি মানুহৰ মনত তেনে আদৰ নাপাব পাৰে আৰু এইদৰে নাম-কীৰ্ত্তন কৰিলে মানুহৰ কোনো ধৰ্ম্মশিক্ষা বা মানুহৰ মন বা প্ৰবৃত্তি ঈশ্বৰোন্মুখী নহয়, এই কথাও সঁচা হব পাৰে। কিন্তু আমাৰ মাজত আন কিবা ধৰ্ম্ম শিক্ষা বা ধৰ্ম্মালোচনা আছে নে? সঁচা-সঁচি ধৰ্ম্মৰ নামেৰে আমি কিবা কৰিবলৈ আজি স্থল আছে নে? আমাৰ সমাজত ধৰ্ম্মৰ নামত এই খোৱা-লোৱাত বাচ-বিচাৰ কৰি চলাৰ বাদে আমাৰ আৰু কিবা ধৰ্ম্ম আছে নে? আৰু এই খোৱা-লোৱাৰ ধৰ্ম্মই ভৱিষ্যতত ধৰ্ম্মৰ বা নৈতিক শিক্ষাৰ বাস্তৱিকতে কিবা উন্নতি কৰিব নে?

আমি তিথি-বাৰ-নক্ষত্ৰ চাই ফুৰা-চকা কৰো, বাচবিচাৰ কৰি বস্ত্ৰ খাওঁ, জাত-কুল বাখি খোৱা-লোৱা কৰো, শাস্ত্ৰৰ বচন মুখত লৈ বিয়া-বাৰু কৰি সংসাৰ নিৰ্ব্বাহ কৰো; আৰু অজাতিৰ মানুহক বা অন্য ধৰ্ম্মাৱলম্বীক নোছোওঁ, ছুলেও গা ধুই পেলাওঁ, বা 'হেণ্ড-ছেক্' কৰিলে হাতকে তেতিয়াই ধুই পেলাওঁ। এয়ে আমাৰ ধৰ্ম্ম, এয়ে আমাৰ কৰ্ম্ম! আৰু এয়ে আমাৰ বৈদিক সনাতন পবিত্ৰ আদ্য ধৰ্ম্ম। এই কামৰ ওপৰতে আমি সদাই পবিত্ৰ আৰু ধৰ্ম্মপৰায়ণ আৰু পৃথিৱীৰ সকলো মানুহতকৈ শ্ৰেষ্ঠ। আৰু এইবিলাক কাৰ্য্যৰ ওপৰতে আমাৰ নীতি, ধৰ্ম্ম, স্বভাৱ, চৰিত্ৰ, বল আৰু মানসিক শিক্ষা নিৰ্ভৰ কৰিছে, আৰু এই কামৰ ওপৰতে আমাৰ সমাজ তিষ্ঠিছে আৰু ইয়াৰ তাৰতম্য হলেহে আমাৰ আচাৰ নীতি আৰু ধৰ্ম্ম নষ্ট হয়! এই ভাৱতে আমি সদাই চলি সংসাৰ কৰি থাকিলে আমাৰ নৈতিক শিক্ষা বা ধৰ্ম্ম-শিক্ষাৰ শেষফল কি হৈছে আৰু আগলৈ কি হব তাক বিবেচনা কৰি চোৱা উচিত। আমাৰ সমাজৰ গুৰিয়াল গোঁসাই-মহন্ত আমাৰ জীৱ-তৰণৰ "গুৰু" ধৰ্ম্মাচাৰ্য্যসকলৰ শিক্ষাও এই জাত-কুল কেনেকৈ ৰক্ষা পৰিব, এজাতিৰ ওপৰত আন জাতিৰ কেনেকৈ প্ৰভুত্ব ৰব তাৰেহে ব্যৱস্থা, ধৰ্ম্ম শিক্ষা বা নীতি-শিক্ষা বা ঈশ্বৰ আলোচনাৰ আয়োজনৰ সমূলি চেষ্টা নাই। এই অৱস্থা কিন্তু অতি দুখ লগা আৰু আমাৰ ভৱিষ্যত দুৰ্ঘোৰ অধঃপতনৰ মুখাপেক্ষী।

নাম-কীৰ্ত্তনত যদি আমাৰ আগৰ মানুহৰ দৰে সোৱাদ নাইকিয়া হল তেনে তাৰ পৰিবৰ্ত্তে কোনো এক প্ৰণালীৰে ঈশ্বৰ উপাসনা আৰু তাৰ লগতে ধৰ্ম্মৰ আলোচনা আমাৰ সমাজত চলিব লাগে, আৰু সকলো মানুহৰ ভিতৰত বাধ্যতামূলক কৰি চলাব লাগে। গীতা-ভাগৱতৰ সাৰ তত্ত্ব মহাপুৰুষ মাধৱদেৱৰ "নাম-ঘোষা" প্ৰত্যেক নাম-ঘৰত আৰু সকলো সমাজৰ ভিতৰত পাঠ আৰু ব্যাখ্যা চলিলে ধৰ্ম্মৰ আলোচনা যথেষ্ট হব বুলি আশা কৰা যায়, আৰু তাৰ লগতে মহাপুৰুষসকলৰ আন আন ধৰ্ম্মৰ পুথিৰ আলোচনাও চলিব লাগে। ঈশ্বৰ উপাসনাৰ সম্পৰ্কেও মহাপুৰুষ মাধৱদেৱৰ "নাম-ঘোষাত" বহুত দ ভাৱৰ আৰু হৃদয়ত ভক্তি আৰু ঈশ্বৰ-চিন্তাৰ ফালে তাৰ অমোৱা

পাঠ আছে, যিবিলাক গীতৰ সুৰেৰে অকলৈ বা বহুত মানুহ গোট খাই মনৰ আবেগেৰে পাঠ কৰিব পাৰি আৰু আমাৰ নিত্য-নৈমিত্তিক কৰ্ম্ম বুলি ধৰি সদাই অভ্যাস কৰিলে মনৰ উন্নতি যে হব তাৰ কোনো সন্দেহ নাই।

ধৰ্ম্ম মানে আমাৰ ঈশ্বৰৰ লগত সম্পৰ্ক—ঈশ্বৰে আমাক ধাৰণ কৰি আছে কাৰণে ধৰ্ম্ম আছে। যাৰ ঈশ্বৰত বিশ্বাস নাই, তেওঁৰ ধৰ্ম্ম নাই। গতিকে যি মানুহে ধৰ্ম্মত আছো বুলি ভাবে তেওঁ ঈশ্বৰ-চিন্তা বা ঈশ্বৰ-উপাসনা বা ঈশ্বৰত ভক্তি নকৰিলে, তেওঁ ধৰ্ম্মত থকা কথা ভুল। কেৱল জাতি-কুল ৰাখি খোৱা-লোৱা কৰিলে ধৰ্ম্ম ৰক্ষা নাপায়। আৰু খোৱা-লোৱাতে ধৰ্ম্ম-কৰ্ম্ম সকলো ৰাখিলে, ধৰ্ম্মক বা ঈশ্বৰক [illegible]না দিয়া হব মাত্ৰ।

হিন্দু-সমাজৰ শিক্ষিতসকলে এই বিষয়ে অলপ ভাবি চালে ভাল। এই ধৰ্ম্ম, বা ঈশ্বৰলৈ ভয় বা ভক্তি নথকাৰ কাৰণেই আমাৰ সমাজত নানা প্ৰকাৰ দোষ সোমাব পাৰিছে। ভোৰ তাল কোবাই নাম গাই, ফোট-লগুণ লৈ সন্ধ্যা-গায়ত্ৰী আওৰাই, কথাই কথাই "ৰাম" "ৰাম" বুলি, মিছা কথা কবলৈ, লোকক হিংসা কৰিবলৈ, হলফ লৈ আদালতত মিছা সাক্ষী দিবলৈ, কোঁচখোৱা মানুহ বিৰল। আমাৰ ভিতৰত পৰস্পৰ সহানুভূতি নাই, ক্ষমা নাই, কিন্তু নিতান্ত ভীৰুতা আদি অনেক মানসিক বিকৃতি জন্মিছে। মুঠতে আমাৰ জাতীয় বল হীন হৈছে। আমাৰ মনৰ বাজহাড় নাই যেতিয়াই যেইফালে অলপ প্ৰবল বতাহ বয় সেইফালেই আমি ঢাল খাওঁ—মনৰ স্থিৰতা বা দৃঢ়তা আমাৰ সমূলঞ্চে নাই।

শিক্ষা পোৱা উদাৰ ভাবৰ জনচেৰেক ঈশ্বৰ-পৰায়ণ মানুহে প্ৰত্যেক ঠাইত এই প্ৰকাৰৰ আলোচনা কৰিবলৈ একোটি অনুষ্ঠান স্থাপন কৰি কাৰ্য্য আৰম্ভ কৰিলে ভাল। মহাপুৰুষসকলে কৰি থৈ যোৱা অনুষ্ঠানৰ ভিতৰতে থাকি অলপ [illegible]-দলানি কৰি আধুনিক আহিৰে নাম-কীৰ্ত্তন বা ঈশ্বৰোপাসনাৰ নতুন এটি প্ৰণালী কৰি অভ্যাস কৰিলে মোৰ মনেৰে, মহাপুৰুষসকলে অশেষ গৱেষণাৰে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্ম্মৰ সোঁত পুনঃ ববলৈ ধৰিব। আৰু আমাৰো জাতীয় কল্যাণ হব।

শ্ৰীদেৱেশ্বৰ চলিহা

---

## জীৱন-পূৰ্ণিমা

জীৱনত এটি চুমা তাকো আধা খোৱা
সেয়ে মোৰ অমিয়া মাধুৰি,
এটি বাৰ দেখা পোৱা সেই মুখ খনি
সেয়ে মোৰ জীৱন লগৰী।
আল-ফুল কই ধৰা এটি বাৰ গই
হাত খনি বুকুত সুমাই;
সেয়ে মোৰ আদৰৰ বুকু ভৰা ধন
তাতে মোৰ পৰাণ জুৰায়।
নাহোঁ আহোঁ কৈ অহা কাষলই চাপি
এটি বাৰ মাথোঁ জীৱনত;
সেয়ে মোৰ জীৱনৰ যমুনা-সঙ্গম
জাহ্নবীৰে পুইন ক্ষেত্ৰত।

কওঁনে নকওঁ কই কলে কথাষাৰি
ওঠ হালি যিদৰে কপাই;
সেয়ে হিয়া গোকুলত মোহন সুৰেৰে
চিৰকাল বাঁহীটি বজায়।
খোজত লহৰী তুলি ৰূপ সমুদ্ৰৰ
খোজ কঢ়া এবাৰ দেখিলোঁ,
তাতে মোৰ জীৱনৰ হিয়া বন খনি
বাৰে বাৰে উটালোঁ বুৰালোঁ।
প্ৰিয়াৰ খোপাটি যেন পুষ্প পাৰিজাত
শত শত সৌৰভেৰে ভৰা;
সেই দেৱ পাৰিজাত এবাৰ সুঙিলোঁ
তাতে মই আপোন-পাহৰা।



প্ৰিয়াৰ দাঁতৰ শাৰী মুকুতাৰ মণি
জ্বলিছিল হাঁহি বিজুলিত;
সেয়ে মোৰ জীৱনৰ অমানিশা বাট
উজ্জলালে তিৰ-বিৰণিত।

আকাশত ক'লামেঘে বতাহত উৰি
আকাশক চুমা-চুমি কৰে;
"সোণটিৰ" কপালতো অলকা বাজিয়ে
উৰি উৰি কিনো শোভা ধৰে!

সেই শোভা স্বৰগৰ প্ৰিয়া কপালৰ
জীৱনত এবাৰ দেখিলোঁ;
সেয়ে মোক বান্ধি থলে প্ৰিয়াৰ ৰূপত
চিৰকাল তাতে বন্ধা ৰলোঁ।
লাজুকী প্ৰিয়াই মোৰ আঙুলি কামুৰি
তলমুৰা যেতিয়া কৰিলে;
প্ৰকৃতিৰ যত ৰূপ স্বৰ্গীয় আভাই
আহি যেন আবৰি ধৰিলে।
সেই ৰূপ সেই আভা প্ৰিয়াৰ ভঙিমা
বিজুলিৰ চমকত দেখা;
সেয়ে মোৰ জীৱনৰ— পূৰ্ণিমাৰ নিশা
তাতে বহি কৰো ভাগ্য লেখা।

শ্ৰীলম্বোদৰ কলিতা

---

## গীত আৰু স্বৰলিপি

( চক্ৰধ্বজসিংহ নাটৰপৰা )

কথা—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা সুৰ—শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা স্বৰলিপি—শ্ৰীৰত্নেশ্বৰ বৰদলৈ বি-এছ-ছি

সোণবৰণীয়া কেতেকী ধুনীয়া,
গোন্ধতে আমোল-মোল,
পদুম বুলি পৰি বন্দী হল ভোমোৰা,
কি ভুল! কি ভুল! ভুল!

কণা কৈলে বেণু, কেনেকৈ উৰিবি,
কাঁইটে বিন্ধিলে পাখি।
সুখ-সৰোবৰ পাৰি দি যাওঁতে
মাজতে বুৰালি নাও!
( হেৰ ভোমোৰা ) মাজতে বুৰালি নাও!

অসমীয়া সুৰ

|| ধা পা মা পা মা ৰা | ৰা মা পা মা পা । ধা | মা পা ধা ম পা ধা ণা । ধা |
|| সোণ ব ৰ ণী ি য়া | কে তে কী ধু নী ি য়া | গো ন্ধ তে আ মো ল মো ো ল |

মা ধা ধা পা ধা ণা র্সা ণা ধা পা ধা পা মা পা মা ৰা | ৰা মা পা ধা ণা
প দুম বু লি প অ ৰি ি ি ব ন্দী হল ভো মো ো ৰা | কি ভুল কি ভু

ধা পা মা মা ||
ল ভু ল ||

ধা র্সা র্সা র্সা র্সা র্সা | ধা র্সা র্সা র্সা ৰ্ৰা র্গা র্মা র্গা র্সা ৰ্ৰা র্সা
ক ণা কৈ লে বে ণু | কে নে কৈ উ ৰি ৰি ি ি কা ই টে

ণা ধা মা পা ধা ণা ধা ধা
বি জি লে ে ে ে পা ৱ

র্সা র্সা র্সা ধা ণা ধা | পা ধা পা মা পা ৰা | ৰা মা পা মা পা ধা ণা ধা পা
সু খ স ৰো ব ৰ | পা ৰি দি যা ও তে | মা ঞ্জ তে বু ৰা লি ি ি ি

মা | ধা । । পা মা পা মা ৰা | ৰা মা পা মা পা ধা পা মা
মাও | হে ে ে ৰ ভো মো ে৷ ৰা | মা ঞ্জ তে বু ৰা লি না ও

( অপ্ৰকাশিত শোণিত-কুঁৱৰী নাটৰ [illegible] )

কথা আৰু সুৰ—শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা স্বৰলিপি—শ্ৰীৰত্নেশ্বৰ বৰদলৈ বি-এছ-ছি,

(কোনে) গছে গছে পাতি দিলে ফুলৰে শৰাই। গোলাপী সখিক এনে হাঁহি দিলে
(ৰাম ৰাম) ৰূপতে ৰাঙে চৰাই।
বলিয়া ভোমোৰা গুঞ্জৰি আহে গোন্ধতে-খিয়াই ওৰণি তলতে পৰিমল ৰেণু
(ৰাম ৰাম) উকৰাই পৱনে দিলে বিলাই।

নামৰ সুৰ

পা ধা পধা পগা | পা ধা পধা পা | না না ধনা ধপা গা পধা পা ধা ননা
গ ছে গ ছে | পা তি দি লে | ফু ল বে শ ৰা ই ৰা ম ৰাম

পধা না পধা পধনা নানা | ৰগা ৰা গা ধা পা । গ । ৰগা ৰা গা ধা পা
ফু ল বে শ ৰাই | ফু ল বে শ ৰা ই ই ফু ল বে শ ৰাই

পা পধা পাধপগা পধা পা | ননা না ধনা । পধা ধপা পা | না না ধনা ধপা গা
বলি য়া ভো...... মো ৰা | গু ঞ্জ ৰি ॰ ই আ হে | গো ন্ধ তে খিই য়া

পধা পধনা ননা | ৰগা ৰা গা ধা পৰা । | ৰগা ৰা গা ধা পা । ৰগা
ইই ৰাম ৰাম | গো ন্ধ তে খি য়া ই | গোন্ধ - তে খি য়া ই গোন্ধ

ৰগা ধা পা পা
তে খি য়া ই



ৰগা ৰগা পা পা ধা ননা না না | র্সা র্সা না ধনা পধা
গোলা পী স খিক এ নেহা হি দিলে | ৰূ প তে ৰাঙে চ

পধা না | ৰ্ৰ র্গা র্সৰ্ৰা র্সা ধনা ধা পগ গগা | পধা না পধা পগা
অ ৰাই | ওৰা নি ত লতে পৰি ম ল ৰেণু | উক ৰাই পৱ নে

ৰা গৰা গধ পা । ৰা ৰা গৰা গধ পা ।
দি লে বিই লা ই ই দি লে বিই লা ই

---

# দীন-দুখী

বা

লে মিজাৰেবল্

১১শ অধ্যায়

ভেলজঁই ঠাই ডোখৰ বিচাৰি ভালেই উলিয়াইছিল। সেই ফালেদি মানুহ-দুনুহৰ আহ-যাহ নাই বুলিলেও হয়। ঘৰভাৰা লবৰ সময়ত ভেলজঁই নিজকে এজন স্পেইন-ফৰাচী সন্ধিত সৰ্ব্বস্বান্ত হোৱা চৰ্কাৰৰ পেনছন ভোগী মানুহ বুলি চিনাকী দিছিল, আৰু কজেটক জীয়েক বুলি কৈছিল। ঘৰৰ ভিতৰত মানুহ ভেলজঁ, কজেট আৰু এজনী বুঢ়ী লিগিৰী।

ঘৰটোলৈ আহি কজেটক পঢ়োৱা আৰু কজেটে ধেমালি কৰা চাই থকাই ভেলজঁৰ একমাত্ৰ কাম হৈ উঠিল। কজেটে ভেলজঁক "পিতা" বুলি মাতে। "পিতা"ৰ বাহিৰে ভেলজঁৰ আৰু কিবা নাম আছিল নে নাই তাই নেজানিছিল। ঘণ্টাৰ পাছত ঘণ্টা পাৰ হৈ যায়—ভেলজঁই একেথৰে একাষত বহি কজেটে ওমলা চাই থাকে, তাইৰ কেৰ্‌কেৰ্‌নি, তাইৰ উত্তৰ দিব নোৱাৰা জটিল জটিল প্ৰশ্ন শুনি আপোন-পাহৰা হৈ যায়। কজেটক পাবৰে পৰা ভেলজঁৰ মনত সংসাৰৰ প্ৰতি কিবা এটা মায়া জন্মিল। কজেটে তেওঁৰ দুৰ ভৱিষ্যতখন পোহৰাই দিয়া যেন পালে।

ভেলজঁই দিনত ঘৰৰ বাহিৰ নহবলৈ বৰ সতৰ্ক আছিল। সন্ধিয়া লাগি ভাগিলে কজেটক হাতত ধৰি মানুহৰ আলেঙে আলেঙে অলপ পৰলৈ বাহিৰলৈ ওলায়। তেতিয়াও ভেলজঁৰ গাত বৰাগীৰ বেশ। সময়ত বাটত লগ পাই কোনো কোনো মৰমিয়াল তিৰুতাই বেথা লাগি দিয়া ভিক্ষাও বৰাগী ভেলজঁই লব লগাত পৰিছিল। নিজেও সময়ত মানুহে নেদেখা ঠাইত বাটৰ কাষৰ দুই চাৰি মগনিয়াৰক ভিক্ষা দি আহে। যদিও বৰাগীৰ ভিক্ষা প্ৰায়ে মানুহৰ চকুত-নপৰাকৈয়ে হৈ আহে, তথাপি কথাটো ইকাণ সিকাণ বাগৰি বহুতো কাণত পৰিল। শেহত তেওঁৰ নাম হৈ উঠিল দানী-ভিখাৰী।

এইদৰে সুখ-আনন্দত ভেলজঁই কিছুমান দিন কটোৱাৰ পাছত তেওঁৰ চলন-ফিৰণে বিশেষকৈ দান-ভিক্ষাৰ কথাটোৱে মানুহৰ মনত অলপ সন্দেহৰ চিটিকণি দিলে। ঘৰৰ মালিক আছিল এজনী বুঢ়ী। বুঢ়ীৰ মনত হে উচ্‌পিচ্‌নি বেছি হৈ উঠিল। তাই লুকাই-চুৰকৈ ভেলজঁৰ গতি-বিধিৰ ওপৰত চকু দিবলৈ ধৰিলে। এদিন তাই বেৰৰ বিন্ধাই দি জুমি চাওঁতে দেখা পালে

মানুহটোৱে বেজী, সূতা আৰু কেচি এখন লৈ তাৰ হলো চোলাটোৰ তলিয়ৰি কাপোৰখন কাটি তাৰপৰা এখন হালধীয়া ৰঙৰ কাগজ উলিয়াই, চোলাটো আকৌ শিবলৈ ধৰিছে। কাগজখন দেখি তাইৰ পেটতে হাত ভৰি লুকাল। তাই হেজাৰ ফ্ৰাঁৰ নোট জীৱনত বৰ বেছি দেখিছিল যদি সেইখনেৰে সৈতে দুখন বা তিনি খন। তুই জুইত লাগনি থৰি দি বুঢ়ায়ে কুঁৰাই দিলে। ওচৰ-চুবুৰীয়াৰ এই হেজাৰ টকীয়া নোটখন পুৰা গধূলিৰ মূহদি হৈ পৰিল। বুঢ়ী তাতেই ক্ষান্ত নহল। কেদিন মান পাছতে চেগ্ চাই মনে মনে ভেলজঁৰ কোঠা সোমাই তেওঁৰ সেই হলো চোলাটোত হাত দিলেহি। চোলাটোৰ তলিয়ৰিখন ভালকৈ শিয়া আছিল। তাই হাবেঁৰে পিতিকি পিতিকি চালে। হাতত তাই গম পালে চোলাটো নোটেৰেই ভৰা। তাৰ উপৰি ৰংবেৰঙৰ দাড়ি-চুলি, কেচি, কটাৰি, ইত্যাদি অনেক বস্তু। মানুহজনী ভয়ে ভয়ে কোঠাৰ বাহিৰ হল। চোলাটোত সকলো আছিল। তাৰ প্ৰত্যেক জেপেই অভাৱনীয় বিপদৰপৰা সাৰিবলৈ বিধে বিধে আহিলা-পাতি লৈ সতৰ্ক হৈ আছে।

এইদৰে সন্দেহৰ মাজতেই ভেলজঁই সেই ঘৰতেই আৰৰ দিন কেটাৰ সৰহ ভাগেই কটালে। আৰ শেষ হবলৈ মাথোন কেদিন মান বাকী। ঠিক এনে সময়তে ওচৰৰ আধা-পোতা নাদ-এটাৰ কাষত এটা মগনিয়াৰে আহি দিনৌ পুৰা-গধূলি বহিবলৈ ললেহি। মানুহে এই মগনিয়াৰটোক পুলিছৰ মানুহ বুলি সন্দেহ কৰিছিল। ভেলজঁই সন্ধিয়া ফুৰিবলৈ ওলালে এই মগনিয়াৰটোক প্ৰায়ে ২।৪ ছু পেলাই দি যায়। এদিনা সন্ধিয়া হোৱাৰ অলপ আগতে ভেলজঁ ফুৰিবলৈ ওলাল। মগনিয়াৰ আগৰ ঠাইতে বহি আছিল। ভেলজঁই কাষ চাপি মগনিয়াৰটোৰ হাতত ছু এটা দিব খুজিছে এনেতে মগনিয়াৰটোৱে মূৰ দাঙি বৰ তীব্ৰদৃষ্টিৰে ভেলজঁৰ ফালে চাই আকৌ মূৰ নমাই নিলে। মগনিয়াৰটোৰ মূৰ দঙা আৰু মূৰ নমোৱাটো এটা বিজুলীৰ তিৰবিৰণি মাথোন। তথাপি ই ভেলজঁৰ মনত এক নাভূত-নাশ্ৰুত ভয় সুমুৱাই দি গল। ভেলজঁই চকা-মকা পোহৰত যেন মালা গঁঠা মগনিয়াৰটোৰ মুখৰ পৰিবৰ্ত্তে কাৰবাৰ চিনা মুখ এখন দেখিলে। তেওঁৰ অন্তৰাত্মা কঁপি উঠিল— কিজানি পুলিছ ইনস্পেক্টৰ জাভেয়াৰ! তেওঁ বিষণ্ণমনেৰে ঘৰলৈ উভটি আহি ভাবিবলৈ ধৰিলে। ভাবি একো ঠিক কৰিব নোৱাৰি পাছদিনা গধূলি আকৌ মগনিয়াৰটোৰ কাষ চাপিল। আগৰ দৰেই তাক দান দিয়াৰ ছলেৰে সাদৰ-সম্ভাষণ কৰি কথা-বতৰা পাতি ভালকৈ চাই-চিতি উভটি আহোঁতে হাঁহি হাঁহি নিজক নিজে কৈ আহিল "মই ইয়াক জাভেয়াৰ বুলি ভাবিবলৈ কিহে পাইছিল কব নোৱাৰো: বুঢ়া হৈ অহাৰ লগে লগে পৰ্কিতি লৰ হৈ আহিছে হবলা।"

এই ঘটনাৰ কেদিন মানৰ পাছতে এদিনা সন্ধিয়া ভগাৰ পাছত ভেলজঁই তেওঁৰ ঘৰৰ বাহিৰত কিছুমান মানুহৰ ভৰিৰ খোজ শুনিবলৈ পালে। তেওঁৰ মনত বৰ সন্দেহ হল। ৰাতি কোনো ৰকমে কটাই পাছ দিনা পুনৰাও সেই একে ৰকমৰে শব্দ শুনি তেওঁৰ সন্দেহ বেছিহে পৰিল। দুৱাৰ নেমেলাকৈয়ে দুৱাৰৰ ফাঁকেদি চাই পঠিয়াই তেওঁ ভয়ত কঁপি উঠিল। ভেলজঁই দেখিলে এটা ঠিক জাভেয়াৰৰ দেখ'য়া মানুহে তেওঁৰ ঘৰৰপৰা ওলাই বাটে বাটে যাব লাগিছে। জাভেয়াৰক চিনি পাবলৈ ভেলজঁৰ একো টান নেলাগে। ভেলজঁৰ বুজিবলৈ বাকী নেথাকিল যে জাভেয়াৰে বিচাৰি বিচাৰি আকৌ লগ ধৰিছেহি। দিনৰ দিনটো তেওঁ কাকো একো নোকোৱাকৈ নিজৰ বয়-বস্তুখিনি ঠিক-ঠাক কৰি ৰাতিৰ এন্ধাৰ পৰা মাত্ৰকে কজেটক হাতত ধৰি লৈ চোৰৰ দৰে ঘৰৰ বাহিৰ হৈ পৰিল।

বহুত পৰ বাটে বাটে ঘূৰি ভেলজঁ শেহত আহি এটা বাটৰ মূৰ ওলালেহি। বাটটো সেই খিনিতে এখন প্ৰকাণ্ড দেৱালেৰে বন্ধ। এনেতে ভেলজঁই দূৰত কোনোবা কিছুমান তেওঁৰ পাছে পাছে অহা যেন পালে। উপায়ান্তৰ নেদেখিলে; ভেলজঁই সিমানতো হতাশ নহৈ দেৱাল বগাবৰ উপায় উলিয়ালে। জেপৰপৰা হাতুৰি উলিয়াই, দেৱালৰ ইটা থহাই দেৱালখন এটা জখলাৰ



দিচিনা কৰি পেলালে। শেহত কজেটৰ ককালত এদাল জৰী লগাই ভেলজঁ দেৱাল বগাবলৈ ওলাল। ভেলজঁৰ কাৰ্য্য-কলাপ দেখি কজেট বৰ আচৰিত হৈ পৰিছিল। তাই সুধিলে "পিতা! মোৰ ভয় লাগিছে।" ভেলজঁই কলে "তুমি মনে মনে থাকা।" এনেতে পাছত অহা কিছুমান মানুহৰ ভৰিৰ খোজ বেছি স্পষ্ট হৈ পৰিল। কজেটে সুধিলে "কোন আহিছে, পিতা!" "মনে মনে থাকা, মাডাম্ টেনাডিয়েৰ। একো নকৰিবা, ভয়ো নেখাবা। তুমি কান্দিলে বা ফেকুঁৰিলে তাই আহি ধৰিবহি।" এই বুলি ভেলজঁই কজেটৰ ককালত বন্ধা জৰীডাল নিজৰ ককালত বান্ধিলৈ তাইক পিঠিত সাবট মাৰি ধৰিবলৈ লগাই দি দেৱালৰ ওপৰত উঠিল। নিমিষৰ ভিতৰতে দেৱাল পাৰ হৈ দেৱালৰ বাহিৰে থকা এখন প্ৰকাণ্ড বাগিচাৰ ভিতৰত নামি পৰিল। কজেটে মাডাম টেনাডিয়েৰৰ ভয়ত কাটিকুটাকে নকৰিলে।

বাগিচাৰ ভিতৰত নামিছে মাত্ৰ—ককালৰ জৰী যোকালোৱাই হোৱা নাই—এনেতে ভেলজঁই দেৱালৰ সিপাৰৰপৰা জাভেয়াৰক কোৱা শুনিলে "ইয়াতে আছে বিচাৰ, বিচাৰ।" ঘোঁৰাৰ ভৰিৰ গিৰিপনি আৰু তৰোৱালৰ জন্-জন্নিয়ে ভেলজঁৰ কাণত সেই মাত্ৰ কানেকানমাৰিয়ে সাৰি অহা বিপদৰ জাননী দিবলৈ ধৰিলে। ভেলজঁই কজেটক সাবটি ধৰি একেৰাহে শুনি থাকিল।

প্ৰায় ১৫ মিনিট মানৰ পাছত ছস্তৰী ছিপাহীহঁত উভটি গল। সিহঁত উভটি যোৱাৰ গম পাই ভেলজঁ অলপ স্থিৰ হল। ককাঁলৰ বান্ধ-ছাত মোকোলাই কেনি যাব কিঁ কৰিব ভাবিছে এনেতে আকৌ মানুহৰ মাত কাণত পৰিল। অলপ আগতে শুনা জাভেয়াৰৰ পালীপহৰিয়াৰ হাই উৰুমিৰ দৰেই এই মাতো সপ্তমতেই আহিছিল কিন্তু পালী-পহৰিয়াৰ ভৰিৰ গিৰিপনি আৰু তৰোৱালৰ জনজননিয়ে মৰণৰ বাতৰি কৈ যি দৰে বুকুত ঢপঢপনি তুলি দিছিল এই মাতে ভেলজঁ আৰু কজেটৰ মনত এইবাৰ তেনে কোনো ভয়ৰ ভাব দিব নোৱাৰিলে। নিশাৰ এন্ধাৰ আৰু নিজনতাৰ মাজেদি ভাহি অহা এই মাতে এই পকৰাই পোৱা পথিক দুটিক ভয়ৰ পৰিবৰ্ত্তে যেন আশ্বাস হে দিলেহি। তেওঁলোকে ৰ লাগি শুনিবলৈ ধৰিলে। প্ৰত্যেকটি শব্দ স্পষ্ট নৈপৰিল যদিও তেওঁলোকে অস্পষ্টতে স্পষ্টভাৱে বুজিপালে। কাষৰ এন্ধাৰৰ মাজৰপৰা এটি বন্দনা-গীত আহি তেওঁলোকৰ কাণত পৰিল। কোকিল-কাকলি জিনা কামিনীৰ কণ্ঠস্বৰ, বিপদৰ পাছত বিপদ-বাৰণৰ চৰণ ধিয়াই যোৱা বন্দনা-গীতৰ মধুৰ ৰাগিণী, নিশাৰ গহীনতা আৰু গায়িকাৰ মাতত বৈ যোৱা শিশুৰ সৰলতা আৰু সন্ন্যাসিনীৰ পবিত্ৰতাৰ পূৰ্ণ সমাবেশত ৰচিত হোৱা এনে মধুময় সঙ্গীতৰ মধুৰ মুৰ্চ্ছনাত শ্ৰোতা দুটি আপোনপাহৰা হৈ পৰিল। দুয়ো আঁঠুকাঢ়ি বহি গল। কি গীত, কোনে গাইছে, ক'ত গাইছে, কজেটে গম ধৰিব নোৱাৰিলে, ভেলজঁয়ো একো নেজানিলে। যেতিয়া বতাহত উৰি অহা সুৰৰ লহৰীয়ে প্ৰাণৰ বীণাত ঝঙ্কাৰ তুলি দিলে—মধুৰ মুৰ্চ্ছনাত দুয়োটিয়ে—বৃদ্ধ আৰু শিশু—সন্তাপী আৰু নিপাপীয়ে কব নোৱাৰাকৈয়ে আঁঠুকাঢ়ি বহি গল। যেতিয়া গানৰ শেষ হল, পৃথিবী আকৌ কাঁহ পৰি জিন গল, তেতিয়াহে এই বিজন বনৰ উপাসক দুজনৰ চেতনা আহিল। দুয়ো ঠিয় দিলে। কাণ পাতি শুনিলে—নিজম নিশা আকৌ নিজম। বাগিচাৰ ভিতৰতো শব্দ নাই—বাগিচাৰ বাহিৰৰ বাট-পদুলিতো শব্দ নাই। মৰণ-ভেৰীৰ ভৈৰৱ বোলো মাৰ গল—সান্ত্বনাৰ আশ্বাস দিয়া সুৰৰ লহৰীও বিলীন হৈ পৰিল।

ওপৰত ৰাতিৰ ফিৰফিৰীয়া বতাহ। তলত জেকা মাটি। ভেলজঁৰ মনত পৰিল কজেটে জাৰত দুখ পাইছে। ভেলজঁই তেওঁৰ চোলাটো সোলোকাই কজেটৰ গাত মেৰিয়াই দি ইফালে সিফালে চাই কজেটক 'অলপ ৰ'বা' বুলি কৈ তেওঁ থকা ঠাই বিচাৰি গল। কজেটে শিল এটাৰ ওপৰত তাইৰ অকণমানি হাতখনি মেলি দি তাতে মূৰটি থৈ শুই পৰিল। ভেলজঁই এটা পুৰণা ভগা ঘৰ পালেগৈ। ঘৰটোৰ খিৰিকি এখনেদি ভিতৰলৈ চাই পঠিয়াই ভেলজঁ ভয়ত কঁপি-জপি আহি একে ঢাপলিয়ে কজেটৰ কাষ ওলালহি। ঘৰটোৰ ভিতৰত অশৰীৰী

ছায়াঁৰ তাণ্ডৱ নৃত্য তেওঁৰ চকুত পৰা যেন লাগিল। তেওঁৰ গোটেই গা ঘামেৰে জুকলি-জুপুৰি হল। কজেটৰ কাষ পাই, তাইৰ ওচৰতে বহি তাইক চাবলৈ ধৰিলে। এনেতে টিলিঙাৰ মাতৰ দৰে কিবা এটা মাত আহি তেওঁৰ কাণত পৰিল। তেওঁ ঘূৰি-পকি চাই দেখে, অলপ আঁতৰতে মানুহ এটা এবাৰ কুঁজা হৈ এবাৰ ঠিয় হৈ ঘূৰি ফুৰিছে। পুলিচৰ মানুহ বুলি ভেলজঁৰ বুকু আকৌ কঁপি উঠিল। কজেটক লাহেকৈ দাঙি লৈ ওচৰৰে চালি এখনৰ তললৈ লৈ গল। কজেটে কাতি-কুটাও নকৰিলে। ভেলজঁ মানুহটোৰ গতি-বিধি দেখি আচৰিত হৈ পৰিল। ভেলজঁৰ মনত হল মানুহটো যেন লেঙেৰা, মানুহটোৰ লগে লগে যেন টিলিঙাটোও ঘূৰি ফুৰিছে। এনেতে ভেলজঁই ক[illegible] হাত কেখনত হাত দি চক খাই উঠিল। কজেটৰ হাতকেখন শিল যেন চেচা। ভেলজঁই মাত লগালে "কজেট!" কজেটে চকু নেমেলিলে। ভেলজঁই তাইৰ গাত ধৰি জোকাৰি দিলে—কজেটে কাতি-কুটাও নকৰিলে। ভেলজঁই ভাবিলে "মৰিল নে কি?" কথাষাৰ মনলৈ অহাৰ লগে লগে ভেলজঁৰ গোটেই শৰীৰ ভয়ত শিয়ঁৰি উঠিল। ভেলজঁই কজেটৰ নাকৰ ওচৰত হাত দি উশাহ নিশাহ লোৱা চাবলৈ ধৰিলে। উশাহ নিশাহ আছিল কিন্তু এনে ক্ষীণ গতি যে হঠাৎ বন্ধ হোৱাৰ সম্ভৱ। ভেলজঁই কি কৰিব ভাবি একো ঠিক কৰিব নোৱাৰাত পৰিল। ভয়ত আতুৰ হৈ আশ্ৰয় বিচাৰি বলিয়া হোৱা মানুহৰ দৰে অথিৰ-অথিৰ হৈ ইফালে সিফালে চাবলৈ ধৰিলে। অলপ জুইৰ সেক নেপালে হয়তো জাৰত থেৰেঙা লগা কজেট চিৰ অন্ধকাৰত ক্ষন্তেক পাছতে নেদেখা হৈ পৰিব। ভেলজঁৰ মনৰ সকলো ভয় দূৰ হল—নিজৰ বিপদ কজেটৰ মৰণৰ লগত চিনচাব নোহোৱাকৈ মিহলাই দিলে। নিজৰ অস্তিত্বকেৰাও কজেটৰ অস্তিত্বত লীন কৰি দি আগ-পাছ নেভাবি চকুৰ আগত থকা টিলিঙা বজোৱা মানুহটোৰ কাষলৈ লৰ ধৰিলে। মানুহটোৰ কাষ পাই বিততভেলজঁই চিঞঁৰি চিঞঁৰি কবলৈ ধৰিলে—"এশ ফ্ৰঁ, এশ ফ্ৰঁ।"

মানুহটোৱে ভেলজঁক মন কৰা নাছিল। সি আপোন মনেৰে নিজৰ কাম কৰি গৈছিল। হঠাৎ কাষতে মানুহৰ মাত শুনি চক খাই উঠিল। ওচৰত ভেলজঁক দেখি সি আচৰিত হৈ পৰিল।

ভেলজঁই কৈ গল—"এশ ফ্ৰঁ পাবা, যদি মোক আজি ৰাতিটোৰ কাৰণে অকণ আশ্ৰয় দিয়া।"

ঠিক এই সময়তে ডাৱৰ এচটাৰ মাজৰপৰা জোনটো ওলাই আহিছিল। জোনৰ দিন-যেন পোহৰত ভেলজঁৰ বিয়াকুল হিয়াৰ আকুল মুখখন স্পষ্ট হৈ মানুহটোৰ চকুত পৰিল। মানুহটোৱে ওচৰত মানুহৰ মাত শুনি যিমান আচৰিত হৈছিল মানুহটোৰ মুখ খন দেখি তাতকৈও বেছি আচৰিত হৈ মাত দিলে "অঁ, ফাদাৰ মেডলেন্ দেখোন!"

অচিনাকী মানুহ এটাৰ মুখত এডোখৰ আচহুৱা ঠাইত ৰাতিৰ আন্ধাৰত এনেভাৱে নাম কঢ়া শুনি, ভেলজঁ তুখোজ পাছহঁহকি পৰিল। ভেলজঁই ইয়াৰ বাহিৰে অন্যান্য সকলো বিপদলৈকে সাজু আছিল। মানুহটো এটা সামান্য হজুৱা। ভৰি এটা খোৰা। ভৰিত এটা টিলিঙা। ভেলজঁই মানুহটো ঘূৰি-পকি চাই মাত দিলে "তুমি? এইটো কাৰ ঘৰ?"

"ক'তনো মৰো! মোক আপুনি চিনি পোৱা নাই? এই কামত আপুনিয়ে মোক সুমুৱাই দিয়া নাইনে? মোক আপুনি গাড়ীৰ তলৰপৰা উলিয়াই আনি প্ৰাণদান দিয়া নাইনে?" কথা কোৱাৰ লগে লগে মানুহটো ঘূৰি পৰিল। মুখৰ ওপৰত জোনৰ পোহৰ পৰিল—জঁ ভেলজঁই জোনৰ পোহৰত মানুহটোক চিনি পালে। মানুহটো বুঢ়া ফকুলেভেণ্ট।

ভেলজঁই কলে "অ ফকুলেভেণ্ট, চিনি পাইছো, চিনি পাইছো, ইয়াত কি কৰিছা।"

"মই চিৰাল, তৰমুজবোৰৰ ওপৰত ঢাকনি দিছো।"

"ভৰিত টিলিঙা বন্ধা কিয়?"

"টিলিঙাৰ মাত শুনি তেওঁবিলাক আঁতৰ হব পাৰিব।"

"কোন তেওঁবিলাক?"

"ক'তনো মৰো! ইয়াত অকল মাইকী মানুহহে থাকে। তেওঁবিলাকে মোক নৌ-দেখোঁতেই আঁতৰিব লাগে গুণে মই ঘণ্টা দিওঁ।"



"এইটো নো কি ঘৰ?"

"ইস্, আপুনি নজনাই হল! এইটো কন্‌ভেণ্ট।"

ভেলজঁৰ এটা এটাকৈ সকলো ঘটনা মনত পৰিল। ফকুলেভেণ্টে সুধিলে "বাৰু, আপুনি ইয়ালৈ কেনেকৈ আহিলে? আপুনি সাধু-পুৰুষ হলেও মতা মানুহ—ইয়াত মতা মানুহ সোমাবলৈ নিদিয়ে।"

"তুমি আছা নহয়!"

"অকল মই!"

ভেলজঁই বুঢ়াৰ কাষ চাপি গম্ভীৰভাৱে কলে "চোৱা, মই তোমাৰ জীৱন ৰক্ষা কৰিছিলো। মই তোমাৰ কাৰণে যি কৰিছিলো তুমিও আজি মোৰ নিমিত্তে তাকে কৰা।"

"আপুনি মোৰ কাৰণে যি কৰিলে, মই দুৱাই আপোনাৰ বাবে তাৰ দহভাগৰ এভাগ কৰিবলৈ পালেও সাৰ্থক মানিম। ফাদাৰ মেড্‌লেন্! কওক মই কি কৰিব লাগে।"

"তোমাৰ বেলেগ ঘৰ আছে?"

"হয়, পঁজা এডুখৰি আছে।"

"বেছ। কিন্তু দুটা কথা তোমাক মই এতিয়াই কৈ থওঁ। তুমি ইয়ালৈ মই কেনেকৈ সোমালো—কেতিয়াও নুসুধিবা। আৰু মোক তুমি চিনিপোৱা বুলি কাৰো আগত নকবা।"

"একো কথা নাই। আপুনি সাধু মানুহ। আপোনাৰ নিচিনা সন্ত-সাধুৰ মনত বেয়া ভাব আছে বুলি মোৰ মনে নধৰে।"

"মোৰ লগত সৰু ছোৱালী এজনী আছে তাইক লৈ আহো, আহা।"

"ছোৱালীও এজনী!"—এইবুলি বুঢ়া ভেলজঁৰ পাছে পাছে যাবলৈ ধৰিলে। কজেটক লৈ দুয়ো পঁজাৰ ভিতৰ সোমাল। জুই ধৰি কজেটক সেও-পোটক দিলে। আধা-ঘণ্টা মানৰ ভিতৰতে কজেটে জুইৰ তাপ পাই সুস্থ মানুহৰ দৰে উশাহ-নিশাহ লৈ শুবলৈ ধৰিলে।

বৃদ্ধ ফকুলেভেণ্টে তাৰ প্ৰাণদাতা ফাদাৰ মেড্‌লেনক পাই কি কৰিম কি নকৰিম লগালে। বিছকুট, মাখন, মদ যি আছিল তাকেই আস্ত-ব্যস্তকৈ আনি ভেলজঁৰ আগত দি আঁঠুকাঢ়ি হাত যোৰকৈ কলে, "ফাদাৰ মেড্‌লেন্! আপুনি মোক দেখা মাত্ৰেই চিন ধৰিব নোৱাৰিলে। আপুনিয়ে মানুহ এটাৰ জীৱন ৰক্ষা কৰিব আকৌ আপুনিয়ে তাক চিনি নোপোৱা হব। আপুনি বৰ অশলাগী মানুহ।"

জঁ ভেলজঁ এই নগণ্য বৃদ্ধৰ মহৎ প্ৰাণ দেখি মুগ্ধ হৈ পৰিল। টোপনিত পৰাৰ আগতে ভেলজঁই কলে "মই ইয়াতেই থাকিম ইয়াৰপৰা নেযাওঁ!" বুঢ়াই কথাষাৰ শুনি হতাশ হৈ পৰিল। মতা মানুহ থকা দূৰত থক, 'কন্‌ভেণ্ট'ৰ কাষেদিও যাব নোৱাৰে। তেনেস্থলত বুঢ়াই মেড্‌লেনক ৰাখে কি উপায়েৰে। বুঢ়াৰ ভাবনাত টোপনি নাহিল। ভেলজঁই ভাবিলে তেওঁৰ দৰে সংসাৰে ছেই ছেই কৰি খেদি দিয়া অৱৰা[illegible] কাৰণে এনে অসম্ভৱ ঠাইত লুকাই থকাই একমাত্ৰ উপায়। ভেলজঁৰ ক্ষন্তেক পাছতে টোপনি আহিল।

এপিঠি-দুপিঠি কৈ বুঢ়াই অতীতৰ বুৰঞ্জীখন লুটিয়াবলৈ ধৰিলে। বুঢ়াৰ মনত পৰিল ডেকাকালৰ কথা। তেতিয়াৰ স্বাৰ্থপৰ ভাৱ, মইমতালি স্বভাৱ। তাৰ পাছত গাড়ীৰ চকাৰ তলত সোমাই লেঙেৰা হোৱাৰ কথা। ১০।১২ টা মানুহ আগত থাকিও গাড়ীখন উদাৰি দি বুঢ়াক উলিয়াই ননা, বুঢ়া মৰোঁ মৰোঁ হোৱা—ফাদাৰ মেড্‌লেনে নিজক বিপদত পেলাই বুঢ়াক গাড়ীৰ চকাৰ তলৰপৰা উলিয়াই প্ৰাণদান দিয়া—পাছত এই "কন্‌ভেণ্ট"ত চকিদাৰৰ কামত সুমুৱাই দুবেলা দুমুঠি খাবৰ দিহা কৰি দিয়া। বুঢ়াই কৃতজ্ঞতাৰ বাণ-পানীত গা এৰি দিলে। বিপদ-আপদ সকলো পাহৰি গল। কেৱল মনত হল—"এই ফাদাৰ মেডলেনে মোৰ জীৱন ৰক্ষা কৰিছিল; —এতিয়া মোৰ পাল।"

বুঢ়াই এম্ নগৰ এৰা বহুত দিন হল। 'কনভেণ্ট'ত থাকে, বাহিৰা খবৰ-খাবাৰ একো নেজানে। ফাদাৰ মেডলেনৰ লগত কজেটক দেখি বুঢ়াৰ মনত অলপ খোকোজা লাগিছিল কিন্তু মেডলেনৰ দেৱোপম কীৰ্ত্তি আৰু প্ৰাণদান দিয়া কথাই বুঢ়াৰ সকলো সন্দেহ ভঙ্গ পেলালে। উপকাৰীৰ শলাগ লবৰ সোণালী সুযোগ পাই বুঢ়া উত্ৰাৱল

হৈ পৰিল। বুঢ়াই চকু মুদি বিছনাত পৰি পৰি ভৱিষ্যত কল্পনা কৰিবলৈ ধৰিলে।

পুৱা ভাবনাৰ অথাহ সাগৰ পাৰ হৈ বুঢ়াই চকু মেলিয়ে কাষতে ভেলজ্ঁক জুপুকা মাৰি বহি শুই থকা কঞ্জেটৰ মুখলৈ চাই থকা দেখা পালে। বুঢ়া লৰালৰিকৈ উঠি ভেলজ্ঁৰ কাষতে শাৰী পূৰাই বহি গল। বুঢ়াই অলপ পৰ তলকা মাৰি থাকি সুধিলে "পাছে, কি উপায়েৰে নো ইয়াত থাকিবৰ দিহা কৰিছে?" বুঢ়াৰ চিন্তা-ভাৱনা সকলো এই এষাৰ কথাৰ ভিতৰতে সোমাই আছিল। কথাষাৰ শুনি ভেলজ্ঁৰ ভাবৰ সপোন অন্ত হল। ভেলজ্ঁ বুঢ়াৰ মুখৰ ফালে চাই ৰল।

বুঢ়াই কলে "প্ৰথমতে, আপুনি নাইবা ছোৱালী কণীয়ে কেতিয়াও ছুৰ[illegible]লিৰ বাজ হব নোৱাৰিব। ছুৱাৰদলিৰ বাজ হব লাগিলেই আমাৰ এটাইকিটিৰে দিহা লাগিব। আপুনি কিন্তু ভাল সময়তে আহি ওলালহি। 'ছিষ্টাৰ' এগৰাকীৰ টান নৰীয়া, কিজানি মৰিবৰ সময়েই হল। কালি ৰাতিৰেপৰা নাম-গুণ গোৱা শুনিছো। নৰীয়াৰ কাষৰপৰা তেখেতসকল এইফালে ফুৰা-চকা কৰিবলৈ নাহিব পাৰে। মৰাৰ আগতে নাম-গুণ হব মৰাৰ পাছতো হব। সেই কাৰণে আজি দিনটো নিৰাপদ। সকলোখিনি নাম-গুণ গোৱাতে ব্যস্ত থাকিব। কিন্তু কালিৰ কথাহে মই কব নোৱাৰো। বৰ ভয়—সৰু সৰু ছোৱালীখিনিৰ কাৰণে। সিহঁতে ইয়াত আহি পিত-পিতাই ফুৰেহি।"

ঠিক এই সময়তে কাঁহৰ মাত শুনা গল। বুঢ়াই কলে "মৰিল, শুনক।" ভেলজ্ঁই একো উত্তৰ নিদিলে। মনতে ভাবিলে "কনভেণ্টৰ আন আন ছোৱালীহঁতৰ লগতে কঞ্জেটকো পঢ়িবলৈ দিম।" বুঢ়াই কবলৈ ধৰিলে "ইয়াত মটা মানুহ মহা-মাৰীৰ নিচিনা। চ'কচোন, মোৰ গাত ঘণ্টা বান্ধি দিছে। মই যেনিবা বনৰীয়া পশুহে।"

ভেলজ্ঁই ভাবিলে "এই কনভেণ্টেই মোৰ প্ৰধান আশ্ৰয়।" বুঢ়াক শুনাই কলে "ইয়াত থকাটোহে বৰ টান হব।"

"থকাটো টান নহয়, ইয়াৰেপৰা ওলাই যোৱাটোহে টান। ইয়ালৈ সোমাবলৈ হলে, আপুনি বাহিৰলৈ ওলাই যাব লাগিব। ছোৱালীটি শুই আছে—তাইৰ নাম?"

"কঞ্জেট।"

"আপোনাৰ জীয়েক? এ, কিবাটো আছে, বোলো তাই আপোনাৰ নাতিনীয়েক?"

"এৰা।"

"তাইক উলিয়াই নিব পাৰিম, আপুনি ওলাই যোৱাটোহে টান দেখিছো। এবাৰ বাহিৰ উলিয়াব পাৰিলেই, সুমুৱাবলৈ উপায় কৰিব পাৰিম। অ' সেয়া ঘণ্টা দিছে। মোক মাতিছে, মই যাওঁ, আপুনি বহক।"—এই বুলি বুঢ়া ওলাই গল। ভেলজ্ঁই বেৰৰ জোলোঙাই দি বুঢ়াক লেঙুৰিয়াই লেঙুৰিয়াই যোৱা চাবলৈ ধৰিলে।

বুঢ়া গৈ প্ৰধান 'ছিষ্টাৰ'ৰ ঘৰ সোমাল। ছিষ্টাৰে মালাজপি বহি আছিল। বুঢ়াক দেখা পাই মাত লগালে "ফাদাৰ ফভেণ্ট! তোমাক কথা এটাৰ কাৰণে মাতি পঠিয়াইছিলো।"

"আইৰ ওচৰত মোৰো এটা গোহাৰি আছে।"

"কোৱা।"

বুঢ়াই নিজৰ বুঢ়া বয়স, লেঙেৰা ভৰি, কামৰ ভিৰ ইত্যাদি কথাৰ মুখ-পাতনি দি দুখ-কষ্টৰ কথা কলে। বুঢ়াৰ এটা ভায়েক আছে। তেখেতে অনুমতি কৰিলে ভায়েকক বুঢ়াই লাগুনি-পাচনি কৰিবৰ কাৰণে আনিব খোজে। ভায়েকৰ ছোৱালীজনীও 'ছিষ্টাৰ' কৰিবৰ মন কৰে। ভায়েকে মালীৰ কামো জানে। নহলে বুঢ়াই অকলে কাম কৰা টান হৈ উঠিছে। বুঢ়াৰ কথা শেষ হনত "ছিষ্টাৰে" কলে "ফাদাৰ ফভেণ্ট! 'চেপোল'ৰ মজিয়াৰপৰা কেচটামান শিল তুলিব লাগিব। পাৰিবা?"

"অকলে নোৱাৰিম আই। আৰু এটা লগ লাগিব।"

"মাদাৰ এছেনছনৰ মটা মানুহবদৰে বল। তেওঁক লগত দিম।"

"মাইকী মানুহে—হেজাৰ হলেও মটা মানুহৰ যোৰ নেপায়। মোৰ ভাই আহিলেহে সুবিধা হব।"



ছিষ্টাৰে কিছুমান সময় ভাবি উত্তৰ দিলে "ফাদাৰ ফভেণ্ট, তুমি নেজানানে আজি এগৰাকী "ছিষ্টাৰ" উঠাৰ কথা?"

"নেজানো আই!"

"তুমি কাঁহৰ মাত শুনা নাই।"

"কলা মানুহ আই। মোৰ এই ভৰিৰ টিলিঙাটোৰ মাতকে মই ভালকৈ শুনিবলৈ নেপাওঁ।"

"মাদাৰ ক্ৰুছিফিকশ্যান আজি পুৱাৰ বেলা ঢুকাল। শেষ মুহূৰ্ত্তলৈকে তেওঁৰ জ্ঞান আছিল। আহা! কি সুন্দৰ মৰণ! হাঁহি হাঁহি গল। পৰমেশ্বৰ কাষত যে যেন ঠিয় দিছিলে—স্বৰ্গ! তাতেই স্বৰ্গ!"

বুঢ়াই ভাবিছিল, 'ছিষ্টাৰে' উপাসনা কৰিছে। 'ছিষ্টাৰ'ৰ কথা শেষ হলতে বুঢ়াই উপাসনাৰ শেষ হল বুলি ভাবি মাত দিলে "এমেন!" (শান্তি!)

"ফাদাৰ ফভেণ্ট! মৃতাৰ কামনা পূৰ্ণ কৰা উচিত।"

"সঁচা।"

ছিষ্টাৰে মালা জপি জপি কৈ গল "ফাদাৰ ফভেণ্ট! মাদাৰ ক্ৰুছিফিকশ্যনে কুৰি বছৰ যিটো 'কফিন'ত শুই আহিছিল, সেই 'কফিন'তে তেওঁক কবৰ দিব লাগিব।"

"তেন্তে সেইটো 'কফিন'তে মই তেখেতক বন্ধ কৰিব লাগিব।"

"এৰা।"

"ছৰ্কাৰী কফিনটো তেনেহলে আমাক নেলাগে?"

"ঠিক ধৰিলা।"

"যিহকে আদেশ দিয়ে মই তাকে কৰিম।"

"চাৰি গৰাকী 'ছিষ্টাৰে' তোমাক সহায় কৰিব।"

"কফিনটো বন্ধ কৰিবলৈ? মই অকলে পাৰিম।"

"নহয়। 'চেপোল'ৰ ভিতৰত কবৰ দিবলৈ।"

"চেপোলৰ ভিতৰত?"

"এৰা।"

"কিন্তু যদি ছৰ্কাৰে জানে?"

"মৃতাৰ শেষ অনুৰোধ পূৰণ কৰিবই লাগিব। ঈশ্বৰৰ আইনৰ আগত মানুহৰ আইন একো নহয়। তেওঁ জীয়াই থাকোতে য'ত বহি উপাসনা কৰিছিল, তাতেই তেওঁক থোৱা হক। 'কনভেণ্টৰ' ঘটনা বাহিৰৰ কোনেও ভুকে নেপাব। তুমি জানিবা আৰু আমি জানিম।"

"মোক দেৱালৰ এচপৰা ইটা বুলি ভাবিবচোন? এনে কামৰ কাৰণে মোৰ ভাই হলে বেছ হলহেতেন।"

"তুমি ঘণ্টা শুনা মাত্ৰকে আহিবা।"

"শুনা মাত্ৰকে আহিব নোৱাৰো শুণেহে, ভাইকো আনো বুলিছিলো। লেঙেৰা মানুহ; এখোজ আহোঁতেই এপৰ যায়।"

"পাছে ছৰ্কাৰী কফিনটো কি কৰিবা। তাকতো ছৰ্কাৰী কবৰথানালৈ নিবই লাগিব।"

বুঢ়াই কিছুমান পৰ তলকা মাৰি থাকি উত্তৰ দিলে "তাৰ উপায় ওলাব। ইফালে ইটো 'কফিন'ত কবৰ দি, সিটো কফিন'ত মাটি ভৰাই গধুৰ কৰি গজাল-চজাল মাৰি বন্ধ কৰি থম। সিহঁত আহি গমকে ধৰিব নোৱাৰিব। নিসন্দেহে মাটিকে কবৰ দি ঘৰা-ঘৰি গুচি যাব।"

'ছিষ্টাৰ'ৰ মুখত হাঁহিৰ ৰেখা বিৰিঙি উঠিল। বুঢ়াক সম্বোধন কৰি কলে "ফাদাৰ ফভেণ্ট! কাইলৈ কবৰ দিয়া শেষ হলে ভায়েৰক মোৰ শুৱিলৈ লৈ আহিবা। ছোৱালী জনীকো লৈ আহিবলৈ কবা।"

বুঢ়া অভিবাদন কৰি ঘৰলৈ উভটি আহিল। উভটি আহোতে বুঢ়া ভাবি ভাবি এখুজি দুখুজিকৈ আহিছিল। সেইকাৰণে ছিষ্টাৰৰ ঘৰৰপৰা বুঢ়াই নিজৰ পঁজাৰ দুৱাৰ-মুখ পাওঁতেই প্ৰায় আধাঘণ্টামান সময় গল। বুঢ়াই ঘৰ সোমাই ভেলজ্ঁৰ লগত পৰামৰ্শ কৰিবলৈ ধৰিলে। ভেলজ্ঁক সকলো কথা ভাঙি-পাতি কলে। কঞ্জেটক বুঢ়াৰ পিঠিতে খৈলা এটাৰ ভিতৰত সুমুৱাই বাহিৰৰ বুঢ়ী এজনীৰ ঘৰত থৈ অহাৰ বন্দবস্ত হল। বুঢ়াই ভেলজ্ঁক কহে বাহিৰলৈ নিয়াৰ উপায় বিচাৰি নেপালে। অলপমান পৰ ভাবি ভেলজ্ঁই মাত দিলে "এটা উপায় আছে। যিটো ছৰ্কাৰী 'কফিন'ত মাটি ভৰাই ছৰ্কাৰী কবৰস্থানলৈ লৈ যাবা—তাত মাটি নভৰাই, মোকে ভৰাই দিয়া।"

"যক—আপুনি ধেমালি কৰে।"

"নহয়। ধেমালি নহয়। ইয়াৰপৰা ওলাই যাবলৈ, সেইটোৱেই উত্তম উপায়। ৰাতি দুইখান বজাতে তুমি

মোক 'কফিন'ৰ ভিতৰত বন্ধ কৰি পেলাবা। যত মুৰ নাক-মুখ পৰিব তাত অলপ অলপ বিন্ধা কৰিবা। ওপৰৰ তক্তাখনো টানি নগঞ্জালিবা। মই বেছ উশাহ লব পাৰিম। কিন্তু কবৰৰপৰা ওলাম কেনেকৈ?"

"তাৰ কাৰণে ভয় নাই। যদি 'কফিন'ৰ ভিতৰত আপুনি জীয়াই থাকে, কবৰৰপৰা মযো আপোনাক জীয়াই জীয়াই উলিয়াই আনিব পাৰিম। কবৰত মাটি দিয়া মানুহজন মোৰ পৰম বন্ধু। তেওঁ ভয়ঙ্কৰ মদপী। মদ খুৱাই লৈ আপোনাক 'কফিন'ৰপৰা উলিয়াই কফিন বন্ধ কৰি দিম। একো ভয় নাই।"

ভেলজ'ই বুঢ়াৰ ফালে হাত মেলি দিলে। বুঢ়াই ভক্তি গদ্ গদ্ হৈ ভেলজ'ৰ হাত খন দুই হাতে সাবটি ধৰি মুৰ দোৱাঁই বহি পৰিল।

পাছদিনা আবেলি পৰত কন্‌ভেণ্টৰ ওচৰৰ বাটেদি এখন মৰা-শ নিয়া গাড়ী যাওঁতে ভেটা-ভেটি হোৱা দুই চাৰি বাটৰুৱাক মুৰৰ টুপি খোলা দেখা গল। লগত যোৱা মানুহ এজনৰ পৰাই বুজিব পৰা গল যে মৰা-শ টি 'কন্‌ভেণ্ট'ৰ। মানুহজন লেণ্ডৰা বুঢ়া ফকুলেভেণ্ট্। গাড়ী কবৰ-স্থানৰ দুৱাৰ মুখত যোৱা মাত্রে কবৰ-স্থানৰ মানুহ আহি ধৰা-ধৰিকৈ কফিনটো কবৰ দিয়া ঠাইলৈ লৈ গল। ফকুলেভেণ্টৰ মনত অপাৰ ৰঙ। প্ৰকৃত মৃতাক কবৰ দি এক কৰ্ত্তব্য সাধন কৰি আহিছে—বাকী মেডলেনক সকৰাই নিয়া। তাকো সুকলমে সাধন কৰিব পাৰিব বুলি বুঢ়াৰ দৃঢ় বিশ্বাস। বুঢ়াই উপাসনা আদি কেতিয়া শেষ হয় কেতিয়া শেষ হয় দেখিছে।

কবৰৰ ভিতৰত কফিন পেলাই দিলে; উপাসনা শেষ হৈ গল, বাকী মাত্র মাটি দিয়া। বাকী মানুহ দিহা-দিহি গল। কবৰত মাটি দিয়া মানুহে আহি মাটি দিবহি। বুঢ়া ফকুলেভেণ্টে ফাদাৰ মেষ্টিয়েন আহিব বুলি ইফালে-সিফালে চাওঁতেহে, মেষ্টিয়নৰ পৰিবৰ্ত্তে আন এটা মানুহে হাতত কোঁৰ লৈ কবৰত মাটি দিবলৈ মাটি এচাব তুলি লোৱা দেখি স্বৰ্গপৰা মানুহৰ দৰে স্তম্ভিত হৈ পৰিল। বুঢ়াৰ মুৰত বিনা-মেঘে বজ্ৰ-পাত হল। বুঢ়াৰ পেটতে হাত ভৰি লুকাল। বুঢ়াই মানুহটোৰে কবৰৰে মাজত ঠিয় দি মাত দিলে—"তু—মি কোন? মই 'কন্‌ভেণ্ট'ৰ ফালৰ কবৰত মাটি দিয়া মানুহ। তুমিও যদি কবৰত মাটি দিয়া মানুহেই তেন্তে আমি দুয়ো লগৰীয়া।"

"বেছ, আমি দুয়ো বন্ধু।"

"বন্ধু হবলৈ হলে একেলগে বহি মদ খাব লাগিব। আহা আমি আগেয়ে মদ খাই আহোঁ। ধন মই দিম।"—এই বুলি বুঢ়া মানুহটোৰ ওচৰ চাপি আহিল। তেতিয়া কবৰ-স্থানৰ কাষত ক'তো এটি মানুহো নাই। এন্ধাৰ ঘনাই আহিছিল।

মানুহটোৱে কবৰৰ কাম শেষ নোহোৱাকৈ কলৈকো এখোজো যাবলৈ মান্তি নহল। বুঢ়া ভাবি অস্থিৰ হৈ পৰিল। মানুহটোৱে হ'াউলি দুচাব এচাবকৈ কবৰত মাটি পেলাবলৈ ধৰিলে। বুঢ়াৰ তালুৱেদি জীৱ গল। এনেতে বুঢ়াৰ চকুত পৰিল মানুহটোৰ জেপত থকা বগা কাৰ্ড খনলৈ। এই 'কাৰ্ড'খন দিহে মানুহে কবৰ-স্থানলৈ সোমাব পাৰে। ওলাবৰ সময়ত ৰাতি হলে এই 'কাৰ্ড'খন দেখুৱাব নোৱাৰিলে কবৰ-স্থানতে বন্ধ থাকিব লাগিব। নতুবা পোন্ধৰ ফ্ৰাঁ জৰিমনা দিহে ওলাব পাৰিব। বুঢ়াৰ 'কাৰ্ড'-খনত চকু পৰা মাত্রকে মন নাচি উঠিল। মানুহটোৱে কুজাহৈ মাটি খানোতেই বুঢ়াই পুতকৰে মানুহটোৰ জেপত হাত ভৰাই 'কাৰ্ড'খন লৈ আহিলে। মানুহটোৱে গমকে নাপালে। মানুহটোৱে কবৰত আকৌ এচাব মাটি পেলাব খুজিছে এনেতে বুঢ়াই মাত দিলে "তুমি কবৰ-স্থানৰ 'কাৰ্ড'খন আনিছানে? ৰাতি হৈ আহিল কাৰ্ড নাই অনা যদি বিপদত পৰিবা।" 'কাৰ্ড' নেথাকিলে কি কি বিপদ হব পাৰে মানুহটোৰ সেইবিষয়ে বেছ হিছাপ আছিল। 'কাৰ্ড'ৰ কথা শুনি সি কোৰ এৰি জেপত 'কাৰ্ড' বিচাৰিবলৈ ধৰিলে। জেপত 'কাৰ্ড' নেপাই সি মাত দিলে "ভাল হল! 'কাৰ্ড'টো ঘৰত এৰি আহিলো। এতিয়া কি কৰোঁ?"

"তুমি ৰাতি নৌ হওঁতেই এতিয়াই যোৱা। তোমাৰ হৈ মযে কবৰত মাটি দিও। মিছাতে বিপদ চপাই নলবা।"

বুঢ়া ফকুলেভেণ্টে কপাযাৰ কবলৈহে পালে মানুহটোৱে কোৰ পেলাই "বৰ ৰক্ষা কৰিলা" বুলিয়ে ভিৰাই ঘৰৰ ফালে ঢাপলি ধৰিলে। যেতিয়া মানুহটো এন্ধাৰত নেদেখা হৈ পৰিল, বুঢ়াই ইফালে সিফালে ঘূৰি-পকি চাই সাউৎকৰে কবৰৰ তললৈ নামি গল। কফিনটোৰ ওচৰত কাণ দি বুঢ়াই মাত দিলে "ফাদাৰ মেড্‌লেন!"

কফিনৰ ভিতৰত কোনো সাৰ-সুৰ শুনা নগল। বুঢ়া ভয়ত থৰ্থৰ্‌কৈ কঁপিবলৈ ধৰিলে। হৰা-মুৰাকৈ কফিনটো খুলি বুঢ়াই ভেলজ'ৰ মুখখন জুমি-জামি চাই থৰ হৈ পৰিল। বুঢ়াই বুকুত চপৰিয়াই চপৰিয়াই চিঞৰি উঠিল "মৰিল! মৰিল! ভাল ৰক্ষা কৰিবলৈ লৈ আহিছিলো।"

প্ৰকৃততে ভেলজ' মৰা নাছিল। বহুত পৰৰপৰা বন্ধ থকাৰ কাৰণে অচেতন হৈ পৰিছিল। কফিনৰ ওপৰত কাঠচটা একৰাই দিলত মুকলি বতাহ লাগি চেতনা আহিল। চেতনা পাই চকু মেলি ওচৰতে অথিৰ-অবিৰ হৈ থকা বুঢ়াক দেখি মাত লগালে "মোক কিবা আছে খুদি দিয়া, বৰ জাৰ লাগিছে।"

বুঢ়াই মৰা মানুহ থুৰাই পাই বৰ ভয় আৰু আনন্দৰ বেমেজ্ঞালিত পৰি অবাক হৈ পৰিল। কিছুমান পৰৰ পাছত সপোনৰপৰা উঠা মানুহৰ দৰে মাত দিলে "বলক, বলক, ইয়াৰপৰা ভাগো।"

ভেলজ' কবৰৰ ওপৰলৈ উঠি আহিল বুঢ়াই কফিনটো বন্ধ কৰি কবৰটো পুতি পেলালে। সকলো কাম শেষ হৈ গলত দুয়ো কবৰ-স্থানৰ বাহিৰ ওলাল। বাট পায়ে বুঢ়াই মাত দিলে "উস! কেনে সুবিধাকৈ কামটো হৈ গল! ফাদাৰ মেডলেন! আপোনাৰ মনত হলে ভাল বুধিটোৱেই খেলাইছিল।"



পাছদিনা পুৱা 'কনভেণ্ট'ৰ বাগিচাত এটা ঘণ্টাৰ ঠাইত দুটা ঘণ্টাৰ মাত শুনা গল। দুটা ফকুলেভেণ্টে ওচৰা-ওচৰিকৈ কোৰ মাৰি ফুৰিছিল। ছিষ্টাৰবিলাকেও তেওঁলোকৰ ওৰণীৰ একোণেদি এই ককায়েক ভায়েক হালক চোৱাৰ লোভ সামৰিব নোৱাৰিছিল। তেওঁলে'কে কোৱা-কুই কৰিলে "আমাৰ বুঢ়া মালী ফভেণ্টৰ ভায়েকে ককায়েকক লেঙেৰা গুণে লাওনি-পাচনি কৰি দিবলৈ আহিছে।"

ভেলজ'ই 'কনভেণ্ট'ত নিগাজিকৈ কাম ললে। কজেট কনভেণ্টৰ ছাত্রী হল।

কজেটই ভেলজ'ৰ সংসাৰ বান্ধোন। সংসাৰ-অন্ধ ভেলজ'ৰ কজেট কণাৰ-লাখুটী। ভেলজ'ৰ সংসাৰত বন্ধু বুলিবলৈ কোনো নাই। ঈশ্বৰেই তেওঁৰ একমাত্র সহায়। ঈশ্বৰৰ পৱিত্ৰ মন্দিৰেই দুবাৰ দুটা বিপদৰ সময়ত তেওঁক পৰিত্ৰাণ কৰিছে। প্ৰথমবাৰ মানুহে তেওঁক দেখি ছেই ছেই কৰি দুৱাৰ দাও মাৰোতে বিশপ মেৰিয়েলৰ অনাৱিত দ্বাৰে তেওঁক হাত বাউল দি মাতি নি অধঃপতনৰপৰা ৰক্ষা কৰিছিল, আনবাৰ এই বাৰ্ঘৰদৰে মানুহে তেওঁক আক্ৰমণ কৰিবলৈ খেদি আহোতে পুৰুষৰ অভেদ্য কনভেণ্টৰ দেৱালে তেওঁক নিৰাপদ আশ্ৰয় দি কাৰাবাসত পচি মৰাৰ হাত সকৱালে। এই কজেট আৰু ঈশ্বৰক লৈয়ে ভেলজ'ই সংসাৰ পাতিলে। এচকুত স্নেহ আৰু আন চকুত শলাগৰ নিজৰা বোৱাই ভেলজ'ই কনভেণ্টত দিন কটাবলৈ ধৰিলে। কজেট দোপত দোপে বাঢ়ি আহিল।

(আগলৈ)

শ্ৰীথানেশ্বৰ হাজৰিকা

# মহাৰাজ শিৱসিংহৰ দেবত্ৰ দান সম্বন্ধীয় তাম্ৰ পত্ৰিকাৰ প্ৰতিলিপি

স্বস্তি সমৰসীমনিঃসীম ভীমপৰাক্ৰম শ্ৰীশ্ৰীমদুমানন্দ পাদাব্জমধুকৰ শ্ৰীশ্ৰীশিবসিংহ নৃপাজ্ঞামুত্তমাঙ্গে নিধায় তৎ প্ৰেমাধানবিধান প্ৰধানসেনাপতি তৰুণ-দুৱৰা বৃহৎফুক্কেণন ৺ৰ পুণ্যাৰ্থং ৺ৰ প্ৰত্যহ পূজাৰ্থং শশধৰ ৰসযুগশশাঙ্কশাকে দেবোত্তৰ তাম্ৰপত্ৰিকেয়ং বিতীৰ্ণা।

অনুবাদ ঃ—সকলোৰে মঙ্গল হওক। সমৰ ক্ষেত্ৰত যাৰ ভীমসেনৰদৰে ভয়ঙ্কৰ পৰাক্ৰমৰ ইয়ত্তা নাই, শ্ৰীশ্ৰীমদুমানন্দৰ পদপঙ্কজৰ মধুকৰ সেই শ্ৰীশ্ৰীশিৱসিংহ মহাৰাজৰ আজ্ঞা শিৰোধাৰ্য্য কৰি, তদীয় প্ৰীতিৰ সহিত সমাদিষ্ট কাৰ্য্য সংসাধক প্ৰধান সেনাপতি তৰুণদুৱৰা বৰফুকনৰ দ্বাৰা ঈশ্বৰসম্বন্ধীয় পুণ্যৰ (পুণ্যকাৰ্য্যৰ) নিমিত্তে আৰু ঈশ্বৰৰ (উমানন্দৰ) প্ৰত্যহ পূজানুষ্ঠানৰ কাৰণে শশধৰ (১) ৰস (৬) যুগ (৪) শশাঙ্ক (১) শাকে অৰ্থাৎ ১৪৬১ শকত (বা ৰসযুগ অৰ্থে ৬৬ সংখ্যা ধৰি) বা ১৬৬১ শকত দেবোত্তৰ অৰ্থাৎ দেবত্ৰদান সম্বন্ধীয় লেখ এই তাম্ৰ পত্ৰিকা (তামৰ ফলি) বিতীৰ্ণ বা প্ৰদত্ত হল।

মন্তব্য ঃ— সন্ধি কৰিলে সমৰোসীম হব লাগে বুলি চৌধুৰী ডাঙৰীয়াই লিখিছে, কিন্তু ইয়াত সন্ধিৰ কোনো কাৰণ বিদ্যমান নাই। "সমৰসীম" এইপাঠ শুদ্ধ। 'সমৰঃ+অসীম, এইদৰে কৰিলে সন্ধি কৰি অৱশ্য 'সমৰোঽসীম' কৰিব পাৰি; কিন্তু এই পক্ষে অৰ্থৰ অসঙ্গতি হয়, অধিকন্তু মূলত শুদ্ধ পাঠ থাকোতে টানি-টুনি অশুদ্ধ পাঠ কৰাৰ প্ৰয়োজন নাই। পূৰ্ব্ব প্ৰতিলিপিত 'পাদাব্জ'ৰ ঠাইত 'পাব্জ' মুদ্ৰাকৰ প্ৰমাদ বুলি অনুমান হয়।

ইয়াত 'শশধৰৰসযুগশশাঙ্ক' অৰ্থাৎ ১৪৬১ শকাব্দ বা ১৬৬১ শক ধৰিব পাৰি। 'যুগ' পদে ৪ ধৰাহে বৰ প্ৰসিদ্ধ। গতিকে শকটো স্পষ্ট হোৱা নাই। ইতিহাসত কেৱল যদি এনেকুৱা শকৰ পৰা হে সময় নিৰ্ণীত হয় তেনেহলে সন্দেহ ৰৈ যায়। যি হক, অন্য প্ৰমাণ দ্বাৰা শক স্থিৰ কৰিব লাগিব। এই তাম্ৰ পত্ৰিকাত দেবোত্তৰ ভূমিৰ পৰিমাণ, স্থান, সীমা প্ৰভৃতি কোনো উল্লেখ নাই, গতিকে এই ফলি অন্য ফলিৰ অঙ্গ বুলিহে প্ৰতীতি হয়।

গুহামুখলিখিত দুটা শ্লোক

১

শিবাগম্যং শিবাগম্যং শিবযোগং শিবাত্মকম্।
শিবগৌৰীসদাসেব্যং শিবশিবাশ্ৰয়ঃ শ্ৰয়ে ॥

২

দেবদেবীসুতস্যেয়ং শিবগৌৰীসদাত্মনঃ।
অনেকাৰ্থমিদংবাক্যং সদাস্যাত্মস্থিতিং প্ৰতি ॥ ১৬৮৫

অনুবাদ

১। শিবাগম্যং (শিৱৰ আগম্য—আগমনযোগ্য) শিবাগম্যং (শিবা—পাৰ্ব্বতীৰ আগম্য—আগমনযোগ্য) শিবযোগং (শিৱৰ যোগ বা ধ্যান যত), শিবাত্মকং (শিৱ-স্বৰূপ) শিবগৌৰীসদাসেব্যং (শিৱ আৰু গৌৰীৰ সদা সেব্য—অধ্যুষিত) (এবংভূতভস্মাচলক) শিবশিবাশ্ৰয়ঃ (শিৱ আৰু শিবা যাৰ আশ্ৰয় এইৰূপ মই) শ্ৰয়ে (আশ্ৰয় লওঁ)।

স্থূলাৰ্থঃ—শিব আৰু শিবা মোৰ শৰণ, (অতএব মই) শিৱৰ আগমনযোগ্য আৰু গৌৰীৰো আগমনযোগ্য শিৱৰ যোগাচৰণস্থান, আৰু শিৱ-গৌৰী দ্বাৰা সৰ্ব্বদা অধ্যুষিত ভস্মাচলক আশ্ৰয় লওঁ (ভস্মাচলত বাস কৰো)।

২। শিবাগম্যং (শিৱৰ আগম শাস্ত্ৰৰ হিতকৰ অৰ্থাৎ শিৱই য'ত আগম শাস্ত্ৰক প্ৰকাশ বা ব্যাখ্যা কৰিছিল) (অতএব) শিবাগম্যং (গৌৰীৰো আগমনযোগ্য অৰ্থাৎ শিৱৰ প্ৰকাশিত বা ব্যাখ্যাত আগমশাস্ত্ৰ শ্ৰৱণৰ কাৰণে গৌৰীৰো আগমনযোগ্য)—শিষ্টাংশ পূৰ্ব্ববৎ।



স্থূলাৰ্থ ঃ—শিৱ আৰু শিবা মোৰ শৰণ, এতেকে মই শিৱই যত আগম শাস্ত্ৰ প্ৰকাশ বা ব্যাখ্যা কৰিছিল অতএব তাকে শুনিবলৈ শিবাও যি ঠাইলৈ (ভস্মাচললৈ) আগমন কৰিছিল... (পূৰ্ব্ববৎ) ... সেই ভস্মাচলক আশ্ৰয় লওঁ।

৩। শিবাগম্যং (শিৱ বা শিৱগৌৰীৰ আগম্য—আগমনযোগ্য) শিবাগম্যং (শিয়ালৰ—তদ্বৎ ধূৰ্ত্ত শঠৰ বা শিৱ-দ্বেষীৰ অগম্য---গমনৰ---প্ৰাপ্তিৰ অযোগ্য)—শেষ পূৰ্ব্ববৎ।

স্থূলাৰ্থ ঃ— ... মই শিৱগৌৰীৰ বা শিৱৰ আগমনযোগ্য কিন্তু শৃগালবৎ ধূৰ্ত্তৰ বা শিৱদ্বেষীৰ দুষ্প্ৰাপ্য বা গমনাযোগ্য .........ভস্মাচলক আশ্ৰয় লওঁ।

৪। শিবাগম্যং (শিবঃ আগম্যতে প্ৰাপ্যতে যস্মিন্ তং—যত শিৱক পোৱা যায়) শিবাগম্যং (অৰ্দ্ধাঙ্গত্বাদি হেতু যত শিবাকো পোৱা যায়) .........পূৰ্ব্ববৎ।

স্থূলাৰ্থ ঃ—যত শিৱক (অনায়াসে) পোৱা যায়, শিৱৰ বামাঙ্গত্ব প্ৰভৃতি কাৰণে যত গৌৰীকো পোৱা যায়···মই... সেই ভস্মাচলক আশ্ৰয় লওঁ।

৫। শিবাগম্যং (হৰগৌৰীৰ বা কেৱল শিৱৰ আগমনযোগ্য) (অতএব) শিবাগম্যং (মোক্ষৰূপ মঙ্গলৰো আগমন বা প্ৰাপনযোগ্য অৰ্থাৎ মুক্তিস্থান) ......। স্থূলাৰ্থঃ— ... মই হৰগৌৰীৰ বা শিৱৰ আগমনযোগ্য বা প্ৰাপন যোগ্য স্থান, অতএব মোক্ষাদি মঙ্গলৰো আগমন বা প্ৰাপনযোগ্য স্থান......ভস্মাচলক আশ্ৰয় লওঁ। ইত্যাদি।

শিবযোগং (ক) শিৱৰ সহিত পাৰ্ব্বতীৰ যত মিলন।
(খ) শিৱৰ সহিত সাধকৰ যত মিলন।
(গ) শিৱৰ নিমিত্তে—মঙ্গলৰ নিমিত্তে—
সাধকে যত যোগানুষ্ঠান কৰে। ইত্যাদি।

শিবগৌৰীসদাসেব্যং (ক) শিৱ আৰু গৌৰীক সৰ্ব্বদা যত সেৱা কৰা উচিত।

এইৰূপে আৰু কেইটামান ভিন্ন ভিন্ন অৰ্থ কৰিব পাৰি। যি হক, কোনোৱে এইবিলাকৰ কোনো ভ্ৰম-প্ৰমাদ দৰ্শালে বা ইয়াতকৈ উৎকৃষ্টতৰ ব্যাখ্যা কৰিলে বিশেষৰূপে অনুগৃহীত হম। এই শ্লোকৰ চতুৰ্থপদৰ "শিব শিবাশ্ৰয়ঃ" এনে পাঠৰ পৰিবৰ্ত্তে "শিবঃ শিবাশ্ৰয়ঃ" এইৰূপ পাঠ কৰিলে অৰ্থাৎ বিসৰ্গটো অধিক ধৰিলে— "নামৈকদেশগ্ৰহণে নামগ্ৰহণম্ যথা ভীমো ভীমসেন ইতি।" এই নিয়মে "শিবঃ" অৰ্থে মহাৰাজ শিৱসিংহকো বুজাব পাৰি। কিন্তু শ্লোকৰ শেষত দিয়া '১৬৮৫' শকটো ইয়াৰ প্ৰতিকূল হয়নেকি সেই কথা বিচাৰ্য্য। যি হক, এই কথা মই উল্লেখ মাত্ৰ কৰিলো।

দ্বিতীয় শ্লোকটোৰ চৌধুৰী মহাশয়ৰ প্ৰদত্ত প্ৰথম চৰণৰ পাঠ "দেবদেবী সুতস্যেয়েং," কিন্তু এই পাঠ অৰ্থাসঙ্গতি দেখিয়েই ভুল বুলি সহজে বুজিব পাৰি। যি হক, মই অনুমানত "দেবদেবীসুতস্যেয়ং" পাঠ ধৰিছো। অৰ্থ ঃ— শিৱ আৰু গৌৰীৰ পুত্ৰৰ (কাৰ্ত্তিক বা গণেশৰ) এই গুহা (ইয়ং—এই গুহা)। চৌধুৰী মহাশয়ৰ প্ৰদত্ত চতুৰ্থ চৰণো "সদামাত্মস্থিতিপ্ৰতি"ৰ পৰিবৰ্ত্তে "সদাস্যাত্মস্থিতিংপ্ৰতি।" অনুমানতে ধৰিছো। অৰ্থ— সৰ্ব্বদা অস্য (এওঁৰ, গণেশ বা কাৰ্ত্তিকৰ) আত্মস্থিতিংপ্ৰতি (নিজৰ অৱস্থানৰ উদ্দেশ্য বিষয়ে—অৰ্থাৎ নিজৰ অৱস্থানৰ বিষয়ে এই অনেকাৰ্থযুক্ত বাক্য—প্ৰথম শ্লোকটো) কোৱা হৈছে। গতিকে সমস্ত দ্বিতীয় শ্লোক টোৰ স্থূলাৰ্থ এই ঃ—

শিৱগৌৰী সৰ্ব্বদা যাৰ আত্মৰূপে (ব্ৰহ্মৰূপে) উপাস্য বা যিজন শিৱগৌৰীৰ অতিশয়িত ভক্তিপৰায়ণ হোৱা হেতু শিৱগৌৰীস্বৰূপ সেই, দেবদেবীৰপুত্ৰ কাৰ্ত্তিক বা গণেশৰ এই গুহা। তেওঁৰে ইয়াত সৰ্ব্বদা অৱস্থান বিষয়ে অনেকাৰ্থযুক্ত পূৰ্ব্বোক্ত (প্ৰথম শ্লোক) বাক্য কথিত বা লিখিত হৈছে।

দ্বিতীয় শ্লোকৰ এই পাঠ শুদ্ধ হলে উপৰ্য্যুক্ত অৰ্থ বো অসঙ্গতি নহয়। অধিকন্তু, প্ৰথম শ্লোকত অনুমিত "শিবঃ" পাঠ শুদ্ধ হলে আৰু তাৰদ্বাৰা যদি মহাৰাজ শিৱসিংহ উদ্দিষ্ট হয়, তেন্তে দ্বিতীয় শ্লোকৰ "দেবদেবীসুতস্য"— 'দেবদেবীপুত্ৰভূতস্য শিবসিংহস্য'— শিৱগৌৰীৰ পুত্ৰস্বৰূপ শিবসিংহৰ— এই অৰ্থও কৰিব পাৰি। তেতিয়া হলে মহাৰাজ শিবসিংহই সাধনাৰ কাৰণে বা যি উদ্দেশ্যেই হক— অন্ততঃ কিছুদিন এই গুহাত বাস কৰিছিল বুলি অনুমান কৰা অসঙ্গত নহয়।

যি হক, এই বিষয়ে অধিক আলোচনাৰ কাৰণে বিশেষতঃ দ্বিতীয় শ্লোকটোৰ প্ৰকৃতপাঠ মূললিপিৰ পৰা উদ্ধাৰৰ কাৰণে গুৱাহাটীৰ উৎসাহী শিক্ষিত যুৱকসকলক— প্ৰধানতঃ শ্ৰীযুত সোণাৰাম চৌধুৰী মহাশয়ক অনুৰোধ কৰিলোঁ। শিৱমিতি। †

শ্ৰীলক্ষ্মীকান্ত মিশ্ৰ ভাগৱতী

---

# প্ৰেমিক সন্ন্যাসী

## বা

## দি ক্ৰুইষ্টাৰ এণ্ড্ দি হাৰ্থ

### (৭)

### নিৰাশ

এজন বুঢ়া চৌকিদাৰে জেৰাৰ্ড আৰু মাৰ্গেৰেটক সুধিলেহি,—"ইয়াত জেৰাৰ্ড নামে কোনোবা চিত্ৰকৰ আছেনে?" জেৰাৰ্ড আৰু মাৰ্গেৰেটে চমক খাই সাৰ পালে আৰু ইজনে সিজনক চোৰা-চুই কৰিব ধৰিলে। চৌকিদাৰজনে জেৰাৰ্ডক অনুমানতে চিনি পাই সুধিলে, "আপুনিয়ে নেকি?"

জেৰাৰ্ড— এৰা মই, কিয়?

চৌকিদাৰ—আপোনাক কুঁৱৰী মেৰী আইদেৱে মাতি পঠিয়াইছে—। মোৰ লগতে এতিয়াই তেওঁৰ তালৈ যাব লাগে।" জেৰাৰ্ড বিনাবাক্যে মন্ত্ৰমুগ্ধ সাপৰদৰে বুঢ়াজনৰ পিছে পিছে খোজ ললে।

অলপ পিছতে জন্ বিলিয়ামছন্ এজন চাকৰ লগত লৈ পিটাৰ আৰু মাৰ্গেৰেটৰ ওচৰ চাপিলহি আৰু বুঢ়া জনক আপে-বেপে নমস্কাৰ জনাই কলে, "আপুনি ইয়াতে ইমান বেলি বৈ আছে, তথাপি ঘৰলৈ যোৱা নাই?" মাৰ্গেৰেটে লাহেকৈ উত্তৰ দিলে, "ককাই, আমি তোমাৰ ওচৰত বহি আছিলোঁ নহয়নে? আমি তোমাক দেখিছিলোঁ কিন্তু—"

বিলিয়াম—কিন্তু কিতৰ? তোমালোকে মোক দেখিছা, তথাপি মাত নিদিয়া?

মাৰ্গেৰেট— নহয় ককাই, আমি এতিয়া ৰটাৰ্ডমলৈ আহিছো, তুমিহে আমাক আদৰ সম্ভাষণ কৰি মাতি নিব লাগে। তুমি যেতিয়া আমাৰ ছেভেনবাৰ্গেনলৈ যাবা তেতিয়া আমি তোমাক আদৰ-সম্ভাষণ কৰিম। তোমাৰ গুৱৰী বোৱে আমাক ভিতৰলৈকে যাব নিদিছিল, পিছে—।"

বিলিয়াম লাজত পৰিল। কিছুপৰ তলমূৰকৈ থাকি কলে, "এৰি পেলোৱা বাহিৰা কথা! এতিয়া ঘৰলৈ যাওঁ বলা।" মাৰ্গেৰেটে বিলিয়ামক শত শত ধন্যবাদ দিলে আৰু নাযাবৰ নিমিত্তে আপত্তি তুলি জেৰাৰ্ড যি বাটে গৈছে সেই বাটেদি ঘনাই ঘনাই চাব ধৰিলে।

বিলিয়ামে ঘনে ঘনে অনুৰোধ কৰাত মাৰ্গেৰেটে কলে, "এই অচিনাকী ঠাইত বন্ধু এজনক অকলে এৰি থৈ যোৱা অনুচিত। ৰটাৰ্ডম ডাঙৰ নগৰ; আমি ক'ত থাকিম তেওঁ কেনেকৈ জানিব? বিশেষতঃ তেওঁ এবাৰ বাট হেৰুৱাই হাবাথুৰি খাইছে।"

বিলিয়ামে সুধিলে,—"সেই বন্ধুজননো কোন?"

† তেজপুৰৰ সাৰস্বত সভাত পঠিত।



মাৰ্গেৰেটে কিছুসময় একো উত্তৰ নিদিলে। পিছত লাহেকৈ কলে, "এতিয়াই যে আটাইতকৈ বৰমূলীয়া প্ৰথম বঁটাটো লাভ কৰিছে সেই ডেকা চিত্ৰকৰজনেই।" বিলিয়ামে টপৰাই কলে, "অ, মাষ্টাৰ জেৰাৰ্ড! বাৰু, তাৰ নিমিত্তে বন্দোবস্ত কৰা যাব।" এই বুলি তেওঁ লগত অহা চাকৰজনৰ ফালে চাই কলে, "হেৰ, তই ইয়াতেই ঠিয় হৈ থাক; যেতিয়া এজন ডেকা ইয়ালৈ আহিব, তেওঁক ঘৰলৈ লৈ যাবি।" কথাষাৰ শুনি মাৰ্গেৰেটৰ মনত আনন্দৰ ঢৌ উঠিল, "জেৰাৰ্ডৰ লগত একে ঘৰতে থাকিব পাৰিম!" পিটাৰ আৰু মাৰ্গেৰেটে বিলিয়ামৰ পাছে পাছে খোজ ললে।

বুঢ়া চাকৰজনে দুঘণ্টামান ঠিয় হৈ জেৰাৰ্ডলৈ বাট চালে কিন্তু জেৰাৰ্ড উভটি নাহিল। লাহে লাহে বুঢ়াক মদৰ ৰাগীয়ে আক্ৰমণ কৰিলে আৰু ৰাগী সহ্য কৰিব নোৱাৰি বাটৰ ওচৰতে ধূলিত বাগৰি পৰি থাকিল। ইফালে চৌকিদাৰজনে জেৰাৰ্ডক একেবাৰে কুঁৱৰী মেৰীৰ শোৱা কোঠালিত উপস্থিত কৰিলেগৈ। জেৰাৰ্ডে ভক্তিভাৱে মেৰীক নমস্কাৰ জনাই এফলীয়াকৈ ঠিয় দিলেগৈ। কুঁৱৰীয়ে মাৰ্গেৰেট ভান আইকে লিখা চিঠিখন পৰি উঠি জেৰাৰ্ডৰ ফালে চাই কলে, "মাৰ্গেৰেট আইক, মোৰ এজনী পুৰণি পৰম বন্ধু। তোমাৰ কোনো এটা সুবিধা কৰি দিবৰ নিমিত্তে তেওঁ মোক বৰকৈ অনুৰোধ কৰি লিখিছে। তেওঁ ইমান দিনে মোক কোনো অনুৰোধ কৰা নাছিল, কিন্তু এই বেলি এটি বৰ পবিত্ৰ অনুৰোধ কৰিছে। তুমি বোধ হয় ধৰ্ম্মযাজক হবৰ ইচ্ছা কৰিছা, নহয়নে?"

জেৰাৰ্ডে নমস্কাৰেৰে 'হয়' বুলি উত্তৰ দিলে।

মেৰী—বোধ হয় তুমি এতিয়াও ধৰ্ম্ম-যাজক হৈ উঠা নাই; তোমাৰ একেবাৰেই কম বয়স।

জেৰাৰ্ড—নাই হোৱা মেডাম! ধৰ্ম্মযাজকৰ ডেকন্, ছব-ডেকন, একোলিথ্, একুজৰছিষ্ট, আৰু লেকটৰ এই যে পাঁচ শ্ৰেণী আছে, তাৰ ভিতৰত দ্বিতীয় বিধো হব পৰা নাই। মই এতিয়া লেকটৰ হৈছো মাথোন। অহা মাহত একুজৰছিষ্ট্ হবৰ মন আছে, তাৰ পিছত লাহে লাহে বাকীবোৰো হব লাগিব।

মেৰী—বাৰু সেইবোৰ শ্ৰেণী অতি সোণকালে উত্তীৰ্ণ হব পাৰিবা, কোনো ভয় নাই। কিন্তু ধৰ্ম্মপুৰোহিত হব লাগিলে সাংসাৰিক সুখ যে একেবাৰেই ত্যাগ কৰিব লাগিব!" এই বুলি কৈ মেৰীয়ে জেৰাৰ্ডৰ সুঠাম সুন্দৰ শৰীৰটো ভৰিৰ পৰা মূৰলৈ নিৰীক্ষণ কৰিব ধৰিলে আৰু যি জাতিয়ে মানুহক পাহৰাই ৰাখিব পাৰে, মানুহক সকলো স্বৰ্গসুখ পৃথিবীত দিব পাৰে, নিজৰ সেই স্ত্ৰী জাতিক ত্যাগ কৰা কথা ভাবি চকু চলচলীয়া কৰিলে। শেষত মনৰ সকলো ভাব বাধা দি কলে, "বাৰু যি নহক, তোমাক বন্ধু-বান্ধৱৰ ওচৰতে ৰখা হব। তোমাৰ মাৰা আছেনে?"

জেৰাৰ্ড—হয় আছে।

মেৰী—তোমাৰ ঠাইৰ নাম কি?

জেৰাৰ্ড—টাৰ্গোৰ মেডাম।

মেৰী—বাৰু টাৰ্গোৰ ওচৰতে তোমাৰ নিমিত্তে এটা গিৰ্জ্জাঘৰ সাজি দিয়া হব, তুমি এতিয়া যোৱা।" জেৰাৰ্ডে কুঁৱৰীক পুনৰাই নমস্কাৰ জনাই শত শত ধন্যবাদ দি বিদায় ললে আৰু চাকৰজনৰ সহায়েৰে বাহিৰলৈ আহি তাকো ধন্যবাদ দি মাৰ্গেৰেট আৰু পিটাৰক এৰি থৈ যোৱা ঠাইলৈ লৰ দিলে। চকুজুৰিয়ে বিচাৰিছে মাৰ্গেৰেটক—ভৰি কত পৰিছে ঠিকনা নাই; বাটত কতবাৰ যে উজুটি খালে, কত পৰি হাতৰ ছাল আঠুৰ ছাল ছিড়িলে তাৰ সীমা নাই। আগেয়ে এৰি থৈ যোৱা মেজখনৰ ওচৰ পাই জেৰাৰ্ড হঠাৎ থমকি গল, চকু থিৰ হল, মুখ শুকাই গল।

### (৮)

### শুভ সংবাদ

জেৰাৰ্ড ৰটাৰ্ডমৰপৰা উভটি আহি ঘৰ পালেহি, বাপেক মাক ভাই ভনী সকলোৱে আনন্দত নাচিবলৈ ধৰিলে। এটাইতকৈ জেৰাৰ্ডৰ মৰমৰ আছিল বামনাকৃতি জাইল আৰু অকৰ্ম্মণ্যা মিছ কেট। ইহঁত আনন্দতে বিভোৰ। ককায়েক আহি পোৱা মাত্ৰকে সিহঁতে তেওঁক কি বুলি মাতিব, কি বস্তু খাবলৈ দিব, কি কি কথা সুধিব বিচাৰি নোপোৱা হল। জেৰাৰ্ডেও দুইকো দুহাতে

ধৰি কোলাত সুমাই লৈ হেপাহ পলুৱাই চুমা খালে। তাৰ পিছত দুইবো হাতত দুটা দুটাকৈ খিলিং দি বিদায় দিলে। সিহঁতে ককায়েকৰপৰা খিলিং পাই একে কোবে হিংস্রক প্রকৃতিৰ চিত্রাও আৰু কর্ণেলিছৰ ওচৰ পালেগৈ আৰু খিলিংবোৰ সিহঁতক ঠাট্টা-বিদ্রূপ কৰি দেখুৱালেগৈ। সিহঁতৰ অন্তৰত দপদপকৈ হিংসা-অগনি জ্বলি উঠিল। আগৰপৰাই সিহঁতে জেৰাৰ্ডক ভাল নাপায়, জেৰাৰ্ডেও সিহঁতৰ বিচাৰ নলয়। কিন্তু এই আনন্দৰ দিনত জেৰাৰ্ডে সিহঁতক বিচাৰি নানি নাথাকিল; তেওঁ সিহঁতকো ওচৰলৈ মাতি আনি হাতে হাতে একোটা খিলিং দিলে। জেৰাৰ্ডে সিহঁতৰ পৰা কোনো সাদৰ-সম্ভাষণ নাপালে। ইহঁতে লও-নলওঁকৈ ধনৰ লোভ সামৰিব নোৱাৰি খিলিং কেইটা হাতত লৈ হাঁহি একোটি মাৰি গুচি গল।

জেৰাৰ্ডে আহিয়েই মাকবাপেকক সেৱা জনালে আৰু কুশল বাতৰি আদি কলেহি। তেওঁলোকেও পুতেকক আশীৰ্ব্বাদ কৰি জলপান আদি খুৱাই নানা কথা-বাৰ্ত্তা সুধিলে। জেৰাৰ্ডে প্রদর্শনীত কেনেকৈ প্রবেশ কৰিলে, তাত কি কি দেখিলে, কি কি বঁটা পালে সকলোকে ভাঙি-পাতি জনালে। মাক বাপেক দুয়ো জেৰাৰ্ডে পোৱা মেডেলবোৰ চাই আনন্দতে জেৰাৰ্ডক পিঠিত চপৰিয়াবলৈ ধৰিলে। এলি আনন্দতে আপোনপাহৰা হৈ কেথেৰিনক কলে, "কেট, অলপ ৰবাচোন! মই আমাৰ ওচৰচুবুৰীয়া বন্ধুবোৰক এই শুভ সংবাদ কৈ আহোঁগৈ।"

বাপেকৰ মনৰ ভাব বুজি জেৰাৰ্ডে মাত লগালে, "পিতা, এয়ে কেৱল শুভ সংবাদ নহয়—আৰু আছে।"

"কি কি বাছা, কি আছে আৰু?" বুলি কৈ এলি একেবাৰেই ব্যস্ত হৈ পৰিল; জেৰাৰ্ডৰ মুখতে মুখখন লগাই দিলেগৈ।

জেৰাৰ্ড—"অলপেক ক্ষান্ত হোৱা পিতা। এতিয়াই সমুদায় বৃত্তান্ত জানিব পাৰিবা।" কিছু সময় থাকি জেৰাৰ্ডে আকৌ কলে, "পিতা, মোক কুঁৱৰী মেৰীয়ে প্রদর্শনীপৰা মাতি নিয়াইছিল। তেওঁ কৈছে, অতি সোণকালে আমাৰ গাৱঁৰ ওচৰতে এটা গির্জ্জা সাজি দিব আৰু মোক তাৰ ধৰ্ম্মযাজক নিযুক্ত কৰিব। তাৰ পিছত মই ক্রমে ধৰ্ম্মপুৰোহিত হবগৈ পাৰিম।"

এলি আৰু কেথেৰিন দুয়ো আনন্দতে উলহ-মালহ লগালে। তেওঁলোকৰ প্রিয়পুত্র জেৰাৰ্ড ধৰ্ম্মযাজক হব--কি সৌভাগ্য! আহা! যি খিতাপ-পদবী পাবৰ নিমিত্তে হাজাৰ হাজাৰ মানুহ ব্যাকুল, যাক হাজাৰ চেষ্টা কৰিলেও পোৱা টান, তেনে হেন জীৱনৰ উপায় আৰু গৌৰৱান্বিত পদবী আজি সুপুত্র জেৰাৰ্ডৰ ওপৰত আচৰিতভাৱে অর্পিত হৈছে, ইয়াতকৈ আৰু কি সুখ কি সৌভাগ্য আছে?

এই শুভ সংবাদ সকলোপিনে জনাজাত হল--জেৰাৰ্ড অলপতে টাৰ্গো নগৰৰ ধৰ্ম্মযাজক হব। সকলো শুনি আনন্দিত হল, কিন্তু টাৰ্গোত এজনৰ মনত এই শুভ সংবাদ শেল যেন বাজিল, তেওঁৰ দিনেৰাতিয়ে টোপনি নহাত পৰিল।

(আগলৈ)

শ্রীশান্তিৰাম দাস

---



# মহাৰাজ ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱ

## চতুৰ্থ অধ্যায়

### মণিপুৰীয়া ৰজা জয়সিংহ

ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱ ৰাজপাটত উঠাৰ বছৰচেৰেকৰ পাছত মণিপুৰৰ ৰজা জয়সিংহ বা কৰ্ত্তা মহাৰাজ মানৰ আক্রমণৰ পৰা পলাই আহি ৰক্ষা পাবলৈ আমাৰ স্বৰ্গদেৱৰ শৰণাপন্ন হয়হি। কবলৈ গলে, মণিপুৰৰ ৰজাৰ লগত এই লেনদেনেই স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনৰ সৰ্ব্বপ্রধান ৰাজনৈতিক ঘটনা।

চাৰিউপাশে পৰ্ব্বতশ্রেণীৰে ঘেৰিথকা মণিপুৰ ৰাজ্যখন অতি ধুনীয়া, তাক অসমৰ ফুলনিবাৰী বুলিলেও অত্যুক্তি কৰা নহয়। মহাভাৰতৰ মতে মণিপুৰৰ ৰজা চিত্রভানুৰ পৰম ৰূপৱতী কন্যা চিত্রাঙ্গদাৰ সৌন্দৰ্য্যত তীৰ্থপ্রবাসী পাৰ্থবীৰ বিমুগ্ধ হৈছিল। তেওঁলোকৰ পুতেক বভ্রুবাহনৰ বীৰত্ব-কাহিনী ভাৰতময় প্রসিদ্ধ, আৰু অসমত 'বভ্রুবাহন' ভাওনাৰ মাজেদি মণিপুৰৰ নাম অসমীয়াৰ মাজত বহুত দিনৰপৰা প্রখ্যাত।

মণিপুৰক অসমীয়া মানুহে মগলো বুলিছিল, আৰু মণিপুৰীয়াসকলে আমাৰ ৰাজ্যক 'তেখাও-লাইপাক্' অৰ্থাৎ দিখৌ-ৰাজ্য বুলিছিল; কাৰণ অসমৰ ৰজাসকলৰ কীৰ্ত্তিকলাপ আটাইকৈ দিখৌ নদীৰ পানীৰে পবিত্র হোৱা ঠাইবোৰত সিঁচৰতি হৈ পৰিছিল; সেইদেখি, দিখৌ অসম বুৰঞ্জীত বৰ প্রসিদ্ধ, আৰু বিদেশীসকলেও দিখৌ অঞ্চলকে আহোম সভ্যতাৰ কেন্দ্র-ভূমি বুলি ভাবিছিল।

মানহঁতে বহুত দিনৰপৰা এই সমৃদ্ধিশালী মণিপুৰ ৰাজ্যৰ ওপৰত চকু ৰাখিছিল, সিহঁতে কেবাবাৰো মণিপুৰ আক্রমণ কৰে আৰু মাজে মাজে মণিপুৰ ৰাজ্যত কিছু বছৰৰ কাৰণে থিতাপিও লৈছিল।

#### গৰিবনাৱাজ

১৬৩৬ শকত মণিপুৰৰ সিংহাসনত এজন বৰ বিক্রমশালী ৰজা বহিছিল, এওঁৰ নাম পামহেইবা বা গৰিবনাৱাজ। মানৰ লগত এওঁ বহুকাল ৰণ কৰে, আৰু এবাৰ মানৰ ৰাজধানী আৱা নগৰী এওঁৰ পদানত হওঁ হওঁ হৈছিল; কিন্তু এওঁৰ পিছত এওঁৰ পুতেকহঁতে গৰিবনাৱাজৰ বিক্রম আৰু দিগ্বিজয়ী শক্তি সংৰক্ষণ কৰিব নোৱাৰিলে। গৰিবনাৱাজৰ মৃত্যুৰ পিছত তেওঁৰ পুতেকহঁতৰ এজন এজনকৈ ৰজা হয়। কিন্তু তেওঁলোকৰ মাজত হোৱা বিৰোধ আৰু খোৱা-কামোৰাৰ পৰা দেশত বিষম অমঙ্গলৰ সূত্রপাত হয়। গৰিবনাৱাজৰ দৰে অইন দেশৰ ভালবস্তু গ্রহণ কৰিব পৰা শক্তি পুতেকহঁতৰ নাছিল। গৰিবনাৱাজৰ দিনত মণিপুৰৰ ৰজাই শ্রীমদ্ভাগৱত পুথি নি মণিপুৰ ৰাজ্যত প্রচাৰ কৰিছিল। কিন্তু তেওঁৰ পুতেকহঁতে কাজিয়া-খৰিয়াল আদিতে কাল কটাইছিল; এনে কি, ৰাজকোঁৱৰ এজনে হত্যাকাৰীক উছটাই দিপিতৃৰজা গৰিবনাৱাজক বধ কৰিছিল বুলি বহুতে বিশ্বাস কৰে। অৱশেষত গৰিবনাৱাজৰ পুতেক মোৰাম্বা ৰজা হয়। মোৰাম্বাৰ মৃত্যুত ১৬৮২ শকত জয়সিংহ কৰ্ত্তা মহাৰাজ মণিপুৰৰ ৰাজপাটত উঠে।

#### জয়সিংহ

আহোম স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ মিত্র-সম্বন্ধীয়া মণিপুৰীয়া জয়সিংহ ৰজা মণিপুৰৰ বুৰঞ্জীত অতি প্রসিদ্ধ। জয়সিংহৰ বিষয়ে মণিপুৰত বহুত মালিতা বা গীত প্রচা-

ৰিত আছে, সেইবোৰ মালিতাক মণিপুৰীয়াসকলে নিংথৌৰল্, বা নৃপতি-কাহিনী বোলে। এই জয়সিংহৰ কেবাটাও নাম—প্ৰথম, কৰ্ত্তামহাৰাজ; দ্বিতীয়: ভাগ্যচন্দ্ৰ তৃতীয় সুংনাংখোম্বা; চতুৰ্থ চিঠংখোম্বা: পঞ্চম জয়সিংহ। ১৬৬১ শকত জয়সিংহৰ জন্ম হয়। তেওঁৰ পিতৃদেৱ শ্যামছাই মণিপুৰৰ প্ৰবল পৰাক্ৰান্ত ৰজা গৰিবনাৱাজৰ জ্যেষ্ঠ পুত্ৰ; জয়সিংহৰ মাতৃদেৱীৰ নাম চখামাৰিং-লৈ-খুম্বী আছিল; মণিপুৰৰ প্ৰথামতে নানান বীৰোচিত বিদ্যাত জয়সিংহই সৰুকালত শিক্ষা পাইছিল, আৰু ৰজা-ঘৰীয়া অধ্যাপকে তেওঁক পুৰাণ আৰু ইতিহাসত শিক্ষা দি এজন সুপণ্ডিত কৰিছিল।

জয়সিংহৰ পোন্ধৰ বছৰ বয়সত পিতাক শ্যামছায়ে গৰিবনাৱাজৰ লগত মানৰ বিৰুদ্ধে যুদ্ধবিগ্ৰহাদিত লিপ্ত থকা কালত, জয়সিংহৰ আত্মীয় কুটুম্বসকলে তেওঁৰ প্ৰাণ-হত্যাৰ ষড়যন্ত্ৰ কৰে। জয়সিংহই হাতত অস্ত্ৰ লৈ নগা-পাহাৰৰ ফালে পলাই গৈ পৰ্ব্বতে-পাষাণে ফুৰিবলৈ ধৰিলে।

ইতিমধ্যে জয়সিংহৰ দদায়েক জিতছায়ে গৰিবনা-ৱাজ আৰু শ্যামছাইক বধ কৰি মণিপুৰৰ সিংহাসন অধিকাৰ কৰে; কিন্তু এই হত্যাকাণ্ডত প্ৰজা বিষয়া সকলো অসন্তুষ্ট হৈ জয়সিংহক বিচাৰ-খোচাৰ কৰিবলৈ ধৰিলে, জয়সিংহই নগাপৰ্ব্বতৰ পৰা উভটি আহি মণিপুৰৰ ৰাজধানী পায়হি, কিন্তু কিবা চক্ৰান্তত তেওঁৰ সলনি তেওঁৰ ককায়েক মোৰাম্বা ৰজা হয়, আৰু জয়সিংহ যুৱৰাজ পদবীত অধিষ্ঠিত হয়।

## মানৰ মণিপুৰ আক্ৰমণ

প্ৰথম আক্ৰমণ— মোৰাম্বাৰ ৰাজত্বকালত মান সৈন্যই বৰ্ম্মা আৰু মগলু দেশৰ মাজত থকা ৰাজ্য অধি-কাৰ কৰিবৰ অভিপ্ৰায়ে মণিপুৰ অভিমুখে যাত্ৰা কৰে। ১৬৮১ শকৰ পুহ মাহত জয়সিংহই আনন্দছাই সেনাপতি প্ৰমুখ্যে ছাইখো থাৱম্লাখ্পা আৰু মোংজাম্বা মহাৰাফ্পা আদি বীৰসকলৰ সৈতে মানৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰে। ভামু নামে ঠাইত মণিপুৰীয়া সৈন্য তিষ্ঠিব নোৱাৰি কাকৃচিং নামে আন এডোখৰ ঠাইত কোঠ পাতি ৰয়হি। এই ঠাইতে মোৰাম্বাই ভায়েক যুৱৰাজক সৈনাসহিতে যোগ দিয়েহি। কিন্তু অৱশেষত বৰ্ম্মা সৈন্যই যুদ্ধত জিনে; মোৰাম্বা আৰু জয়সিংহক পৰ্ব্বতৰ ফালে খেদি দিয়ে। ন দিনৰ পাছত কিছুমান নগা সৈন্য লগত লৈ মানেৰে সৈতে যুদ্ধ কৰি জয়সিংহই সিহঁতক মগলু দেশৰপৰা বাজ কৰি দিয়ে।

দ্বিতীয় আক্ৰমণ — ১৬৮২ শকত মোৰাম্বাৰ মৃত্যু হয়। সেই শকৰ বহাগ মাহত জয়সিংহই তেওঁৰ কুঁৱৰী অথামহাৰাণীৰে সৈতে মণিপুৰৰ সিংহাসনত অভিষিক্ত হয়। ৰজা হোৱাৰ অলপ কালৰ পাছতে জয়সিংহই বৰ্ম্মাৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰে, ছানজক্ নামে প্ৰদেশৰ বৰ্ম্মা ৰজাক জয়সিংহই শৰণাগত কৰে, তাৰ ওচৰচুবুৰীয়া গাওঁ-ভুঁই লুৰি মোৱাওলৈকে বৰ্ম্মাৰ তলতীয়া ৰাজ্য মণিপুৰৰ কৰ-তলীয়া কৰে। ইয়াৰ পূৰ্ব্বে মানহঁতে সেই ঠাইত মণিপুৰ দিগ্বিজয়ৰ চিনস্বৰূপে এটা মন্দিৰ প্ৰতিষ্ঠা কৰিছিল, জয়সিংহই এইবাৰ সেই মন্দিৰ ভাঙ্গি সেই স্মৃতিচিহ্ন ভূমিস্যাৎ কৰে।

১৬৮৪ শকত জয়সিংহই বিশেষ বন্দোবস্ত কৰি মান সৈন্য মণিপুৰৰপৰা খেদাবৰ কাৰণে বৃটিশৰ সহায় বিচাৰে। বৃটিশ্ সৈন্যই গৈ বদৰপুৰৰ ওচৰতপকা খাছপুৰ পালেগৈ; কিন্তু বৰষুণ আৰু বেমাৰত তেওঁলোকৰ বিশেষ কষ্ট হোৱাত আৰু জয়সিংহই পূৰ্ব্বৰ কথা মতে খৰচ-পাতি দিবলৈ অসমৰ্থ হোৱাত বৃটিশ্ সৈন্য বঙ্গদেশলৈ উভটি গল।

তৃতীয় আক্ৰমণ — মণিপুৰ ৰাজ্যখন চাৰিখন সৰু সৰু প্ৰদেশত বিভক্ত। জয়সিংহৰ মোমায়েক খেলৈঙ্গুংনাং তেলহৈবা মণিপুৰৰ অন্তৰ্গত মৈৰাং নামে প্ৰদেশৰ ৰজা-পোৱালি আছিল। তেওঁৰ ৰাজ্য তেনেই সৰু হোৱাত তাক বঢ়াবৰ অৰ্থে তেল্হৈবাই ভাগিনীয়েক জয়সিংহক কিছু গাওঁ-ভুঁই খুজিলে। জয়সিংহ ইয়াত সন্মত নহল। তেল্হৈবাই ভাগিনায়েকৰ হাতত এইদৰে বিফলমনোৰথ হোৱাত তেওঁক অনিষ্ট কৰিবৰ দুৰ্ভিসন্ধি মনত ৰোপণ কৰিবলৈ ধৰিলে, কিন্তু লোকেদেখাকৈ জয়সিংহৰ লগত



পৰম মিত্ৰৰতে আচৰণ কৰি থাকিল। তেল্হৈবাই বৰ্ম্মাৰ ৰজালৈ গোপনে কটকী পঠিয়াই কিছুমান সৈন্য ভিক্ষা কৰিলে। সেই সৈন্য মণিপুৰলৈ যাত্ৰাকৰাত তাৰ কাৰণে বিশেষ শঙ্কিত নহবলৈ জয়সিংহক মোমায়েকে উপদেশ দিলে। মোমায়েকৰ কু চক্ৰান্তৰ কথা পেটে পেটে সম্ভেদ পাই জয়সিংহই সেনাপতি হৰিবৰণ সিংহৰ লগত ১৬৮৭ শকৰ পুহ মাহত কিছুমান মগলু সৈন্য দি বৰ্ম্মাৰ বিৰুদ্ধে যাত্ৰাকৰালে।

মান সৈন্যই তেলহৈবাৰ সহায়ত মণিপুৰীয়া সৈন্যৰ শক্তিৰ আৰু গতি-বিধিৰ সকলো তলা-নলাৰ সম্ভেদ পাই আছিল। সেইদেখি সিহঁতক পৰাস্তকৰা মণিপুৰীয়া সৈন্যৰ পক্ষে একপ্ৰকাৰ অসম্ভৱ হৈ উঠিল। জয়সিংহই নিজেই যুদ্ধযাত্ৰা কৰিলে। এইবাৰ ৰণত মণি-পুৰৰ চাৰিজনা বীৰপুৰুষে প্ৰাণত্যাগ কৰে—হৰিদাস বাবাজী, নাকন্বা হাজাৰি, শ্ৰীমন্ মেঙ্কম্ মুকুন্দসিংহ, পালকৃচান্দা সিংহ। এই যুদ্ধত মণিপুৰীয়াহঁত পৰাস্ত হয়, আৰু ১৬৮৮ শকত জয়সিংহ কাছাৰলৈ পলাই যায়, তাতে তেওঁৰ কুঁৱৰী আৰু পুতেক ভৱানন্দৰ মৃত্যু হয়। তেওঁৰ লাৱণ্যচন্দ্ৰ আৰু মধুচন্দ্ৰ নামে আন দুজনা কোঁৱৰক মানে ধৰি লৈ যায়।

মানহঁতে জয়সিংহৰ মোমায়েকক সিংহাসনত বহুৱাই পুতলা ৰজা পাতি নিজে ৰাজ্যশাসন কৰিবলৈ ধৰে। এই কাল ডোখৰকে মণিপুৰীয়াহঁতে 'খুন্টাকৃপা' বা অৰাজক বুলি কয়। জয়সিংহই দেশলৈ উভটি মোমায়েকক সিংহাসনৰপৰা খেদাই পুনৰ ৰজা হয়। কিন্তু মানৰ মিত্ৰ 'তেল্হেইবাক্' সিংহাসনচ্যুত হোৱা দেখি মানৰ সেনা পুনৰ মণিপুৰলৈ আহি জয়সিংহক যুদ্ধত হেৰুৱায়। জয়সিংহই পুনৰ স্বৰাজ্য এৰি দেশান্তৰী হয়।

## জয়সিংহৰ মণিপুৰত্যাগ

মণিপুৰ এৰি আহোঁতে জয়সিংহই এদিন এটা শিলৰ ওপৰত থিয় হৈ এইদৰে কাকুতি কৰে, 'হে শিলা, তুমি কোমল হোৱা; মই যদি পুনৰ সিংহাসন পাওঁ, তেন্তে তুমি মোৰ পদচিহ্ন গ্ৰহণকৰি মোৰ বিশ্বাস জন্মোৱা।" প্ৰবাদ আছে, এই প্ৰাৰ্থনা শুনি শিল কোমল হল, আৰু তাৰ ওপৰত কৰ্ত্তামহাৰাজৰ ভৰিৰ খোজৰ চাব যুগমীয়া হৈ পৰি থাকিল। সেই পদশিলা বৰ্ত্তমানে কহিমাত ডেপুটী কমিশ্যনাৰৰ বঙ্গলাৰ পদূলিমুখত পৰি আছে।

তাৰ পাছত খাছপুৰলৈ আহি জয়সিংহই কছাৰী ৰজা সন্ধিকাৰীৰ আশ্ৰয় লয়। এই সন্ধিকাৰী অলপ দ্ৰোহাত্মক মানুহ আছিল। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে তেওঁক উজনীলৈ মাতি পঠিয়াওঁতে কছাৰী ৰজাই পূৰ্ব্বৰ ধাৰণামতে অসমীয়া কটকীক মুতুলি বিনাসম্ভাষণে পঠিয়াই দিলে। ইয়াত স্বৰ্গদেৱে এটা ডাঙৰ ফৌজ দি কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক কছাৰী ৰজাৰ বিৰুদ্ধে যাত্ৰা কৰাই ৰহাৰ ফালে পঠিয়ালে। এইবাৰ কছাৰী ৰজাই ভয় খাই নিৰ্বিবাদে উজনীলৈ যাবলৈ ওলাল। বৰবৰুৱাই উজনীলৈ আহি স্বৰ্গদেৱক সেৱা কৰি সকলো কথা জনালে।

ৰহাত আমাৰ ৰহীয়ালবৰুৱা চকীয়াল বিষয়া আছিল। জয়সিংহই অসমীয়া ৰজাক সাক্ষাৎ কৰিবৰ মনেৰে চকীয়াল বৰুৱালৈ গোহাৰি পত্ৰ পঠিয়ালে, আৰু কছাৰী ৰজায়ো এই গোহাৰি পত্ৰত যোগ দিলে। ৰহীয়ালবৰুৱাই গোপনে বৰবৰুৱালৈ খবৰ দি পঠিয়ালে। বৰবৰুৱাই স্বৰ্গদেৱলৈ সেইমতে জনাই পঠালে বোলে, "কছাৰী ৰজা, মণিপুৰীয়া ৰজা, দুয়ো ৰজাই স্বৰ্গদেৱৰ চৰণত শৰণাপন্ন হবৰ মনেৰে আহিব খোজে। সিহঁতে চকীয়ালবৰুৱাৰ জৰীয়তে আমালৈ এই বুলি কৈ পঠিয়াইছে। সেইদেখি স্বৰ্গদেৱলৈ মই জনাই পঠিয়ালো। যদি মই বন্দীক আজ্ঞা কৰে মই বন্দীয়ে দুয়ো ৰজাক আনি স্বৰ্গদেৱৰ পুণ্য প্ৰতাপৰ তলতে দুয়ো ৰজাক সেৱা কৰাব পাৰো। কছাৰী মণিপুৰীয়া দুয়ো ৰজাই কৈছে, আমাক বৰবৰুৱাই আহি নিয়কহি, এতেকতে মই বন্দীয়ে স্বৰ্গদেৱত জনাইছো।"

এই কথামতে স্বৰ্গদেৱে মণিপুৰ আৰু কছাৰী ৰজাক আনিবলৈ কীৰ্ত্তিচন্দ্ৰক আদেশ দিলে। চতুৰ বৰ-বৰুৱাই এই সুবিধা পাই স্বৰ্গদেৱক জনালে, "স্বৰ্গ-দেৱে মই বন্দীক আজ্ঞা কৰিছে, মই বন্দী যাম। স্বৰ্গদেৱে যেন মোৰ পো চোলাধৰা ফুকনক ডেকাবৰবৰুৱা নাম দিয়ে।" ৰজাই কলে, "বাৰু কোনো কথা নাই; চোলাধৰা

ফুকনক ডেকাবৰবৰুৱা পতা হব।” এই প্ৰতিজ্ঞামতে স্বৰ্গদেৱে বৰফুকন বহা ঠাইত চোলাধৰা ফুকনক বহিবলৈ দি ডেকাবৰবৰুৱা নাম দিলে। ১৬৮৭ শকৰ আহিন মাহৰ বিজয়া দশমীৰ দিনা যাত্ৰা কৰি অনেক প্ৰজা হাঁতী ঘোঁৰা আৰু আহিলা-পাতি লৈ বৰবৰুৱাই ৰহাৰ চকীত থানা কৰি থাকিল, তাৰেপৰা মণিপুৰ আৰু কছাৰী ৰজালৈ কটকী পঠাই জনালে, “দুয়ো ৰজাই আমালৈ কোৱাত আমিও স্বৰ্গদেৱৰ চৰণত জনাই আহিছো। এতেকে দুয়ো ৰজাই বিলম্ব নকৰি সোণকালে আহক।” এইমতে মণিপুৰৰ জয়সিংহ ৰজা, পুতেক যুৱৰাজ অনুপানন্দ, কছাৰীৰ সন্ধিকাৰী ৰজা, এই তিনিয়ে জেঠ মাহত ৰহাৰ চকীত বৰবৰুৱাৰ সৈতে সম্ভাষা হলহি। তেওঁলোকক দেখি হৰ্ষযুক্ত হৈ বৰবৰুৱাই সাত জাঁই হিলৈ জাঁই কৰালে আৰু অনেক ধৰণৰ আনন্দউৎসৱ কৰালে। সেই জেঠ মাহতে নাও নাৱৰীয়া আনিবৰ নিমিত্তে কলঙ্গৰপৰা লোহিত্যলৈ এটা জান খনাই দুয়ো ৰজা সহিতে সেই জানে ওলাই উজাই আহিল, আৰু পৰ্ব্বতত পাই হৰগৌৰীৰ মূৰ্ত্তি এখনো অসমৰ প্ৰাচীন কীৰ্ত্তিত গৌৰৱান্বিত হোৱা কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই উজনীলৈ আনিলে।

## উজনীত জয়সিংহ

স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ সম্মতিক্ৰমে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই মণিপুৰৰ ৰজা জয়সিংহ আৰু কছাৰীৰ ৰজা সন্ধিকাৰীক উজনীৰ ৰাজধানীলৈ নি স্বৰ্গদেৱৰ সৈতে ভেট কৰায়। অৱশ্যে এই কাৰ্য্যত সম্মতিপ্ৰকাশ কৰাৰ পূৰ্ব্বতে স্বৰ্গদেৱে পাত্ৰমন্ত্ৰী ডা-ডাঙৰীয়া সকলোৰে সৈতে ভালমতে পৰামৰ্শ কৰিছিল; কাৰণ বিদেশীক সাধাৰণতে ৰজাৰ ৰাজধানীত সোমাবলৈ দিয়া নিষিদ্ধ আছিল, তেনেকৈ সুবিধা পালে ৰাজধানীৰ সকলো তলানলা জানি লৈ জানোচা কেনেবাকৈ পাছলৈ স্বৰ্গদেৱক সঙ্কটত পেলায়। সেই ৰজাৰ ৰাজধানী গড়গাওঁ আৰু ৰংপুৰ আৰু ৰাজপ্ৰতিনিধি বৰফুকনৰ ৰাজধানী গুৱাহাটীৰ চাৰিওমেৰে ডাঙৰ দুৱাৰ থকা কেবাখনো চকী আছিল। সেই চকীত চকীয়াল বিষয়াই পালপাতি পৰ দিছিল, সন্ধ্যা হলেই আটাইকেইখন চকীৰ দুৱাৰ জপোৱা হৈছিল। তাহানি কোচবিহাৰৰ ঘনশ্যাম কাৰিকৰে অসমৰ ভিতৰুৱা কথা লিখি নিজ দেশলৈ লৈ যাবৰ মনস্থ কৰাত তেওঁৰ প্ৰাণদণ্ড হয়। আৰু মিৰজুম্‌লাৰ লগত অহা যোগল কটকীয়েও এবাৰ আক্ষেপ কৰি কৈছিল, “গড়গাৱঁৰ ঘৰবোৰ অতি বিতোপন; কিন্তু হায়! এই ৰাজ্য আমাৰ সম্ৰাটে নিজৰ সাম্ৰাজ্যৰ অন্তৰ্গত কৰিব নোৱাৰিলে! কোনো বিধৰ্ম্মীয়ে আমি পতিত হোৱা বিপদত নপৰাকৈ এই ৰাজধানীৰ মনোৰম বস্তবোৰ দেখিবলৈ নেপায়।”

১৬৮৮ শকৰ আঘোণৰ ১৬ তাৰিখে মণিপুৰীয়া ৰজা গড়গাওঁ পায়হি। তেওঁৰ লগত চাৰি হেজাৰ মানুহ আছিল আৰু আমাৰ স্বৰ্গদেৱলৈ মণিপুৰৰ ৰজাই কুৰিটা ঘোঁৰা, ছয় হেজাৰ ৰূপ টকা, আৰু মণিপুৰত তৈয়াৰ হোৱা নানা বৰণীয়া বিচিত্ৰ কাপোৰ স্বৰ্গদেৱলৈ ওলগ আনিছিল। স্বৰ্গদেৱৰ আদেশমতে দিখৌ নদীৰ সন্নিকটত মণিপুৰীয়া ৰজা আৰু কছাৰী ৰজাক বাহৰ সাজি দিয়া হল।

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই মণিপুৰৰ ৰজাক আনি স্বৰ্গদেৱলৈ জনাই পঠালে,—“মই বন্দীয়ে স্বৰ্গদেৱৰ পুণ্যপ্ৰতাপৰ বলেৰে দুয়োজনা ৰজাক লৈ আহিছো।” মণিপুৰীয়া ৰজা আৰু কছাৰী ৰজাক সম্ভাষা জনাবলৈ বৰচৰাত ডাঙৰ ৰাজসভাৰ আয়োজন হল। তিনিজনা ডাঙৰীয়া, ফুকন বৰুৱা সকলোকে পাগজেমা পিন্ধি বৰচৰাৰ সভাত বহিবলৈ স্বৰ্গদেৱে আজ্ঞা কৰিলে। দুয়ো ৰজাই স্বৰ্গদেৱক সেৱা কৰাৰ পাছত ৰজাই কলে,—“মই পূৰ্ব্বৰেপৰা উদয়গিৰিৰ স্বৰ্গদেৱৰ পুণ্যপ্ৰতাপৰ কথা শুনি আহিছো, এতিয়া ব্ৰহ্মাই আহি মোক নিজ ৰাজ্যৰপৰা খেদি দিছে, স্বৰ্গদেৱে মোক স্বদেশত সংস্থাপন কৰিবৰ কাৰণে মই মিনতি কৰিলো।” সেই দিনাখনৰ ৰাজসভা অতি বিচিত্ৰ হৈছিল। জয়ানন্দৰ জোৰাই স্বৰ্গদেৱৰ আগত পাখোৱাজ গান কৰিছিল। অসমীয়া নৃত্যগীতৰ সুমধুৰ ছন্দ আৰু ধ্বনি আৰু অসমীয়া স্বৰ্গদেৱ আৰু ডাঙৰীয়া বিষয়াৰ সাজ-সজ্জা দেখি এই দুই ৰজাই বৰ বিস্ময় মানিছিল।

স্বৰ্গদেৱে সভাভঙ্গ কৰি দুয়ো ৰজা আৰু পাত্ৰমন্ত্ৰী বিষয়াসকলক বিদায় দিলে, আৰু মণলুৰ ৰজাৰ সাহায্য



ভিক্ষাৰ কথা ভালকৈ আলচিবলৈ তিনিজনা ডাঙৰীয়া আৰু বৰবৰুৱাক নিজৰ চাঙলৈ লৈ গল। বৰবৰুৱাই স্বৰ্গদেৱক সেৱা কৰিলে। স্বৰ্গদেৱে সুধিলে,—“যি কাৰ্য্যে গৈছিলা সেই কাৰ্য্য সিদ্ধি হল। পথ-প্ৰবাসত ভয়ভ্ৰান্তি কিমান পালা? লোক-জন বা কিমান হানি হল? আহিলা বা কত দিনে? ইঠাই পাবৰ হল কত বেলি?” বৰবৰুৱাই স্বৰ্গদেৱক কলে,—“স্বৰ্গদেৱ আৰু ঈশ্বৰ-ঈশ্বৰীৰ পুণ্যপ্ৰতাপৰ বলে মই বন্দীয়ে মণিপুৰীয়া ৰজা জয়সিংহ আৰু কছাৰী ৰজাৰ মাকত চপা সন্ধিকাৰী ৰজাকো অনা হৈছে, আৰু হৰগৌৰীৰ মূৰ্ত্তি এখনিও অনা হৈছে।” স্বৰ্গদেৱে এইদৰে কাৰ্য্য সিদ্ধিহোৱা দেখি বৰবৰুৱাক অশেষ প্ৰশংসা কৰিলে, আৰু ডাঙৰীয়াবোৰক আৰু বৰবৰুৱাক বঁটা দিয়াই চাঙৰপৰা বিদায় দিলে। স্বৰ্গদেৱে বৰবৰুৱাক সাজ খুৱালে।

বৰবৰুৱাই এইদৰে স্বৰ্গদেৱৰ কাৰ্য্যত সিদ্ধিলাভ কৰি কীৰ্ত্তিমন্ত হোৱাৰ কাৰণে তেওঁৰ পূৰ্ব্বৰ নাম গেন্ধেলা গুচাই স্বৰ্গদেৱে কীৰ্ত্তিচন্দ্ৰ থলে, আৰু তেওঁক এইৰূপে মৰ্য্যাদা দিলে,—বৰবৰুৱাই তেওঁৰ জাপীত সোণৰ চুলা লগাব পাৰিব, আৰু বৰচ’ৰাত বহিবলৈ একচটীয়া মখমলৰ তলছা এখন পাব, আৰু বৰদুৱাৰৰ মুখৰপৰা বহাঘৰলৈ আহোঁতে-যাওঁতে পেপা বৰবৰুৱাৰ আগত গাইবাই যাব।

## শ্যামো বা হস্তিপৰীক্ষা

এনে সময়ত জয়সিংহৰ মোমায়েক তেলহেইবাৰ পৰা স্বৰ্গদেৱলৈ গোপনে এখন চিঠি আহিল। তাৰ মৰ্ম্ম এই,—“জয়সিংহ নামধাৰী যি মানুহটোৱে অসমীয়া স্বৰ্গদেৱৰ শৰণাপন্ন হৈছে সি মণিপুৰৰ ৰজা নহয়; সি এটা গুপ্তচৰ, আৰু স্বৰ্গদেৱৰ বিষম শত্ৰু। স্বৰ্গদেৱে ইয়াক তুৰন্তে বধ কৰি নিজৰ মঙ্গল চিন্তা কৰক।” এই চিঠি পাই স্বৰ্গদেৱৰ দোধোৰ-মোধোৰ লাগিল। পাত্ৰ-মন্ত্ৰীসকলৰে সৈতে পৰামৰ্শ কৰি স্বৰ্গদেৱে মণিপুৰীয়া ৰজাক হস্তিপৰীক্ষা কৰিবলৈ মনস্থ কৰি জয়সিংহক ক’লে, “আমি থাকোঁ ইয়াত, তুমি থাকা সুদূৰ মণলু দেশত; তুমি তাৰ প্ৰকৃত ৰজা হোৱানে নোহোৱা আমি কেনেকৈ জু পাম? তোমাক হস্তিপৰীক্ষা কৰা হব। সেই পৰীক্ষাত তুমি যদি উঠিব পাৰা, তেহে তোমাক আমি মণিপুৰৰ ৰজা বুলি মানিম।” সেইদিনা জয়সিংহই ৰাতি এটা বিচিত্ৰ সমাজিক দেখিলে। ৰাধাকৃষ্ণৰ যুগলমূৰ্ত্তি তেওঁৰ সমুখত ঠিয় হৈ কলে, “কাইলৈ তোমাৰ হস্তিপৰীক্ষা। হস্তীয়ে তোমাৰ মূৰৰ চুলি এডালো নষ্ট নকৰে। স্বৰ্গদেৱৰ সহায়েৰে তুমি পুনৰ সিংহাসন লাভ কৰিব পাৰিবা। তুমি এই সমাজিকৰ কথা নাপাহৰিবা, আৰু পাছলৈ মণিপুৰৰ সিংহাসনত প্ৰতিষ্ঠিত হৈ ৰাধাগোবিন্দৰ দুইমূৰ্ত্তি নিৰ্ম্মিত কৰি মণিপুৰৰ ৰজাঘৰত তাক প্ৰতিষ্ঠিত কৰি তাৰ যথাৰীতি সেৱা-পূজাৰ অনুষ্ঠান কৰিবা।”

পাছদিনা স্বৰ্গদেৱে এটা গড় সজালে, সেই গড়ত এটা বলিয়া হাঁতী থলে, আৰু জয়সিংহক গড়ৰ ভিতৰত সুমুৱাই হাঁতীৰ সমুখা-সমুখি কৰিলে,— যদি জয়সিংহৰ কথা সঁচা তেন্তে তেওঁক হাঁতীয়ে একো অনিষ্ট নকৰে, যদি তেওঁৰ কথা মিছাহে হয়, তেন্তে হাঁতীয়ে তেওঁক ভৰিৰে গচকি পেটৰ নাড়ীভুৰু উলিয়াই বাজ কৰিব। জয়সিংহই ঈশ্বৰক চিন্তি গড়ৰ ভিতৰত সোমাই হাঁতীৰ সমুখত ঠিয় হল; কিন্তু ঈশ্বৰৰ কি অলৌকিক লীলা, হাঁতীয়ে অতি আলফুলকৈ শুঁৰেৰে জয়সিংহক লাহেকৈ দাণ্ডি পিঠিত তুলি ললে। এই দৃশ্য দেখি কেউফালে ৰাইজে হৰিধ্বনি কৰিবলৈ ধৰিলে। ৰজা, পাত্ৰ-মন্ত্ৰী, সকলোৱে এতিয়া নিশ্চিন্তে ঠাৱৰ কৰিলে যে জয়সিংহ প্ৰকৃততে মণিপুৰৰ ৰজা, তেলহেইবাৰ চিঠিখন কিবা এটা কুচক্ৰান্তৰপৰা লিখা।

জয়সিংহ মহাৰাজাই সমাজিকমতে পুনৰ সিংহাসন লাভ কৰাৰ পাছত কঠাল কাঠেৰে ৰাধাকৃষ্ণৰ মূৰ্ত্তি নিৰ্ম্মাণ কৰি তাৰ সেৱাপূজাৰ ব্যৱস্থা কৰি দিয়ে। সেই মূৰ্ত্তি এতিয়ালৈকে মণিপুৰৰজাৰ কাৰেঙত প্ৰতিষ্ঠিত হৈ আছে আৰু তাৰ পূজা-পাটল পূৰ্ব্বৰ ৰীতিমতে চলি আহিছে।

এই হস্তী বা শ্যামোপৰীক্ষাৰ কথা আমাৰ অসম-বুৰঞ্জীবোৰত নাই, কিন্তু মণিপুৰীয়া মানুহৰ মাজত নিংথৌৰল আদিত সেই বিষয়ে এটা বহুদিনীয়া প্ৰবাদ প্ৰচলিত আছে।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

# ছুলতানা ৰেজিয়া

সি প্ৰায় সাত শ বছৰৰো অধিক দিনৰ কথা। তেতিয়া হিন্দু ৰাজত্ব শেষ হৈছে আৰু তুৰ্কীবিলাকে নতুন উছাহে সাম্ৰাজ্যস্থাপনৰ আশাত অকাতৰে শৰীৰৰ তেজ বোৱাইছে; চাৰিওফালে বিদ্ৰোহ, গোটেই ভাৰতজুৰি অশান্তি। এই বিপ্লৱ যুগত এজনী মুছলমান বীৰাঙ্গনাই অসাধাৰণ দক্ষতাৰে ৰাজ্য ৰক্ষাকৰিবলৈ চেষ্টা কৰে। এৱেঁই ছুলতানা ৰেজিয়তুদ্দ্ নিয়া-ৱা-উদ্দীন। ৰেজিয়াৰ জীৱন-কাহিনী বৰ্ণনাকৰাৰ পূৰ্ব্বে ভাৰতত মছলমান ৰাজত্ব-স্থাপন সম্বন্ধে দুআষাৰমান কোৱা যাওক।

## (১) ভাৰতত মছলমান ৰাজ্য স্থাপন

গিয়াছুদ্দিন গজনীৰ ওচৰীয়া ঘোৰ ৰাজ্যৰ ৰজা। তেওঁৰ ভায়েক ছিহাবুদ্দিন মহম্মদ— যাৰ নাম বুৰঞ্জীত মহম্মদ ঘোৰী বুলি জনাজাত। ১১৯১ খৃষ্টাব্দত ছিহাবুদ্দিন প্ৰথমবাৰ ভাৰত জয়কৰিবৰ অভিপ্ৰায়ে আহিলত সেই সময়ৰ দিল্লী আৰু আজমীৰৰ প্ৰবল প্ৰতাপী ৰজা পৃথ্বীৰাজৰ লগত কুৰুক্ষেত্ৰৰ ওচৰত থকা তৰায়েন নামে ঠাইত যুদ্ধ হয়। যুদ্ধত হাৰি ছিহাবুদ্দিনে পলাই আত্মৰক্ষা কৰে। ৰাজ্য-শাসনৰ লোভ সামৰিব নোৱাৰি তাৰ পিছৰ বছৰ অধিক সৈন্য-সামন্ত লৈ দুগুণ উছাহে ছিহাবুদ্দিন ভাৰত সোমায়হি; তৰায়েনত আকৌ পৃথ্বীৰাজৰ লগত যুদ্ধ হল; এই যুদ্ধত পৃথ্বীৰাজ নিহত হয় আৰু ছিহাবে জয়লাভ কৰে। ছিহাবুদ্দিনে নিজে ৰাজ্যশাসন নকৰি প্ৰধান সেনাপতি কুতুবুদ্দিন আইবকক ৰাজ্যভাৰ দি স্বদেশলৈ উলটি গল। কেইবছৰমানৰ মূৰত প্ৰভুৰ মৰণৰ খাতৰি পাই ইংৰাজী ১২০৬ চনত কুতুবুদ্দিন স্বাধীন ৰজা হয়।

কুতুবুদ্দিন পূৰ্ব্বে ছিহাবুদ্দিনৰ ক্ৰীতদাস আছিল। অসাধাৰণ ব্যুৎপত্তি আৰু কাৰ্য্যকুশলতাৰ বলত তেওঁ ছিহাবুদ্দিনৰ প্ৰিয়পাত্ৰ হয় আৰু ক্ৰমে সেনাপতি আৰু শেহত দিল্লীৰ ৰজা হয়। তেওঁ দাস আছিল বুলি তেওঁৰ বংশ "দাস বংশ" নামে পৰিচিত। ১২১০ চনত কুতুবৰ মৃত্যু ঘটাত তেওঁৰ এটি অযোগ্য পুতেকে কেইদিনমান ৰাজত্ব কৰিছিল; কিন্তু অকৰ্ম্মণ্য ৰজা সৰহ দিন তিষ্ঠিব নোৱৰাত কুতুবৰ ক্ৰীতদাস এল্‌তিমিছ দিল্লীৰ সিংহাসনত বহে। এল্‌তিমিছ জ্ঞানী আৰু সুদক্ষ লোক দেখি কুতুবে জীয়েকক এল্‌তিমিছৰ লগত বিয়া দিছিল।

চমছুদ্দিন এল্‌তিমিছে ৰাজ্যশাসন ভাৰ হাতত লৈ মহা সমস্যাত পৰিল। তেওঁ স্পষ্টৰূপে জানিব পাৰিলে যে তেওঁৰ সিংহাসন শত্ৰু-বেষ্টিত— আমীৰ ওমৰাহ, হিন্দু-মুছলমান সকলো তেওঁৰ শত্ৰু, সুতৰাং ৰাজ্যৰক্ষাৰ্থে শাসন-ক্ষমতা অক্ষুণ্ণ ৰাখিবলৈ অনবৰত তেওঁ যুদ্ধ-বিগ্ৰহত ব্যাপৃত থাকিবলগা হৈছিল। তেতিয়া মুছলমান ৰাজত্ব, আন ঠাইৰ কথা দূৰে থাওক, দিল্লীতেই সুপ্ৰতিষ্ঠিত হোৱা নাছিল।

ছুলতানা ৰেজিয়া এল্‌তিমিছৰ প্ৰথম সন্তান। ৰেজিয়াৰ কাৰ্য্যতৎপৰতা, পাৰদৰ্শিতা আৰু অসাধাৰণ সাহসে ছুলতানৰ চিত্ত-আকৰ্ষণ নকৰি নোৱাৰিছিল। এল্‌মিতিছে সময়ে সময়ে কৈছিল যে ৰেজিয়া যদিও কন্যা তথাপি তাইৰ দেহত পুৰুষৰ সকলো গুণ সম্পূৰ্ণ বিৰাজিত। নিজ গুণৰ বলে ৰেজিয়াই পিতাকৰ ৰাজত্বকালতো নানা বিষয়ে চকু দিবৰ অধিকাৰ পাইছিল। ৰেজিয়াৰ ভায়েকহঁত বিলাসী, ৰাজ্যশাসনৰ অনুপযুক্ত, এই কথা এল্‌তিমিছে ভালকৈ জানিছিল। গোৱালিয়ৰৰ যুদ্ধৰ পিছত ৰেজিয়াকেই সিংহাসনৰ উত্তৰাধিকাৰিণী কৰিবৰ মনেৰে এল্‌তিমিছে এক ছনদ লেখিবলৈ হুকুম দিয়ে। সভাসদ-সকল এই কথাত অসন্তুষ্ট হৈ ছুলতানক আপত্তি জনায় যে আপোনাৰ পুত্ৰসকলৰ ভিতৰত নিশ্চয় এজন নহয় এজন সিংহাসনৰ উপযুক্ত হব। এনেস্থলত তেওঁবিলাকৰ এজনক ৰাজ্যভাৰ নিদি কন্যাক সিংহাসন দানকৰা যুক্তিসঙ্গত নহয়। এই কথাৰ উত্তৰত এল্‌তিমিছে কলে, "মোৰ সন্তানসকলৰ ভিতৰত ৰাজ্যশাসন আৰু ৰাজ্যৰক্ষাৰ সম্পূৰ্ণ



যোগ্যা পাত্ৰী কেৱল ৰেজিয়া। মোৰ কথাৰ ফলাফল তোমালোকে মোৰ মৰণৰ পিছত জানিবা।"

যেতিয়া চাৰিওফালে শত্ৰু, যেতিয়া ৰাজ্য-শাসনৰ নিমিত্তে দৃঢ়তা, কাৰ্য্যকুশলতা আৰু পাৰদৰ্শিতাৰ আৱশ্যক, সেই সময়ত এক ৰমণীৰ হাতত ৰাজ্যভাৰ সঁপি দিয়া সভাসদসকলে অনুচিত ভাবি ছুলতানৰ পুত্ৰ ৰুকুনুদ্দিন ফিৰোজছাহক ৬৩৩ হিজ্‌ৰীত ৰাজপাটত বহুৱায়। ৰুকুনুদ্দিন সৰুকালৰে পৰা ভোগবিলাসত মগ্ন; ৰজা হৈ বিলাস-বাসনা চৰিতাৰ্থ কৰিবৰ অৰ্থে ৰাজভঁৰালৰ ধন অকাতৰে খৰচ কৰিবলৈ ধৰিলে। কিছুমান কুসঙ্গী তেওঁৰ প্ৰিয়তম হৈ উঠিল। সিহঁতে ফিৰোজৰ লগলাগি তেওঁক অনেক কুকাৰ্য্য আৰু ভোগবিলাসত নিমগ্ন কৰাই ৰাজভঁৰাল লুট-কৰিবলৈ ধৰে। কিন্তু এল্‌তিমিছৰ কথা আখৰে আখৰে ফলিয়ালে। ফিৰোজ দিনেৰাতিয়ে বিলাসত মগ্ন,—শাসন-কাৰ্য্য চলাব লগাত পৰিল তেওঁৰ গৰ্ভধাৰিণী ছাহতুৰ্কান নামে এক দাসী। তুৰ্কানৰ নিষ্ঠুৰ প্ৰকৃতিৰ বাবে মৃত ছুলতানৰ অন্যান্য বেগমসকল মৃত্যু মুখত পৰে। মাতৃ আৰু পুত্ৰৰ অত্যাচাৰত আমীৰ আৰু অন্যান্য সভাসদ-সকল অসন্তুষ্ট হৈ উঠিল; ঠায়ে ঠায়ে ৰাষ্ট্ৰনৈতিক সভা-সমিতি বহিল। তেওঁবিলাকে তেতিয়া বুজিব পাৰিলে যে ছুলতানে যি সঙ্কল্প কৰিছিল, সেই সুন্দৰ ব্যৱস্থাত আমাৰ আপত্তি কৰা উচিত নাছিল। ইয়াৰ অলপ দিনৰ পিছতেই এল্‌তিমিছৰ আন এজন পুত্ৰ কুতুবুদ্দিনৰ চকু কঢ়া হয়। বিভিন্ন প্ৰদেশৰ শাসনকৰ্ত্তাসকলে এই কথা শুনি বিদ্ৰোহী হৈ উঠে। এনে সময়তে তুৰ্কানে ৰেজিয়াৰে সৈতে প্ৰকাশ্যভাৱে শত্ৰুতা কৰিবলৈ আৰম্ভ কৰে। তুৰ্কান আৰু তেওঁৰ পুত্ৰৰ অমানুষিক অত্যাচাৰত প্ৰজাও অসন্তুষ্ট হৈ উঠিল; নগৰীয়াসকলে ৰাজদুৰ্গ আক্ৰমণ কৰি ছাহ তুৰ্কানক বন্দী কৰিলে। কুতুব মিনাৰৰ ওচৰীয়া দুৰ্গত এল্‌তিমিছৰ বসতি আছিল আৰু ইয়াতেই তেওঁৰ ৰাজধানী আছিল। তুৰ্কী আমীৰ-ওমৰাতসকল একমত হৈ তেতিয়া ৰেজিয়াকে ৰাজপাটত বহুৱালে। এল্‌তিমিছৰ সঙ্কল্পও কাৰ্য্যত পৰিণত হল।

ফিৰোজ সেই সময়ত ৰাজধানীত নাছিল, পঞ্জাব বিদ্ৰোহ দমন কৰিবৰ অভিপ্ৰায়ে কুহ্‌ৰাম নামে ঠাইত চাউনী কৰি আছিল। ৰেজিয়াৰ লগত মাকৰ বিবাদ-বিসম্বাদৰ খাতৰি পাই তেওঁ ততালিকে ৰাজধানী দিল্লীলৈ উলটি আহিল। বৰ্ত্তমান যি ঠাইত হুমায়ুন বাদ্‌শ্যাহৰ কবৰ আছে, তাৰ পৰা দেৰ মাইলমান দক্ষিণ-পূবে কেলু-খেৰি নামে গাৱঁত ৰেজিয়াৰ সৈন্যৰে সৈতে ফিৰোজৰ ভেটাভেটি হয়। যুদ্ধত হাৰি ফিৰোজ বন্দী হয় আৰু ৬৩৪ হিজ্‌ৰীৰ ১৮ ৰবিয়ল আৱল তাৰিখে বন্দীশালতে তেওঁৰ প্ৰাণ-বায়ু অনন্তত লীন হয়।

## (২) ৰেজিয়াৰ ৰাজ্য-শাসন আৰু বিদ্ৰোহ-দমন

ৰাজ্যভাৰ লাভকৰা কালত ৰেজিয়াৰ বয়স মিচেই কম নাছিল। এল্‌তিমিছে যেতিয়া তেওঁক সিংহাসন অৰ্পণ কৰিবলৈ সঙ্কল্প কৰিছিল, তেতিয়া তেওঁৰ পুতেক সকলৰ বয়স ১৮।২০ বছৰৰ কম নাছিল। ৰেজিয়া পিতাকৰ প্ৰথম সন্তান। এল্‌তিমিছৰ নিচিনা এজন বিচক্ষণ মানুহে এনে এখন ৰাজ্যৰ ভাৰ নিশ্চয় কমবয়সীয়া ৰেজিয়াক দিব খোজা নাছিল। সুতৰাং ৰাজ্যভাৰ পোৱা সময়ত ৰেজিয়াৰ বয়স যে ২৫ বছৰৰ কম নাছিল, এনে অনুমান কৰা যায়।

ফিৰোজৰ কেইমাহমানৰ শাসনেই দেশত ঘোৰ অশান্তি আৰু বেমেজালি ঘটাইছিল। ৰেজিয়াৰ পক্ষে সুচাৰুৰূপে ৰাজ্য চলাবলৈ দুৰ্ঘোৰ চেষ্টা কৰিব লগা হৈছিল। এনে কঠোৰ পৰিশ্ৰম কৰিও তেওঁ সকলো বিপদৰ হাত সাৰিব নোৱাৰিলে। উজীৰ নিজামুল মুল্ক মহম্মদ জুনৈদী তেওঁৰ শাসনৰ তলতীয়া হৈ থাকিবলৈ অনিচ্ছুক হয় আৰু তেওঁ দূৰ-দূৰান্তৰ প্ৰদেশৰ ৰাজকৰ্ম্মচাৰীসকললৈ ৰাজ্ঞীৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি গুপ্ত চিঠি লেখিবলৈ ধৰে। ইয়াৰ ফলত মালিক ছাইফুদ্দিন, মালিক আলাউদ্দিন জানী, মালিক ইজ্জুদ্দিন ছালাৰী আদি শাসনকৰ্ত্তাসকল নিজামুল মুল্কৰ লগত যোগ হৈ ৰেজিয়াৰ অনিষ্টসাধন চেষ্টাত উঠিপৰি লাগিল।

ৰেজিয়া মহা সমস্যাত পৰিল। ফিৰোজৰ ৰাজত্ব কালত ৰেজিয়াৰ অনুগ্ৰহতে মালিক নছিৰুদ্দিন অযোধ্যাৰ সেনাপতি হয়। এই বিপদৰ সময়ত তেওঁ নছিৰুদ্দিনৰ

সাহায্যভিক্ষা কৰি তেওঁক সসৈন্যে আগবাঢ়িবলৈ জনালে। এই ঘটনাৰ পূৰ্ব্বে কনৌজৰ সেনাপতি তমুৰ খানি কিৰাণ ৰেজিয়াৰ আদেশত গোৱালিয়ৰ আৰু মালৱত যুদ্ধ জয় কৰিছিল। নছিৰুদ্দিনে বাতৰি পাই সসৈন্যে যাত্ৰা কৰিলে। গঙ্গা নৈ পাৰ হবলৈ ধৰোতে বিৰোধী আমীৰ আৰু মালিকসকলে হঠাৎ তেওঁক আক্ৰমণ কৰি পৰাস্ত কৰে, লগে লগে নছিৰৰ মৃত্যু হয়। বহুত দিন দিল্লী অৱৰুদ্ধ অৱস্থাতে থাকিল। অৱশেষত নিৰ্ভীক ৰেজিয়া ৰাজধানীৰপৰা বাহিৰ হৈ গৈ যমুনা নৈৰ দাঁতিত শিবিৰ কৰিলে। ইফালে তুৰ্কীত আমীৰসকলৰ লগত আমীৰসকলৰ মনোমালিন্য ঘটিল। ফলত মালিক ইজ্জুদ্দিন কবীৰ আৰু মালিক ইজ্জুদ্দিন ছালাৰী এই দুজন ৰাণীক সহায় কৰিবলৈ আগবাঢ়িল। এওঁবিলাকৰ বলতে বলীয়ান হৈ ৰেজিয়াই বিদ্ৰোহী দল বিচ্ছিন্ন কৰিলে, নিজামুল মুল্কে পলাই ফাট মাৰিলে।

এইবাৰ কিন্তু ৰেজিয়াৰ শাসন কঠিন ধৰণৰ, কিয়নো ষড়যন্ত্ৰ আৰু বিদ্ৰোহৰ সমূলে বিনাশ কৰিব নোৱাৰিলে তেওঁৰ ত্ৰাণ নাই। এতেকে শাসন-ৰান্ধ ঢিলা হলে ৰাজ্যৰক্ষা অসম্ভৱ হৈ উঠিব। এনে অশান্তিপূৰ্ণ ৰাজ্যৰ শাসন এক মহিলাৰ পক্ষে নিচেই সহজ নহয়। ৰেজিয়াই কাৰ্য্য-কলাপত বিশেষ মনোযোগ দিবলৈ ধৰিলে আৰু সকলো ফালে সুব্যৱস্থাৰ গতিকে ৰাজ্যলৈ পুনাই শান্তি আহিল। খাজা মুহজ্জব প্ৰধান মন্ত্ৰী আৰু কবীৰ খান-ই আয়াজ লাহোৰৰ শাসনকৰ্ত্তা হল। লক্ষণাৱতীৰপৰা দৈবাল আৰু দমৰিলা পৰ্য্যন্ত সকলো মালিক আৰু আমীৰে তেওঁৰ বশ্যতা স্বীকাৰ কৰিলে। লক্ষণাৱতীৰপৰা মালিক ইজ্জুদ্দিন তুগ্‌ৰিলি তুগান্ খাই সময়ে সময়ে ৰাণীলৈ অনেক বহুমূলীয়া ভেটি পঠিয়াবলৈ ধৰিলে। ৰেজিয়ায়ো তেওঁলৈ সন্মান জনাই ৰাজপতাকা আৰু চন্দ্ৰাতপ পঠিয়াইছিল। ৰেজিয়াৰ অনুগ্ৰহত মালিক হিন্দুখাঁ মূলতানৰ ওচৰৰ উচাহৰত জাগীৰদাৰ নিযুক্ত হৈছিল।

চমছুদ্দিনৰ মৰণৰ পিছত হিন্দুসকলে ৰন্থাম্ভোৰ দুৰ্গ অৱৰোধ কৰিছিল। ৰেজিয়াৰ আদেশত সেনাপতি কুতুবুদ্দিন হুছেনে অৱৰুদ্ধ লোকসকলক উদ্ধাৰ কৰিলে।

ৰেজিয়াৰ ৰাজ্যশাসন এনে সুন্দৰভাৱে চলিছিল যে কোনেও প্ৰতিবাদ কৰি মাত এষাৰকে মাতিব নোৱাৰিছিল। এই বিষয়ে তেওঁ বাপেকতকৈও একাঠি চৰা। কিছুমান দিনৰ পিছত ৰেজিয়াৰ এটি সামান্য কাৰ্য্যত আমীৰ ওমৰাহসকল ঈৰ্ষাপৰায়ণ হৈ উঠে। আমীৰি আখুৰ হাবচি (গোলাম) জামালুদ্দিন ইয়াকুব তেওঁৰ অশ্ব-শালাৰ পৰ্য্যবেক্ষক। এওঁৰ প্ৰতি ৰেজিয়াৰ বিশেষ অনুগ্ৰহ দেখি আমীৰসকলৰ সন্দেহ জন্মে আৰু এই ঈৰ্ষাৰপৰাই অসন্তোষৰ বীজ উৎপন্ন হয়।

ইয়াৰ লগে লগে আৰু এটা ঘটনাত আমীৰ ওমৰাহ সকল অসন্তুষ্ট হয়। ৰেজিয়াই এতিয়া স্ত্ৰীবেশ পৰিত্যাগ কৰি পুৰুষৰ সাজ পিন্ধি ঘোৰাত উঠি ফুৰিবলৈ ধৰে। এনে কিছুমান কথা লৈ মালিক আৰু আমীৰসকলৰ ভিতৰত তৰ্ক-বিতৰ্ক চলে। ৰেজিয়াৰ এনে আচৰণ কোনোৰকমেই তেওঁবিলাকৰ চকুত নেলাগিল। তেতিয়া সকলোৱে একমত হৈ স্থিৰ কৰিলে যে তেওঁবিলাক অন্ধ হৈ কিয় এক সামান্য নাৰীৰদ্বাৰা চালিত হব।

চাৰিওফালে যেতিয়া এনে অসন্তোষৰ কথা বিয়পি পৰিল, তেতিয়া ৰেজিয়াৰ পক্ষে ৰাজ্যৰ শুৰিধৰা ক্ৰমে কঠিন হৈ পৰিল। ৰাজ্যভাৰ গ্ৰহণ কৰি প্ৰথমে যিজনে উৎসাহ, বিশেষ পাৰদৰ্শিতা আৰু দৃঢ়চিত্ততাৰ পৰিচয় দিছিল, যাৰ শাসনবলত দেশত শান্তি স্থাপিত হৈছিল, তেৱেঁ সামান্য কাৰণে কিঞ্চিৎ অসাৱধানতা বা উপেক্ষাত প্ৰৱল মূৰ্ত্তি ধৰি ঠিয় দিলে। লাহে লাহে চাৰিওফালে বিদ্ৰোহ আৰম্ভ হল।

প্ৰথমে লাহোৰৰ শাসনকৰ্ত্তা মালিক ইজ্জুদ্দিন বিদ্ৰোহী হয়। ৰাণী সসৈন্যে গৈ হিজৰী ৬৭৩ ছনত তেওঁক বশীভূত কৰে আৰু মূলতানৰপৰা মালিক কৰাকুচ খাঁক আনি লাহোৰৰ শাসনকৰ্ত্তা পাতে আৰু কবিৰ খাঁক মূলতানলৈ পঠিয়ায়।

স্ত্ৰীলোকৰ পক্ষে একচেতিয়াভাৱে ৰাজ্য-শাসন ভাৰ লোৱা যুক্তিসঙ্গত নহয়। হাব্‌চি জামলুদ্দিনৰ প্ৰতি বিশেষ অনুগ্ৰহ দেখুৱাৰ কাৰণে তেওঁ পক্ষপাতিত্ব দোষত দোষী; দৰবাৰৰ ক্ষমতাশালী মালিক, আমীৰসকলৰ পক্ষে ই বাস্তৱিক অপমানৰ কথা।



ৰেজিয়া এতিয়া আল্‌তুনিয়াৰ সাহায্যত নষ্টসৌভাগ্য পুনৰুদ্ধাৰ কৰিবলৈ যত্নবান হল। আশাৰ সোঁতত তাহি ৰেজিয়াৰ শৰীৰত অদ্ভুত শক্তিৰ প্ৰবাহ প্ৰবাহিত হবলৈ ধৰিলে। তেওঁৰ তাবে পকা কেইজনমান আমীৰো আহি যোগ দিলে। দ্বিতীয়বাৰ সিংহাসন লাভৰ আশাত ৰেজিয়াই স্বামীসহ সসৈন্যে দিল্লীলৈ যাত্ৰা কৰিলে। মালিক ইজ্জুদ্দিন মহম্মদ ছালাৰী আৰু মালিক কৰাকুচ বিদ্ৰোহী হৈ দিল্লীত্যাগ কৰি তেওঁবিলাকৰ লগত মিলিলহি।

তেওঁবিলাক ৰাজধানীৰ ফালে যাত্ৰা কৰা শুনি দিল্লীৰ ছুলতান বহৰাম ছাহ সসৈন্যে তেওঁবিলাকৰ বিৰুদ্ধে আগ বাঢ়িল। (৬৩৮ হিজৰী মাহ ৰবিয়ল আৱল) ৰেজিয়াৰ সেনা যুদ্ধত ঘাটি চেদেলি-ভেদেলি হৈ পৰিল; ৰেজিয়া আৰু আলতুনিয়াই পলাই প্ৰাণৰক্ষা কৰিলে। নিষ্ঠুৰ সময়ে ৰেজিয়া আৰু আল্‌তুনিয়াৰ সংসাৰলৈ প্ৰলয়-পৰিবৰ্ত্তন আনি দুৱাৰদলিত ঠিয় দিয়ালেহি। যুদ্ধত হাৰি ৰেজিয়া ভৱৰ হিন্দালৈ উলটি গল। ইয়াৰ কিছুমান দিনৰ পিছত আকৌ সৈন্যসংগ্ৰহ কৰি নতুন ব্যৱস্থাত সিংহাসন অধিকাৰাৰ্থে যুদ্ধযাত্ৰা কৰে। আশাৰ সোণোৱালী সপোন তেতিয়াও অন্ত হোৱা নাই। এই দ্বিতীয় যুদ্ধ কইথল নামে ঠাইত হয়; কিন্তু বিধি বিমুখ, পৰাস্ত হৈ ৰেজিয়া আৰু আল্‌তুনিয়া বন্দী অৱস্থাত নিহত হয়। (৬৩৮ হিজৰী ৰবিয়ল আখেৰ) আশা, আকাঙ্ক্ষা, ৰাজ্যভোগ সকলো শেষ হল, দুনিয়াৰ লীলা-খেলাৰ ওৰ পৰিল। কইথল কৰ্ণালৰপৰা ৩৮ মাইল দূৰ আৰু দিল্লীৰ উত্তৰ-পশ্চিমমুৱাকৈ প্ৰায় ১০০ মাইল দূৰত।

ৰেজিয়াৰ ৰাজত্বকাল তিনি বছৰ তিনি মাহ; সেই সময়ত তেওঁৰ নামে প্ৰথমে যিবোৰ মুদ্ৰা অঙ্কিত হৈছিল তাত লিখা আছিল—"উম্দতুন্নিচুয়ান্ মালকায়ে জমান ছুলতান ৰেজিয়ৎ বিন্ত্‌ চমছুদ্দিন এল তিমিছ আৰু (আন পিঠিত) জৰ্ব নামে দেহলি চনেঃ ৬৩৪ জলুচি আহদ"। অৰ্থাৎ নাৰীশ্ৰেষ্ঠ বৰ্ত্তমান যুগৰ কৰ্ত্ৰী ছুলতান ৰেজিয়া চমছুদ্দিন এল্‌তিমিছৰ কন্যা দিল্লী নগৰত অঙ্কিত সিংহাসন আৰোহণৰ প্ৰথম বছৰ ৬৩৪ হিজৰী।

## (৩) ৰেজিয়াৰ চৰিত্ৰ

ৰেজিয়া সাধাৰণ ৰমণী নাছিল। ৰাজ অন্তঃপুৰত যিসকল মহিলাই আমোদ-প্ৰমোদ বিলাস-বাসনাত সময় কটাইছিল ৰেজিয়া যদি সেই প্ৰকৃতিৰ নাৰী হলহেতেন, তেন্তে তেওঁৰ বিচক্ষণ পিতা এলতিমিছে পুতেকসকললৈ আওকাণ কৰি আৰু আমীৰ মালিকসকলৰ পৰামৰ্শ অগ্ৰাহ্য কৰি তেওঁৰ এই কন্যাক সিংহাসনৰ উত্তৰাধিকাৰিণী নকৰিলেহেঁতেন। অধিক স্নেহত পৰি মানুহে অনেক কাম অনেক অসঙ্গত কামো কৰে; কিন্তু যি কাৰ্য্যৰ ওপৰত ৰাজ্যৰ শুভাশুভ, ভৱিষ্যত জীৱনৰ স্থায়িত্ব আৰু কল্যাণ নিৰ্ভৰ কৰে, তাত এজন কৰ্ত্তব্যজ্ঞানসম্পন্ন সম্ৰাট ইমান স্নেহাবদ্ধ হব নোৱাৰে। ৰেজিয়াৰ গাত ৰাজোচিত গুণ আৰু শাসনক্ষমতা দেখিবলৈ পাইছিল বুলিহে তেওঁৰ পিতাকে তেওঁক সিংহাসনৰ অধিকাৰিণী কৰিছিল। ৰেজিয়ায়ো সিংহাসনত উঠি ৰাজোচিত গুণৰ যথেষ্ট চিনাকী দিছিল। কিন্তু তাৰ পিছতেই ঘটনা চকৰি ঘূৰিল, সকলো ওলট-পালট হৈ গল। দূৰদৰ্শিতা, যি শাসন কাৰ্য্যৰ প্ৰধান সহায়, তাৰেই অভাৱত ৰেজিয়াৰ পতন হল।

প্ৰজাপালন, ৰাজ্যশাসন আৰু সৈন্য চলোৱাত ৰেজিয়াৰ পাৰদৰ্শিতা আছিল। পবিত্ৰ কোৰাণ তেওঁ সুন্দৰৰূপে বুজিছিল। আওৰংজেবৰ কন্যা জেবুন্নিছাৰ দৰে এওঁ সাহিত্য আৰু সাহিত্যিকসকলৰ উৎসাহদাত্ৰী আছিল।

ছাহজাহানৰ কন্যা জাহানাৰা আৰু আওৰংজেবৰ কন্যা জেবুন্নিছাৰ দৰে নাটক লিখকসকলৰ হাতত ৰেজিয়ায়ো অব্যাহতি পোৱা নাই। আকৌ সংসাৰত এনে এক শ্ৰেণীৰ মানুহ আছে যে তেওঁবিলাক নিজে চৰিত্ৰ-বলে বলীয়ান নহয়, অথচ সঁচাই-মিছাই পৰনিন্দা কৰিব পাৰিলে আনন্দ পায়। এজন ইংৰাজে লেখিছে, "Where facts are wanting fiction is ready." বাস্তৱিক এই কথা দুই কৰিব নোৱাৰি। ৰেজিয়াৰ কলঙ্ক কাহিনী নানাৰূপে বৰ্ণোৱা হৈছে, কিন্তু তাৰ কোনো বুৰঞ্জীমূলক প্ৰমাণ কোনোজনে দেখুৱাব পাৰিবনে ?

ৰাজত্বৰ শেষ ভোখৰত ৰেজিয়াই পুৰুষবেশে ঘোঁৰাত উঠি ফুৰিছিল। হাবছি জালালুদ্দিন ইয়াকুৎ তেতিয়া অশ্ব-শালাৰ প্ৰধান কৰ্ম্মচাৰী; ৰেজিয়াৰ সিংহাসনলাভৰ আগৰে পৰাই তেওঁ এই কাৰ্য্যত নিযুক্ত আছে বুলি সেই সময়ৰ বুৰঞ্জীলিখকসকলে কয়। ইয়াকুতে বেগমক ঘোঁৰাৰ ওপৰত উঠা সময়ত সহায়কৰা বাবে কোনো কোনোৱে হাবছিক ৰেজিয়াৰ প্ৰণয়-পাত্ৰ বুলিছে। নিজামুদ্দিনৰ তব্‌কাৎ-ই-আকবৰীত এই বিষয়ে বিশেষ কোনো উল্লেখ নাই। বদায়ুনীয়েও লেখিছে যে ইয়াকুৎ ৰেজিয়াৰ অনুগ্ৰহৰ পাত্ৰ হৈ উঠাত আমীৰ মালিকসকল জ্বলি উঠে।

কোনোজনে হয়তো কব পাৰে যে বিদ্ৰোহী দলে পক্ষপাতিতা দোষত ৰাজ্ঞীক বন্দী কৰিলে, কিন্তু প্ৰথমে হাব্‌ছিক হত্যা কৰিলে কিয়? ইয়াৰ উত্তৰ এই যে ইয়াকুতৰ ওপৰত ৰেজিয়াই বিশেষ অনুগ্ৰহ ঢালিদিয়া দেখি মালিক, আমীৰসকলৰ মনত সন্দেহ জন্মে। এই সন্দেহকে অৱলম্বন কৰি কোনো বুৰঞ্জীলিখকে কাৰো চৰিত্ৰত কলঙ্ক-কালিমা সানিব নোৱাৰে। এই যুগৰ প্ৰধান বুৰঞ্জীলিখক মিনহাজুদ্দিনে তব্‌কাৎ ই নাচিৰিত লেখিছে যে ইয়াকুৎ বেগমৰ প্ৰিয়পাত্ৰ হোৱাত আমীৰ আৰু মালিকসকল ঈৰ্ষাপৰায়ণ হয়। কোনোজনে কব পাৰে যে মিন্‌হাজে বেগমৰ অনুগ্ৰহত দিল্লীৰ নাচিৰীয় কলেজ আৰু গোৱালিয়াৰৰ কাজী পদ লাভকৰে, সেই-বাবে তেওঁ এই বিষয়ে নীৰৱ; কিন্তু ঘটনাৱলী পুঙ্খানু-পুঙ্খৰূপে ফঁহিয়াই চালে এই কথাৰ অমূলকতা উপলব্ধি কৰিব পাৰি।

## (৪) বিবাহ আৰু মৃত্যু

নিয়তিৰ কেনে নিষ্ঠুৰ ছলনা! কালি যাক সিংহাসনত তুলিছিল, আজি তেওঁক বন্দীশালত থৈছে। ৰেজিয়াৰ পক্ষে কাৰাবাস অতিশয় কষ্টকৰ হৈ উঠিল।

ইফালে তবৰহিন্দাৰ সামন্ত আলতুনিয়াই লাহে লাহে বুজিব পাৰিলে যে উচ্চ আশাৰ লোভত পৰি তেৱেঁই প্ৰথমে বিদ্ৰোহৰ সূত্ৰপাত কৰে। তেওঁৰ সহযোগীসকল দিল্লীত বিশেষ ক্ষমতাৱন্ত হৈ উঠিছে; কেৱল তেওঁহে দূৰত থাকি বৃথা সৌভাগ্য-কল্পনাৰ জাল বৈছে। আল-তুনিয়াই সহযোগীসকলৰ ওপৰত প্ৰতিশোধ লবৰ সুযোগ বিচাৰিবলৈ ধৰিলে। তেওঁ আকৌ নিজ মত পৰিবৰ্ত্তন কৰি ৰেজিয়াৰ মিত্ৰ হৈ উঠিল আৰু ৰাজ্ঞীক বিবাহৰ প্ৰস্তাৱ জনালে; যথাসময়ত তেওঁবিলাকৰ বিবাহ হৈ গল। তাৰ পিছত কিৰূপে দুয়োজন বন্দীশালত নিহত হয়, সেই কথা ওপৰত উল্লেখ কৰা হৈছে।

মহম্মদ আব্দুল হামিদ

---

# সাদৰীৰ মৃত্যু-শয্যা

## (১)

গাৱঁত সেইবাৰ ইনফ্লুৱেঞ্জাই পোনপ্ৰথমে দেখা দিয়ে। আই-এ পৰীক্ষা দি মই ঘৰলৈ গৈছো, গৈয়েই নৰীয়া পৰিছো। পোনতে ইনফ্লুৱেঞ্জাৰ একো লক্ষণকে দেখা নগৈছিল, মাথোন কেদিনমান ধাৰাবাহিক জ্বৰ, গাত চেতন নাই। তেনে অৱস্থাতে এদিন সন্ধ্যা লাগি গুপাৰ পিছত মই ঢাৰি-পাটিত পৰি আছো,— চকু দুটা জাপ গৈ আছে, কিন্তু কাণ দুখন সাৰে আছে। এনেতে যেন মোৰ মুৰশিতানত বহি কোনোবাই "জ্বৰ কেনে কৰিছে?" বুলিলে! পিছ মুহূৰ্ত্ততে কোনোবাই কপালত হাত দি চোৱা গম পালো,—সেই স্পৰ্শৰ পৰাই যেন তাৰ কৰ্ত্তাজনৰ বিষয়ে কিবা এটা বেছ অনুমান হৈ গৈছিল! কিন্তু তেনেতে চকু দুটা মেল খালে।—তেতিয়াও যেন মই মোৰ সেই সুখ-কল্পনাতে। কাৰণ মনে মনে যাৰ ছবি আঁকিছিলো, উমানত যাক ধৰিছিলো, চকুৰ আগতো তেৱেঁ।

মোক চকু মেলি চোৱা দেখি তেওঁ আকৌ কলে,— 'জ্বৰ হৈছে বুলি মই আজিহে খবৰ পালো।' কাৰাবাৰ কুসুম-প্ৰাণত দুখৰ অলপ সঞ্চাৰ হোৱা যেন বোধ হল। সেইদেখি বাধা দি কলো,— 'নাই, জ্বৰ হোৱা আজি তিন-দিনহে হৈছে; সেইদিনা গধূলি তোমালোকৰ ঘৰৰপৰা আহোতেই পাটো অলপ বেয়া লাগি আহিছিল, ৰাতিলৈ দেখোন তমোময় জ্বৰ উঠিল।' তেওঁ কলে, 'বেছি কথা কব নেলাগে, গাত জ্বৰ এতিয়াও ভালকৈয়ে আছে; সেইদেখি অলপ শোৱাঁ।'' এনেতে আইতাই আহি তেওঁক এখন ভামোল দিলেহি, মোৰ সেই কেদিন গাত চেতন নথকাৰ কথাও কলে। তাৰ পিছত আইতা আকৌ গুচি গল। অলপ পৰ থাকি তেওঁ করুণ চাৱনেৰে মোক মেলানি মাগিলে, অন্তৰৰ নীৰৱ তাঁৰ এদালি যেন তাৰ আঘাত লাগি কঁপি উঠিল! তেওঁ লাহে লাহে উঠি গল। মোৰ মুৰ-শিতানৰপৰা ভালেমান পৰৰ মূৰত এটি দেৱদূত উঠি যোৱা যেন লাগিল। মূৰশিতান শুদা হৈ গল,— তাৰ লগতে যেন অন্তৰো!

## (২)

জ্বৰৰ লগতে কাহো আৰম্ভ হল, লগে লগে গাৰ বিষো। ইন্‌ফ্লুৱেঞ্জাৰ তাল তেতিয়াহে ভালকৈ বাজি উঠিল। ছয় সাদিন এইদৰে পৰি আছো, দুই এজন লগা-ভগাত বাজে এইকেদিন আন কাৰো মুখ দেখিবলৈ নাই; পিছত জানিব পাৰিলো গাওঁ-ভূঁই জুৰি চাৰিও-ফালে ইন্‌ফ্লুৱেঞ্জা। মোৰ এই শয্যাগত অৱস্থাতে এদিন যেন বিশেষকৈ কাৰাবাৰ জ্বৰৰ কথা মোৰ শোৱা কুঠৰীতে কোনোবাই কোৱা-মেলা কৰিছিল! কথাষাৰ কাণেদি সোমাল মাথোন, সেই বিষয়ে জৰত আৰু একো ভাবিব নোৱাৰিলো।

কেবা দিনৰ মূৰত জ্বৰ এৰিলে, লাহে লাহে গা টঙা-বলৈ কাৰবাৰ কৰিছো। এনেতে এদিন এজন সমনীয়াৰ লগত এথুকি-দুথুকিকৈ বাটৰ ফালে ওলাই গলো। তাগত দেখিলো, যেন প্ৰলয়কাৰী ধুমুহা এটাই অলপ আগতে ভাঙি-ছিঙি নি নকৈ পতা এখন নতুন সংসাৰ! বৰষুণ নোহোৱাত প্ৰায় কুৰি পঁচিশ দিনৰ খৰ্খৰীয়া ৰ'দত গোটেইখন যেন ধূলিময়; গছৰ পাতবোৰো সেই ধূলিতে মজি আছে। ভাবিলো, ঋতুৰাজ বসন্তৰ সেই ৰাম-ৰাজ্যত (তেতিয়া চ'ত মাহ) খৰাং আহি আধিপত্য কৰিবলৈ বিচাৰে কিয়?

এইদৰে এখোজ-দুখোজকৈ গৈ এটা পদূলি পালো। ঘৰৰপৰা ওলাই আহি যে আৰু পদূলি পোৱা নাছিলো এনে নহয়, কিন্তু সেই পদূলিবোৰৰ ভিতৰত যেন সেইটো কিবা বিশেষ, আন নেলাগে, যেন ভৰি দুটায়ো সেই পদূলিটো পাৰ হৈ যাব খুজিছিল! যি হক, তাৰ অলপ সিফাল হলো, এনেতে লগৰীয়াজন গধূলি হোৱা দেখি মোক বিদায় দি নিজৰ কামত গুচি গল।

ঘূৰি আহি সেই ঠাইডোখৰ পাই আকৌ সেই সমস্যা! তাৰ সমাধান কি—সেই পদূলি সোমোৱাটো নে নোসো-মোৱাটো? মনত পৰিল, পিছৰবাৰ নহয়, আগৰ বাৰতে, জ্বৰৰ ভিতৰত শুনা সেই কাৰাবাৰ বিশেষ নৰীয়াৰ কথা। আৰু কি মনত পৰিল?—নাই, নকওঁ।

## (৩)

দুৱাৰখন প্ৰায় কাপী-দুৱৰী হৈ আছিল; অলপ মেলি লাহেকৈ ভিতৰ সোমালো। তেতিয়া প্ৰায় সাঁজ লাগি ভাগিছিল। ঘৰটোৰ মজিয়াত মাজঠাইতে এটা সৰু চাকি—গছাৰ ওপৰত বহি সিও যেন মই পিছত দেখা অৱস্থাটোৰ দুখ পতিয়াইছে! তাক বেৰি লৈ তিনি-খন চালপীৰাৰ ওপৰত কাপোৰ-কানি লৈ দীঘল দি পৰি থকা তিনটি দুৰ্ভগীয়া প্ৰাণী। মই হাতত-সাৰে ভৰিত-সাৰে ভিতৰত দুপোজমান দিছো, এনেতে সেই নৰীয়াৰে পৰা "কোন সেয়া?" বোলা এটি ক্ষীণ আকুল স্বৰ বতাহত কঁপি কঁপি মোৰ ফালে আহিবলৈ ধৰিলে; মই সেইফালে চাপি গলো। তেওঁ হাতখনি আগবঢ়াই দিলে— সেই হাতখনিয়েই যে মোৰ জীৱনত এদিন কণাৰি লাখুটি আছিল! সেই হাতখনিৰ আজি কি অৱস্থা! সেই শৰীৰৰ লাৱণ্য আজি কেনি গল? তেওঁ যে দুদি-নতে এনে হব পাৰিব মই সপোনতো ভাবিব পৰা নাছিলো।

মাক আছিল, মাকত বাজে ঘৰৰ আনকেউটিৰে ইনফ্লুৱেঞ্জা; তাৰ ভিতৰত তেওঁৰে টান। সেই দিনাৰে দুদিন ডাক্তৰ লগাইছে, কিন্তু ভালৰ লক্ষণ একেবাৰেই নাছিল। মোৰ আগতো তেওঁ অনেক ভ্রম বকিবলৈ ধৰিলে, মাকে মোৰ আগত কৈ নানা দুখ কৰিলে। বাকী কেজনৰো নবীয়া চাই-চিতি, যি পাৰিলো মাকক বঢ়াই-বুজাই থৈ ঘৰলৈ উলটিলো, কিন্তু ঘৰত সমুলি মন ভাল নালাগিল। নানা কথা মনলৈ আহিল আৰু গল; এইদৰে ভাবি-গুণি বহুত পৰৰ পাছত টোপনি আহিল।

( ৪ )

জ্বৰে পিছত ভিতৰ নাৰেঙ্গাত পৰিণতি লভিলে। ডাক্তৰী চিকিৎসাৰপৰা একো গুণ নধৰিলে, তাৰ বাবে ডাক্তৰ আৰু ৰোগীৰ আপোন মানুহো নিৰাশ হল। তেওঁৰ জীৱন এতিয়া গাঁৱলীয়া বেজৰ দেবাই-পানীৰ ওপৰত নিৰ্ভৰ কৰি ৰৈছে।

মাজতে দুদিন নে এদিন মই তালৈ যাব নোৱাৰিছিলো; তাৰ পিছত গৈ যি দেখিলো, মোৰ সাদৰীক যি দেখিলো, তাৰ কথা মনত পৰিলেও মোৰ হিয়াৰ আমঠুৱে সৈতে যেন আজিও ক'লা পৰি আছে!

তেওঁৰ নাম সাদৰী,—তেওঁ সমধত মোৰ ভনী বা কোনো ওচৰ-সম্পৰ্কীয় নহয়, কিন্তু তেওঁ মোৰো সাদৰী-য়েই। সাদৰী আমাৰ ওচৰচুবুৰীয়া; সৰুৰেপৰা আপোন বাইভনীৰ দৰেই দিনটোৰ সৰহভাগ সময় আমাৰ ঘৰতে থাকি-মেলি কটাই ডাঙৰ-দীঘল হোৱা। সাদৰীৰ মাক আৰু দুটি সৰু ভায়েকত বাজে সংসাৰত কোনো নাছিল। সৰুৰে পৰা তেওঁৰ লগত নানা খেমালি কৰি, দুখ-দুপতি মাৰি ডাঙৰ হৈছো। সেইদেখি আজি সাদৰীয়ে যৌৱনত বয়সত ভৰি দিলেও নিঃসঙ্কোচে মোৰ লগত কথা-বাৰ্ত্তা কৈছিল। তেওঁ যে সঁচাকৈয়ে দেৱদূতী,—মনৰ সঙ্কীৰ্ণতা, কুভাব, আপোন-পৰ একেবাৰেই নাই। সাদৰী গাৱঁৰ বনকুৱঁৰী; তেওঁ আজিকালিৰ শিক্ষাৰ গোন্ধ-ভাপ নেপাইছিল, কিন্তু শিক্ষাই মানুহক যি কৰিব লাগে তেওঁ যেন ঠিক তাৰেই জলন্ত প্রতিমূৰ্ত্তি আছিল!

কলেজত পঢ়িবলৈ অহাৰ পিছতো পূজাৰ বন্ধই অহৰ বন্ধই পোনেই তেওঁলোকৰ ঘৰলৈ গৈছিলো; মাকৰ আৰু সাদৰীৰ সাদৰী ব্যৱহাৰত সদায় নিজক সুখী বোধ কৰিছিলো। সাদৰীৰ লগত মুকলিভাৱেই জীৱনৰ দুই এটা দুখৰ কথা পাতিছিলো, সাদৰীৰ সকলো বিষয়তে করুণাকণা লাভকৰি জীৱন কৃতাৰ্থ মানিছিলো। সেই সাদৰীৰ আজি এনে অৱস্থা!

( ৫ )

সেইদিনা বাৰটো মঙ্গলবাৰ, নবীয়াৰো সেইদিনা টান কৰিছে। সকলোৰে বিশ্বাস, নবীয়া সেইদিনা ৰক্ষা পৰি-লেই ৰক্ষা পৰে। পুৱাৰেপৰা তেওঁৰ ঘৰতে থাকি ইফাল সিফাল কৰিছো; ৰাতি তেওঁৰ সমুলি টোপনি অহা নাছিল, দিনটো কেৱল ছাটিফুটি কৰিয়েই আছে, শুব পৰা নাই। দুপৰীয়া সময়টোত এবাৰ ঘৰলৈ আহি আকৌ গলো। মাকে কৈছিল, ইয়াৰ ভিতৰতে হেনো তেওঁ মোক বিচাৰিছিল।

দুপৰ ভাটি দিয়াৰপৰা তেওঁৰ অলপ টোপনি আহিছিল, মই ওচৰতে বহিলো। এবাৰ তেওঁৰ চকু দুটি মেলি সেহাই সেহাই কলে,—'তুমি আজি ইয়াতে থাকা, ঘৰলৈ যাব নেলাগে।' মই সম্মতিপ্রকাশ কৰিলো, কিন্তু তাৰ অৰ্থ তেতিয়া একো নুবুজিলো। তেওঁৰ গা তেতিয়া ভাল পাইছে বুলি কোৱাত তেওঁক আকৌ শুবলৈ কলো।

আকৌ তেওঁ কফে ধৰি সাৰ পালে; অলপ পিছতে কফ কেনিবা গল আৰু তেওঁ চকু দুটি মেলি ৰল। তেওঁৰ সকলো শেষ হৈ আহিবলৈ ধৰিলে। ওচৰতথকা সকলো মানুহ ওচৰ চাপি আহিল, আৰু কান্দিকাটি হুৱাদুৱা লগাবলৈ ধৰিলে। মই তাৰ অৰ্থ একো নুবুজি বিমোৰ হলো। এনে দৃশ্য তো মই ইয়াৰ আগেয়ে দেখা নাছিলো! সকলোকে তেনে কৰা দেখি মই ভাবিবলৈ ধৰিলো,—মোৰ কি সৌভাগ্য-সূৰ্য্য-স্বৰূপ এই সোণৰ প্রতিমাখনি ভৱ তুপৰতে কাল-সাগৰত লয় পাব? হায়, দুইবো জীৱনৰ উঠিহতীয়া সকলো দুখ-চিন্তাৰ বোজা অকলে মোৰ মূৰৰ ওপৰত দি সাদৰী আঁতৰি যাব বুলি মোৰ ভাবিবৰ সত নগল!



মোৰ মনৰ এনে অৱস্থাতে সাদৰীক যেন কোনো-বাই বাহিৰলৈ উলিয়াই আনিলে! তেওঁৰ চকু দুটি অনন্ত আকাশৰ অনন্ত বিস্তাৰিত নীলিমাৰ অপূৰ্ব্ব আলোৱে জপাই ধৰিলে। ময়ো সাদৰীৰ সেই অপাৰ কল্পনা চাবলৈ চকু মুদিলো। তাৰ পিছত, তেওঁকে সাৰটি লৈ মোৰ প্ৰাণ অনন্ত উদাৰ আলোকত মিলি গল। বায়ু-সাগৰত দুয়ো একেখন নাৱতে উঠি ওপঙি ওপঙি সিপাৰ পালোগৈ, তাত বিশ্ব-প্রকৃতিৰ অময়া ৰাজ্যত দুটি প্ৰাণে অমৰ সুখ উপভোগ কৰিছো। ইয়াতকৈ বেছি আৰু একো মনত নপৰে।

শ্রীভিমেশ্বৰ নেওগ

---

# স্বামীজ্জী আৰু ধৰ্ম্ম

বৰ্ত্তমান যুগসমাগমৰ সন্ধিস্থলত এই ভাৰতবৰ্ষত হিন্দু জাতিৰ ভিতৰত দেখা যায় কিছুমান বছৰৰ আগৰ পৰা এটি নতুন ধৰ্ম্ম উপজি তাৰ কাৰ্য্য কৰিবলৈ মূৰ দাঙি উঠিব ধৰিছে। ধৰ্ম্ম যিহক বোলে সি গোটেই মানৱ প্রকৃতিৰে সৈতে মিহখোৱাভাৱে চিৰকালেই প্রাচীন, এই নিমিত্তে ধৰ্ম্মৰ নাম মনীষীসকলে সনাতন বিশ্বমানৱ ধৰ্ম্ম আখ্যা দিছে। কিন্তু প্ৰত্যেক জাতিৰ প্ৰত্যেক দেশৰ মানুহে এই ধৰ্ম্মকে ভাগভাগকৈ মিছা সম্পত্তি পাতি লৈছে আৰু অজ্ঞান প্রকৃতিপূজক ধৰ্ম্ম শিক্ষক বোলোৱা গুৰু-সকলে চিৰকাল গোলাম কৰি তেখেতসকলৰ মান-সম্ভ্রম আৰু ধৰ্ম্ম-দোকান যাতে ভালদৰে চলি থাকে তাৰেই যুগযুগান্তৰৰপৰা সুবিধাবিলাক যুগে যুগে ন নকৈ গঢ়ি তোলা দেখা যায়; এই যাই কাৰণটিয়েই মানৱ জাতিৰ ভিতৰত অলেখ ধৰ্ম্ম সম্প্রদায় সৃষ্টি কৰি পৃথিৱীক নৰক-পুৰী কৰি তোলে।

সনাতন ধৰ্ম্মই কয়—সুখ দুখ আৰু এজন স্ৰজন গৰাকী থকা সদৌ মানৱ জাতিৰেই সমান জ্ঞান। সকলোৱে এই পৃথিৱীত সুখ শান্তিৰে বাস কৰিব খোজে। অশা-ন্তিয়েই পাপ, শান্তিয়েই পুণ্য। এটি মানুহৰ যেনে সুখ শান্তিলৈ আকাঙ্ক্ষা, সদৌ মানুহৰেই তেনেকুৱা; ইয়াক নিয়মিত কৰি সামঞ্জস্যভাৱে ৰখা কথাটিকে বোলে সনাতন ধৰ্ম্ম। এই সনাতন ধৰ্ম্মটিৰ গুৰি কি তাক মণি চালে পোৱা যায়—নিভাঁজ প্রেম। এই নিভাঁজ প্রেমকে মনীষী-সকলে পিলিকি পিলিকি চাই পালে যে ইয়েই সৃষ্টি কৰে, পালে আৰু ৰক্ষা কৰে। সৃষ্টিক জন্ম দিয়া আৰু তাক নিয়মিত কৰি ৰক্ষা কৰি থকা গুণটিৰ খনি—এটি মহান জ্ঞানময় শক্তি, এই জ্ঞানময় শক্তিটি কেউপিনে বিচাৰ কৰি চালে সি যে জড়ৰ পৰা হোৱা কোনোমতে হব নোৱাৰে, অকল চেতনৰ হে এনে কথা ফটফটীয়াকৈ প্রমাণ হয়। তলিৰ এই সৰ্ব্বব্যাপক মহান চেতন শক্তিটিয়েই ব্ৰহ্ম। এই ব্ৰহ্মৰ ধৰ্ম্মই সৃষ্টিৰ ধৰ্ম্ম, গতিকে সদৌ মানৱ জাতিৰো একে ধৰ্ম্ম, এই হেতুকে ধৰ্ম্মৰ নাম সনাতন ধৰ্ম্ম।

এতিয়া বুজা গল যে প্রেমেইহে ধৰ্ম্ম থাপনা কৰে। এই প্ৰেমক সকলো মানুহে সমানে ভোগ কৰিবৰ বাঞ্ছা কৰে, ইয়াৰ ব্যতিক্ৰম হলেই জগতত মানুহৰ ভিতৰত ঘোৰ অশান্তি উপস্থিত হয়। আহাৰ, নিদ্রা, ভয়, মৈথুন, প্ৰাণীৰ এই চাৰিবিধ জ্ঞানেই প্ৰেমৰ সাক্ষী দিয়ে। জীৱ-জন্তুৰ এই জ্ঞান যেনে মানুহৰো তেনে; কিন্তু মানুহৰ জীৱ-জন্তুতকৈ ভগবানপ্রদত্ত এটি বিশেষ জ্ঞান আছে যাক বিবেক বোলে। এই বিবেকেই বিচাৰ শক্তি। ভাল-বেয়া পাপ পুণ্য মানুহে যিদৰে বাচিব পাৰে ইতৰ প্রাণীয়ে তেনেকৈ নোৱাৰে যে, ই ধ্রুৱ্প কথা; কিয়নো মানুহ জ্ঞানী জীৱ। জ্ঞানৰ ধৰ্ম্ম কৰপৰা কি কেনেকৈ হল তাৰ অনুসন্ধান লৈ নেৰানেপেৰাকৈ বিচাৰ-খোচাৰ কৰি ফুৰা, এই কাৰণে মানুহৰ অনুসন্ধানকৰা স্বভাৱটি যে গুৰিৰেপৰা লাগি আছিছে, ই সূৰ্য্যৰ পোহৰৰ দৰে দেখাদেখি সত্য। সত্যৰ পোহৰ বা স্বৰূপ মানুহত বিশেষভাৱে ক্রমবিকাশ বিধানমতে প্রতিফলিত হৈ অহা

যাতে মানুহে সঁচাটিক নাপায়মানে অনুসন্ধান কৰিবলৈ-নেৰে, এনে অনুসন্ধান কৰা প্ৰবৃত্তিয়েই জন্তুবদবে থকা আদিম অৱস্থাৰ মানুহৰপৰা বৰ্ত্তমান যুগলৈকে লাহে লাহে মানুহৰ ভ্ৰম সংশোধন কৰাই আছল সত্যটিক আবিষ্কাৰ কৰাই আনিছে। এই হেতুকে অতীজৰ যুগজ্ঞানতকৈ বৰ্ত্তমান যুগজ্ঞান ফট্ফটীয়া সত্য যে, তাক নহয় বুলিব নোৱাৰি; কাৰণ এতিয়া দেখা যায় জ্ঞান-বাজাপৰ ক্ৰমবিকাশ নিয়ম-মতে ওপৰলৈ উঠি আহিছে। অৱশ্যে মূল সত্যটি যে লৰচৰ নোহোৱা একেটি বস্তু তাক নহয় বুলি কব নোৱাৰি; কিন্তু জ্ঞানৰ আদিম বা অনুন্নত অৱস্থাত মানুহে তাক যি চকুৰে দেখি ব্যাখ্যা কৰে উন্নত অৱস্থাত সেয়ে ভ্ৰম অন্ধকাৰৰ পৰা ওলাই ফট্ফটীয়া হৈ প্ৰকাশ পায়। কোনো জন্মত কোনো পুৰুষত যেনে হাতী নেদেখা দেশ এখনৰ মানুহে অকস্মাৎ উট এটা ওলালে তাকে হাতী বুলি কলে বিশ্বাস কৰে, অজ্ঞানতা অৱস্থাত থকা মানুহেও অসত্যকে সত্য পাতে। এনে ভ্ৰম গুচুৱা অৰ্থে সময়ে সময়ে ভগৱান প্ৰেৰিত মহাপুৰুষসকল আহি পৃথিৱীৰ নানা জাতিৰ মানুহৰ ভিতৰত সত্যপ্ৰচাৰ কৰেহি। প্ৰত্যেক জাতিৰ ভিতৰত নিজা নিজা জাতীয় ভাষাৰে তেওঁবিলাকৰ যিবিলাক উপদেশ আৰু সত্য উপলব্ধিকৰা কথা লিপিবদ্ধ কৰি ৰখা হয়, সেয়ে বেদ, সেয়ে শাস্ত্ৰ। এই বেদ-শাস্ত্ৰবিলাকে সকলো জাতিৰ ভিতৰত একেৰিও লৰচৰ নোহোৱা একে মূল সিদ্ধান্ত সত্যকেই প্ৰকাশ কৰে, থকা-মেলা খোৱা-লোৱা পিন্ধা-উৰা আৰু কাম-সকাম অনুষ্ঠান আদি প্ৰত্যেক জাতিৰ বেলেগ বেলেগ হলেও ধৰ্ম্ম যে একেটি বস্তু তাৰ ভুল দেখা নাযায়। কিন্তু আমাৰ ভাৰতৰ হিন্দু আৰ্য্যজাতি যেতিয়াৰে পৰা উলটি অজ্ঞানতা অন্ধকাৰত সোমাল তেতিয়াৰ পৰা ধৰ্ম্ম এৰি খোৱা-লোৱা পিন্ধা-উৰা কাম-সকাম আদি অনুষ্ঠান বিলাককহে ধৰ্ম্ম পাতিবলৈ ধৰিলে। উপনিষদ আৰু বেদৰ ব্ৰহ্মজ্ঞান চৰ্চ্চা এৰি যেতিয়াৰেপৰা ভাৰতৰ হিন্দুজাতিয়ে বেদৰ ক্ৰিয়া-কাণ্ড আদি অনুষ্ঠানবিলাককে হিন্দুধৰ্ম্ম পাতি ব্ৰাহ্মণ উপাধিধাৰী লোকসকলে ধৰ্ম্মপুৰোহিত ধৰ্ম্মগুৰু-পদক পুৰুষানুক্ৰম কৰি তুলিলে তেতিয়াৰেপৰা বৰ্ণাশ্ৰম ধৰ্ম্ম নিপককপীয়া-হৈ উঠিল; ধৰ্ম্ম-দোকানৰ আৰু জাতি-ভেদৰ সূত্ৰপাত এইখিনিৰেপৰা হয়। ধৰ্ম্ম-দোকানৰ আৰম্ভ হোৱা দিনাৰপৰা আজিকেপৰ্য্যন্ত ভাৰতৰ হিন্দু জাতিৰ ভিতৰত যি গুৰুবাদে খুটি পুতিলে, এই সৰ্ব্বনশীয়া কথায়ে বৰ্ত্তমান যুগজ্ঞান আৰু যুগসমস্যামতে হিন্দুজাতিক উঠিবলৈ নিদি একেবাৰে ককাল ভাঙি পেলাই ৰাখিছে।

ভগৱান শ্ৰীকৃষ্ণ আৰু বুদ্ধযুগৰেপৰা বৰ্ত্তমান যুগ পৰ্য্যন্ত যতি মহাপুৰুষ, জ্ঞানী ভক্ত সাধু মনীষী এই ভাৰতত জন্ম হৈছেমানে সকলোৱেই ভাৰতৰ হিন্দু জাতিক এক সত্য ধৰ্ম্মত প্ৰবৰ্ত্তাই এক কৰিব নোৱাৰাৰ মূল কাৰণ গুৰুবাদ আৰু ধৰ্ম্ম দোকান যে তাৰ অলপো ভুল নেদেখি। যিবিলাক অৱতাৰ পুৰুষে আৰু মহাপুৰুষে আহি ভাৰতত এক সত্য ধৰ্ম্ম প্ৰচাৰ কৰি "ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল" বুলি দঢ়াই দঢ়াই কৈ ভাৰতৰ হিন্দু জাতিক এক কৰি যায়হি বা এক কৰিব খোজে, চতুৰ ধৰ্ম্মগুৰুসকলে পিছত তেওঁবিলাককে ঈশ্বৰ পাতি, তেওঁবিলাকৰেই মূৰ্ত্তি গঢ়ি ধ্যান মন্ত্ৰৰ শ্লোক বান্ধি ঈশ্বৰৰূপে পূজা কৰে আৰু অনেক তীৰ্থস্থান এইসকলৰ মূৰ্ত্তি থাপনা কৰি পতা হয়। নানা দেৱদেৱী, ধৰ্ম্ম পুৰোহিতসকলে ভাৰতৰ আৰ্য্য জাতিৰ পতন হোৱা দিনৰেপৰা পূজাকৰা পদ্ধতি আৰু নিয়ম এইবিলাককে উপলক্ষ্য কৰি পাতি আনিছে আৰু নিজে নিজক একো একো দেৱতাৰ মন্ত্ৰদাতা গুৰু হৈ ভিন ভিন সম্প্ৰদায় সৃষ্টি কৰি ধৰ্ম্ম-দোকান চলাবলৈ সুচল উপ্যাই উলিয়াই মহাসুখে বহি বহি ৰাজভোগৰ দৰে ভোগ কৰি আছে। এই ধৰ্ম্মদোকানৰ প্ৰলোভনেই ভাৰতত অসংখ্য সন্ন্যাসী উৎপত্তি কৰে, এলেহুৱা কাম কৰি খাব নোখোজা মানুহৰ পক্ষে কোটি কোটি অজ্ঞান লোকসকলৰ আগত সাধু বুজাবলৈ সন্ন্যাসী ভেশ ধৰাতকৈ আৰু সহজ উপায় নাই। লোক চকুৰ আগত গৈৰীক বা গেৰুৱা সাজ-পাৰৰ যে কি অদ্ভুত মহিমা আৰু মান-সম্ভ্ৰম ভাবিলেই তথা মানিব লাগে, চাহ বাগিচাৰ অনেক বঙালী কুলিয়েও কিছুদিন অনেক সন্ন্যাসীৰ পোনতে চাকৰ হৈ থাকি পিছে গেৰুৱা কাপোৰখন পিন্ধি সন্ন্যাসী হৈ অজ্ঞান



প্ৰকৃতিপুঞ্জৰ আগত মহাদেৱ হৈ পৰা দেখা যায়। বুদ্ধ-যুগৰপৰা শঙ্কৰাচাৰ্য্যৰ যুগ আৰম্ভ হোৱা দিনলৈকে কত সন্ন্যাসী যে মহাদেৱ হৈ আজি পৰ্য্যন্ত সেইসকলৰ মূৰ্ত্তিয়ে আৰু একো একোটি পূৰ্ব্বৰ মঠে বৰ্ত্তমান তীৰ্থ বোলাই পূজা খাই আছে তাৰ অন্ত নাই। নৰমূৰ্ত্তি সাজি নৰপূজা কৰা নিয়ম বৈদিক যুগত ঋষিসকলৰ ভিতৰত থকা দেখা নাযায়, আন কি, কোনো দেৱ-দেৱীৰো মূৰ্ত্তিপূজা সেই যুগত নাছিল। বৈদিক যুগত সৰস্বতীৰ বাহিৰে কোনো এজনা গোঁসানীৰো নাম পোৱা নাযায়। ঋক্বেদত গৰ্ভাধান মন্ত্ৰত শিনিবালি দেৱতা আৰু সৰস্বতী দেৱীৰ নামৰ উল্লেখ পোৱা যায়; যথা "গৰ্ভং দেহি শিনিবালি গৰ্ভং দেহি সৰস্বতী" ইত্যাদি। এই সৰস্বতী সম্ভৱতঃ পৰমা বিদুষী কন্যা আছিল, তেওঁ এজন ব্ৰহ্মৰ্ষিৰ কন্যা যাৰ নাম ব্ৰহ্মা বোলা হৈছিল। যি নহক, সৰস্বতী পূজা যে বিদ্যাক সম্মানকৰা পূজা তাৰ ভুল নাই। কিন্তু সেই যুগত সৰস্বতীক মূৰ্ত্তি গঢ়ি পূজাকৰা নিয়ম নাছিল।

আদিতে অনুমান হয় পৰমযোগী ব্ৰহ্মতত্ত্বপৰায়ণ ঋষি এজন, যাৰ নাম শঙ্কৰ, তেওঁকেই মহাদেৱ বোলা হৈছিল। এই যোগীয়ে, পুৰাণত পোৱা যায়, হিমালয় আদি পাৰ্ব্বত্য দেশৰ ৰাজকন্যা উমাৰ পাণি গ্ৰহণকৰিছিল, এই মহাদেৱৰ পিছত অনেক যোগীয়ে মহাদেৱ উপাধি লাভ কৰিছিল, এই মহাদেৱ উপাধিপ্ৰাপ্ত অনেক বুদ্ধযোগীও যে আছিল তাৰ ভুল নাই; কাৰণ তন্ত্ৰধৰ্ম্ম প্ৰচাৰকৰা অনেক মহাদেৱ তীব্বতৰ লামা যেনহে মনে ধৰে। যি নহক, মহাদেৱ যে তত্ত্বাপৰায়ণ ব্ৰহ্মজ্ঞানী কিছুমান যোগীৰ উপাধি আছিল তাক নহয় বুলিবৰ কাৰণ নেদেখি। এই নিমিত্তে ব্যাস উপাধিধাৰী যেনে এজন ঋষি আছিল ক্ৰমে ক্ৰমে অনেক হল, সেইদৰে বৰ্ত্তমান শঙ্কৰাচাৰ্য্য উপাধিৰ লেখীয়া অনেক মহাদেৱ এটিৰ পিছত আনটি হৈ আহিছিল। এই মহাদেৱবিলাক লোকহিত-সাধক জ্ঞানী মানুহ থকা গতিকে সদো ৰাইজে পূজা কৰিছিল। এই সম্মানৰ লোভতেই মূৰ্খ জনসাধাৰণক ভুলাবৰ নিমিত্তে প্ৰথম শঙ্কৰাচাৰ্য্যৰ দিন শেষ হোৱাৰ পিছত সন্ন্যাসীবিলাকৰ ভিতৰৰ অনেকে আজিকালি বাতি-সেৱাকৰা জটাধাৰী বুঢ়া ভকতৰ দৰে মহাদেৱ হৈ পৰিছিল, এই মহাদেৱ সন্যাসীবিলাকেই জন-সাধাৰণক গাঞ্জা, মদ খাবলৈ শিক্ষা দিলে। এই সন্যাসীবিলাক ভিতৰৰ অনেকে তন্ত্ৰযুগত নতুন মহাদেৱ হৈ ভিকতাক পাৰ্ব্বতী পাতি ব্যভিচাৰ পাপ দেশত সুমাই যি কাণ্ড কৰিছিল সেই পাপৰ চেকা ভাৰতৰ গাৰপৰা এতিয়াও গুচা নাই। বৈদিক যুগৰ যি সকল যোগী-ঋষি মহাদেৱ আছিল সেই সকলে গাঞ্জা, মদ, ভাং একো নাখাইছিল, কিয়নো এইসকল শুদ্ধাচাৰী আৰু পাপবিকাৰৰহিত দেৱ পুৰুষ আছিল। তন্ত্ৰযুগৰ পৰা যিবিলাক স্বাৰ্থপৰ সন্যাসী মহাদেৱ হৈ পৰিছিল সেইসকলৰ আহিৰে গয়া বৰ্ত্তমান মহাদেৱৰ মূৰ্ত্তিয়েই প্ৰমাণ কৰে যে সেইবিলাকে ভেল্কীবাজী আৰু মোহিনীমন্ত্ৰ (Hypnotism) ভালদৰে শিক্ষা কৰিবলৈ ভাৰতৰ অজ্ঞান প্ৰকৃতিপুঞ্জক মোহাই মহাদেৱ পূজা গজগজীয়া কৰি তুলিলে। বৰ্ত্তমান আমি যিবিলাক সাপ-মেলা যোগী দেখিছো এই যোগীবিলাকৰ ভিতৰৰো ক্ৰমে অনেক মহাদেৱ হোৱা তাৰ মূৰ্ত্তিয়েই প্ৰমাণ কৰে। এই মহাদেৱৰ মূৰৰ ফেটীগোম সাপৰ জটা আৰু বাঘছাল পিন্ধা গাঞ্জাখোৱা মূৰ্ত্তি দেখি, এই মূৰ্ত্তি সাপমেলা যোগীৰ মূৰ্ত্তি।

এইসকল যোগীয়ে জন-সাধাৰণৰপৰা পূজাপোৱা অৰ্থে চকৰিফেটী সাপক ঔষধেৰে বশকৰি মূৰত এটা পিন্ধিছিল, গলত মলা পিন্ধিছিল আৰু ইয়েঁতে ভেল্কীবাজী দেখাই সম্মোহন মন্ত্ৰদ্বাৰাই ( Hypnotism ) অজ্ঞান লোকবিলাকৰ আগত খেতৰসাইজ (Miracle) দেখাই আজিপৰ্য্যন্ত নিজৰ মূৰ্ত্তিটিক মহাদেৱ গঢ়ি মহাদেৱ মূৰ্ত্তি পূজা কৰিবলৈ পোনতে হয় শিষ্যবিলাকক শিকালে নহয় শিষ্যবিলাকে নিজে নিজে যতনে কৰিলে। ভাৰতৰ হিন্দু মানুহবিলাকৰ যেনে অন্ধবিশ্বাস সহজে হোৱা প্ৰকৃতি, ইয়াকে উচিলা পাতি আজিকোপৰ্য্যন্ত কোনো কোনো মহাপুৰুষ মূৰ্ত্তি সাজি পূজাকৰা ধৰ্ম্মৰ দোকানী-পূজাৰি বাপুসকলে চলায়ে আছে। শ্ৰীচৈতন্যদেৱ আৰু নিত্যানন্দ দেৱৰ গৌৰাঙ্গ নিতাই মূৰ্ত্তি বুলি ধ্যানমন্ত্ৰ বান্ধি বঙ্গ-দেশৰ পিনে এতিয়া অনেক পূজাৰি বাপুৱে চলাই বস্ত্ৰ-অলঙ্কাৰ সমন্বিতে দক্ষিণা ধন ঘটিয়েই আছে। সৰহ দিনৰ

কথা কেনেকৈ লাগিছে, বৰ্ত্তমান যোগী, সকলো ধৰ্ম্মৰে একে-ঠাইতে মিলন দেখোৱা আৰু সকলো মানুহৰ জাতকুল একে পতা সমদৰ্শী শ্ৰীৰামকৃষ্ণ পৰমহংস স্বামীকো মূৰ্ত্তি গঢ়ি ধ্যানমগ্ন বান্ধি পূজাকৰা নিয়ম যে উলিয়া হৈছে ই দেখাদেখি প্ৰামাণিক কথা। তেনেহলে আমাৰ ধৰ্ম্ম-দোকানী বাপু—পোপজীসকলে সাধু আৰু অসাধু খেতৰসাইজ (miracle) দেখোৱা সন্যাসীৰ জীৱন্ত মূৰ্ত্তিক পিছত ধাতু বা মাটিৰে গঢ়ি মহাদেৱ পাতি পূজাকৰা অসম্ভৱ কেনেকৈ বোলা যায়? মহাদেৱৰ অনেক নাম, এই অনেক নামৰ মহাদেৱৰেই মূৰ্ত্তি আৰু পীঠস্থানেৰে গোটেই ভাৰত ভৰি আছে।

মূৰ্ত্তিপূজা আদি আৰ্য্যসকলৰ দিনত নাছিল, ই ভগৱান বুদ্ধদেৱ অন্তৰ্ধান হোৱাৰ পিছৰপৰা আৰম্ভ হয়। বুদ্ধদেৱৰ মূৰ্ত্তি সাজি যেতিয়াৰেপৰা বৌদ্ধসকলে পূজা কৰিব ধৰিলে। তাকে দেখি বুদ্ধধৰ্ম্মৰ শাখাস্বৰূপ জৈন ধৰ্ম্মীসকলেও তেওঁবিলাকৰ মহাপুৰুষসকলৰ মূৰ্ত্তি গঢ়ি পূজা কৰা প্ৰথা চলালে। ইয়াৰেপৰা তন্ত্ৰযুগত দ্ৰাবিড়ী আৰু মঙ্গলীয়া জাতিৰ নানা তৰহৰ কল্পিত দেৱদেৱীৰ মূৰ্ত্তি অসুৰ জাতিৰ লিঙ্গ যোনী-পীঠৰ লগত মিলাই ভাৰতৰ হিন্দুজাতিৰ পুৰাণৰ ৰূপক ভাগমতে পূজাকৰা প্ৰথা প্ৰচলিত হয়, এয়ে মূৰ্ত্তিপূজাৰ তথ্য। চিন্তাশীল পাঠক-পাঠিকাসকলে যেন ভালদৰে বিচাৰ কৰি চায়। এই মূৰ্ত্তি-পূজাবিলাকেই পূজাৰি বাপুসকলৰ ধৰ্ম্মদোকানো পাতিলে আৰু গাই গাই দেৱতাৰ ভক্ত মানুহক তুলি অসংখ্য সম্প্ৰদায় আৰু জাতিভেদো সৃষ্টি কৰি পেলালে। এই কলি প্ৰৱেশ হোৱা দিনৰেপৰা ভাৰতৰ হিন্দুজাতি খান-খান বান-বান হল। এই যে মূৰ্ত্তিপূজা চলা আৰম্ভ হল তাৰেপৰা যি অন্ধবিশ্বাসে হিন্দুজাতিৰ অন্তৰত পানিকা পাতিলে, ই কি শিক্ষিত কি অশিক্ষিত সকলো মানুহকে ভূতে পোৱাদৰে পাই আজিকোপৰ্য্যন্ত বাগিয়াল বস্তুৰে বাগিধৰা দৰে ধৰি আছে। এবাৰ যদি অন্তৰত কু-সংস্কাৰ আৰু অন্ধবিশ্বাস সোমাই থানিকা পাতিব পাৰিলে তাৰ হাতসৰা যে কিমান টান কথা, ভাৰতৰ হিন্দু জাতিৰে বৰ্ত্তমান বৈজ্ঞানিক আৰু দাৰ্শনিক যুগতো সত্যক ধৰিবলৈ সাহ কৰিব নোৱৰা প্ৰকৃতিয়েই দেখাদেখিকৈ প্ৰমাণ কৰে।

বুদ্ধযুগৰপৰা আৰম্ভকৰি ধৰ্ম্মৰ নিমিত্তে ভিক্ষু সন্যাসী হোৱা যি প্ৰথা প্ৰচলিত হল বৰ্ত্তমান ইয়ে বাৱন্ন লক্ষ ত্ৰেপন্ন হাজাৰ নিকৰ্ম্মা মানুহক সন্যাসী হৈ গাঞ্জা, কানি, ভাং, মদ খাই মৌজ কৰি থাকিবলৈ শিক্ষা দিলে। এইবিলাকে অজ্ঞান জনপদৰপৰা খেতৰসাইজ প্ৰভৃতি মহিমা দেখাই ভিক্ষাকৰি বছৰি বছৰি টেক্স স্বৰূপ কৌটী কৌটী টকা আদায় কৰে; ইয়াতকৈ আচৰিত কথা আৰু কিবা আছেনে? আদি মহাদেৱসকলে গাঞ্জা খোৱা কোনো শাস্ত্ৰতে পোৱা নাযায়, কিন্তু এইবিলাক মহাদেৱৰ ভিতৰত অনেকক কছাৰী জাতিৰ ভিতৰত সোমাই কছাৰী তিকতাৰ গৰ্ভত সন্তান জন্মোৱাও পোৱা যায় আৰু মদ গাঞ্জা খাই বিভোল হৈ পৰি থকাও পোৱা যায়। মানুহ যেনে প্ৰকৃতিৰ হৈ উঠে দেৱতা আৰু মহা-পুৰুষসকলকো তেনেদৰে কৰি তোলা স্বভাৱসিদ্ধ কথা।

এতিয়াও শুনা যায়, পশ্চিমৰ ফালে কোনো কোনো ঠাইৰ অজ্ঞান চহা মানুহবিলাকৰ ভিতৰত বহুতৰ বাপেক-মাকে হেনো মহাদেৱৰপৰা সন্তান লাভকৰা আশাত ঊৰ্দ্ধৰেতা সন্যাসীক নিজ কন্যাক দি সন্তান ওপজায়, আমাৰ আসামতো যে ঠায়ে ঠায়ে সন্তান ওপজোৱা গুৰু নাই মই তেনে কথা কব নোৱাৰো। এই কথাহে মাথোন কওঁ, ধৰ্ম্মৰ নামতে মানুহৰ অন্তৰত অন্ধবিশ্বাসে বাসস্থ পাৰিলে মানুহে কৰিব নোৱাৰে এনে অনাচাৰ কাম একো নাই। এই ভাৰতৰ হিন্দুজাতিক ধৰ্ম্মৰ ভ্ৰান্তধাৰ নাই, অভ্ৰান্ত শাস্ত্ৰ আৰু অন্ধবিশ্বাসেই সকলো মানুহক একতা সূত্ৰত বান্ধিবলৈ নিদি একজাতি একভাব হোৱা আশাৰ মূৰ খালে।

নানা ভাবৰ মিছা ধৰ্ম্মৰ ভাওদেখোৱা লাখ লাখ সন্যাসীৰ বাহিৰেও অলেখ ধৰ্ম্মৰ অলেখ গুৰু পুৰোহিত। এনেস্থলত বৰ্ত্তমান যুগ সমস্যামতে আমি একজাতি হৈ পৰা আশা শপোন হেনহে দেখা যায়। সন্যাসীৰ ওপৰত, বৰ্ত্তমান দেখা যায়, আস্থা লাহে লাহে কম হৈ আহিব ধৰিছে আৰু বাপু ঠাকুৰ গুৰু পুৰোহিতসকলো মানুহে আগৰ দৰে ভক্তি নকৰাত পৰিছে। এই অৱস্থাত আজি-কালি এটি নতুন ফন্দি বাহিৰ হৈছে। সেই ফন্দিটি কি? —গৈৰিক বসন পিন্ধি স্বামীজী সজা।

অনেক স্বামীজীয়ে আজিকালি হিন্দুধৰ্ম্মৰ এটি অভি-নৱ ভাব প্ৰচাৰ কৰিব ধৰিছে, সেইটিকে বোলে নানা দেৱ-দেৱীৰ মূৰ্ত্তিপূজা প্ৰথা ৰক্ষা কৰি তাৰ আধ্যাত্মিক ব্যাখ্যা দি বেদান্ত শাস্ত্ৰৰ লগত মিলাই ধৰ্ম্মতত্ব যোগতত্ব শিক্ষা দিয়া। এই স্বামীজীসকলেও আজিকালি ঠায়ে ঠায়ে সত্ৰ-পাতি অনেক মানুহক প্ৰত্যেকে নিজা নিজা শিষ্য কৰি লব ধৰিছে। হায় বিধি! ইমান ধৰ্ম্মে অটা নাই, হাজাৰ হাজাৰ দেৱদেৱীৰ মন্দিৰ আদি ধৰ্ম্মপীঠ আছেই, সন্যাসী আখৰা আছেই, তাৰ উপৰিও লাখ লাখ পোপ-গুৰুসকলৰ হাজাৰ হাজাৰ সত্ৰ আছেই, ইয়াৰ উপৰিও আজিকালি স্বামীজীসকলে ঠায়ে ঠায়ে আশ্ৰম পাতি মানুহক বৰ্ণাশ্ৰম ধৰ্ম্ম শিক্ষা দিব ধৰিছে! ইয়াকে কয়, বুঢ়ী ছাগলীৰ পিঠিত মাহ দোণ বোজা!

(আগলৈ)

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য

---



# সখী চিত্ৰলেখা

## প্ৰস্তাৱনা

হেৰা কুভাণ্ডৰে জি!
কবিৰ কল্পনা মুঞ্জৰি তুলিলা
কিনো অমিয়া দি?
তোমাৰ হাতত
কোনে দিলে তুলি
বিশ্ববিজয়ী লিখনীডালি;
আঁকিছা ত্ৰৈধ্যভুবন সৌন্দৰ্য্য
আৰু আঁকিবানো কি?

তৃপ্ত হল নে সৌন্দৰ্য্য-সাধনা,
মাৰ গল নে অনন্ত বাসনা,
কোন সুন্দৰৰ কাষত বহিনো,
ৰচিলা কোমল কুসুম-শয্যা
অন্তনপৰা
প্ৰেমৰ মদিৰা পি?
হেৰা কুভাণ্ডৰে জি!

## আখ্যান

### প্ৰথম অধ্যায়

১

লুইতৰপাৰতে সি মহানগৰী—ৰাজ-কাৰেঙত ময়ুৰধ্বজা
লক্ষ্য বীৰক যুজত জিনিলে, শিৱৰ বলেৰে বলী যি ৰজা।
সহস্ৰ বছৰ শিৱক আৰাধি বৰেৰে বান্ধিলে দুৰ্দ্ধৰ্ষ শক্তি,
বাণ নৰপতি শোণিতপুৰৰ—ত্ৰিভুবনে যাক কৰিলে ভক্তি।

২

শোণিতৰ আৰু যত শিলাকুটি, সাজিলে যতনে বিচিত্ৰ পুৰী,
দেৱতা-দানৱে ধন্য বুলিলে—খিয়াতি নগৰীৰ জগত জুৰি!
সুবৰ্ণ কলচী মহাভৈৰৱৰ জিলিকে শুইন উজ্জ্বল কৰি
শিৱ ভকতিৰ জীৱন্ত চানেকী—নমিলে জগতে ভকতি ভৰি।

৩

সেই শোণিতৰে বাণৰ মন্ত্ৰী কুভাণ্ড নামেৰে জগতে জনা,
অতুলসুন্দৰী সখী 'চিত্ৰলেখি' তেওঁৰে জীয়ৰী বিচিত্ৰ-মনা।
সখী চিত্ৰলেখা ৰূপেৰে কুঁৱৰী, ৰূপ দৰ্ণাবলৈ লিখনী নাই,
ৰূপমুগ্ধ এই চকু দুটিয়ে যে থাকিব অনন্ত কাললৈ চাই।

৪

মঙহেৰে গঢ়া কেনেকৈনো বোলো, চকুৰে যে হব তেনেয়ে ভুল!
গোলাপফুল কেতেকীৰ ৰেণুৰেহে গঢ়া, দিবল'কে আৰু
নায়ে যে তুল।
মুখৰে তুলে মই কিনো দিওঁ কিনো দিওঁ, ওঁঠৰে কিনো মই
দিমেনো তুল,
জগতৰে মউৰে তাতে গোট খালে উপচি পৰিছে তুয়োটি কুল।

৫

হাঁহিৰে উপমা দিব যে নোৱাৰো, বিজুলিও কিহবনো
স'তেৰে মই,
ডাৱৰৰ মাজৰো হাঁহি-বিজুলীও লাজতে পৰিব খুজিব জঁয়।
বৰণেৰে তুল দিবল'কে গলে, লাজতে কল্পনা মুৰচি পৰে,
মেনকা-উৰ্ব্বশী লাজত বৰ্ত্তা পৰি বিহাৰে নিজকে আবৰি ধৰে।

৬

কণ্ঠ সখীৰ নহয়, যেনিবা জগতভুলুৱা অমিয় সুৰ,
গোকুল মতলীয়া কৰা বাঁহীটিৰো কৰিব খুজিব গৰ্ব্ব চুৰ।
উৰ্ব্বশীৰ বোলে কটাক্ষপাততে ত্ৰিভুবন যৌবন চঞ্চল হয়,
সখীৰ চকুৰে কৰিব পাৰিব লক্ষ্য ভুবনৰ যৌবন জয়।

(৭)

সখীৰ সুৰৰ লহৰী উঠিলে গন্ধৰ্ব্ব-ত্ৰিদিবো তবধ লাগে
কণ্ঠ-ধ্বনিতে অলিয়া-বলিয়া—কিন্নৰ-কোকিলে শৰণ মাগে।
নৃত্যবিশাৰদা সখী চিত্ৰলেখা, লয়লাসে পিছে চলালে জৰি
নৃত্যাগৰৰী স্বৰগী কন্যাই ধৰিলে প্ৰশংসা স্বৰগ জুৰি

(৮)

লীলায়িত সেই হাত ছুখনিৰ লাৱণী আঙুলীৰ তুলনা নাই
বিধতাই গঢ়া সকলো সৌন্দৰ্য্য হালিজালি পৰি বিৰিঙি যায়।
অপূৰ্ব্ব সখীৰ ৰূপহ নাচোনত ঋষিয়ে পাহৰি বুলিলে পাছে,
সাতভুবনৰ বচা সৌন্দৰ্য্যই ৰূপধৰি আহি আগতে নাচে।

(৯)

সকৰে পৰা যে চিত্ৰলেখা সখী ছবিকে লেখোতে মগনা হল
শোণিতৰ শিল্পিয়ে সৰাকে নেওচে—দেশ-বিদেশলৈ বাতৰি গল।
মানৱী নহয় দানৱী নহয় নহয় চিত্ৰ গন্ধৰ্ব্ব বালা—
নিখিল ভুবনৰ শিল্পী জাতিৰে জানিবা শিৰৰে মুকুতা মলা।

(১০)

ভাৰতৰ যত মহা শিল্পকুটি, মহাকলাবিদ্, সৌন্দৰ্য্যসেৱী,
সখীকে বুলিলে, সখীকে পাতিলে 'অধিষ্ঠাত্ৰী মোৰ তুমিয়ে
দেৱী।"
তোমাৰ মাজেদি, তোমাৰ ভাবেদি, অনন্ত সৌন্দৰ্য্য চাইছো
তুমি,
ভাব সৌন্দৰ্য্যৰ, চৌষষ্টি-কলাৰ পূৰ্ণ প্ৰকাশ জানিলো তুমি।

---

## পোৰা কিতাপ

**পঞ্চতীৰ্থ।** শ্ৰীযুত হৰমোহন দাস বি, এ, প্ৰণীত। পাতনি লেখিছে কটন কলেজৰ সংস্কৃতৰ অধ্যাপক পণ্ডিত শ্ৰীযুত লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় এম, এ, বেদশাস্ত্ৰীয়ে। বেচ ॥০ আঠ অনা। অধ্যাপক চট্টোপাধ্যায়ে পাতনিত লেখিছে "কাউন্ট টলষ্টয়ে নিজৰ জীৱনত কঠোৰ সাধনা কৰি যিবোৰ তত্ত্ব উপলব্ধি কৰিছিল, সেইবোৰ গল্পৰ সহায়েৰে প্ৰচাৰ কৰিছিল, আৰু সেইবোৰ সকলো মানুহৰে সম্পত্তি। এই গল্পবোৰৰ ছাঁ লৈ শ্ৰীমান হৰমোহন দাসে অসমীয়া লৰা ছোৱালীৰ নিমিত্তে পাঁচোটা গল্প অসমীয়া ভাবত অসমীয়া সাঁচত প্ৰকাশ কৰিছে। এই পাঁচোটা পঞ্চতীৰ্থ।"

কিতাপখন পাই আমি আনন্দিত হৈছোঁ। পঢ়িলে মন পবিত্ৰ আৰু ওখ হয়। লেখিবৰ পটো ভ.ল হৈছে।

কিতাপখনত থকা দোষৰ ভিতৰত যিটো আমাৰ চকুত বৰকৈ পৰিছে, সেইটোৰ সম্পৰ্কে এটা কথা কওঁ। Serious কথাত পেংলাইৰ ভাষা ব্যৱহাৰ কৰাটো নিতান্ত অনুচিত। যেনে—তীৰ্থফল নামৰ গল্পটোত লেখকে বাৰে



বাৰে ওৰেষা প্ৰদেশৰ মানুহৰ মাত বুলি এটা কিম্ভুত-কিমাকাৰ ভাষা গঢ়ি গল্পৰ ভিতৰুৱা মানুহৰ মুখত দিছে। "২য় জনী—ভাল কৰোঁচি, তীৰিথ যাতৰি মানুহ কি ধাইগিৰি থাব।" "১ম জনী—তুঁ যেমন লোক তেমন ভাবোঁচি ধাইগিৰি কৰি। তেমন তোঁচোৰ ভাবনা ঠিক ন হউচি। মহাজনৰ অবস্থা শুনিকে আহি বাপু নিজ টকা খৰছ কৰোচি। মহাজনৰ সকল সুবিধা কৰোঁছি।" "এখন হামাৰ মনত পৰিছঁ।" "এহি ৰকম দয়াশীল লোক হামি ক'তো নেদেখিলোঁ।" ইত্যাদি। যাৰ অলপ উৰিয়া ভাষাৰ জ্ঞান আছে সি জানিব যে এনেবোৰ উৰিয়া ভাষা যে নহয়েই, আন কোনো ভাষাই নহয়। এনে মাত কিতাপখনত পাচীয়ে পাচীয়ে দি কিতাপখন কুৎচিত কৰা হৈছে। অসমীয়াকৈ এইবোৰ লেখাহেঁতেনেই দেখোন ভাল হলহেঁতেন। অৱশ্যে হাঁহি তুলিবলৈ ঠাইঁ বুজি এনে অদ্ভুত মাত কেতিয়াবা দিব পাৰি; কিন্তু ইয়াত সি একেবাৰেই অধল। কিতাপখনত হিন্দী ভাষাৰো এনে শৰাধ কৰা হৈছে। লেখকে আমাৰ কথা শুনে যদি, দ্বিতীয় তাঙ্গৰণত এই মলিবোৰ যেন একেবাৰেই ধুই-পখালি পেলায়। কিতাপখন কপচতা নহয় বেখিহে আমি এই কথা কলোঁ; লেখক যেন আমাৰ ওপৰত বিতুষ্ট নহয়।

---

# নাটঘৰ

## আমাৰ নাচ আৰু তাৰ সংশোধন

বৰ্ত্তমান আমাৰ আসামৰ ষ্টেজবোৰত যিবোৰ নাচ প্ৰচলিত আছে এইবোৰ আমাৰ জাতীয় নাচ নহয়! এনে নাচ আমাৰ দেশত আগতে নাছিল। আমাৰ থিয়েটাৰত যিবোৰ নাচ সোমাইছেহি সি কলিকতীয়া থিয়েটাৰৰ অনুকৰণ মাত্ৰ। এই নাচে কেৱল আংশিকৰূপে শ্ৰৱণেন্দ্ৰিয়ৰ তৃপ্তি সাধিবলৈ সমৰ্থ। ঘুগুৰাৰ মধুৰ ধ্বনিৰ বাহিৰে আমি ইয়াত আন কমেই বিচাৰি পাওঁ।

আজিলৈকে আমি আসামৰ থিয়েটাৰৰতো কথাই নকওঁ কলিকতীয়া থিয়েটাৰৰ যিবোৰ নাচ-বাগ দেখিছো তাক নাচ বুলিবলৈকে ভয় লাগে। আসামৰ গাঁৱলীয়া সমাজতকৈ এই বিষয়ে অসমীয়া শিক্ষিত সমাজ বহুতো পাছপৰা যেন লাগে। কাৰণ গাঁও সোমাই আমি বিহুতলিয়ে, ভাৱনাই, গৰখীয়া লৰাৰ যিবোৰ নাচ দেখো সেইবোৰ নাচ অসমীয়া শিক্ষিত-লোকসকলে 'পচন্দ' কৰা থিয়েটাৰী নাচৰ তুল্যত স্বৰ্গ বুলিলেও হয়। সেইবোৰ নাচৰ প্ৰাণ আছে, ভাব আছে, ভাষা আছে। সেইবোৰ নাচ জীৱন্ত আৰু বৰ্ত্তমান থিয়েটাৰী নাচ মৃত।

এতিয়া আমি চাওঁ আমাৰ নাচ ষ্টেজৰ উপযুক্তকৈ লব পাৰিনে, আৰু স'চাকৈয়ে অসমীয়া নৃত্য ভঙ্গীবোৰে কিবা ভাষা প্ৰকাশ কৰেনে?—পাৰি আৰু কৰে। তাৰ এটি উদাহৰণ দিওঁ। বিহুনাচৰ ভিতৰত এটা হাতৰ ভঙ্গী আছে সেইটো দেখিলেই বুজিব পাৰি যেন সি "যোৱাঁ" আৰু "আহাঁ" এই দুটি শব্দ বুজাব লাগিছে। বিহুত পুৰণি বছৰক বিদায় দি "যোৱাঁ," আৰু ন বছৰক আবাহন কৰি "আহাঁ"—অলপ ভাবি চালেই আৰু ভঙ্গী মনযোগেৰে চালেই এই কথাটো ভালকৈ ধৰিব পাৰি। অসমীয়া মটাৰ আৰু তিকতাৰ বিহুৰ সময়ৰ নাচততো আছেই। নাচ দেখোতাসকলে মন কৰিছে নিশ্চয়। তিকতাৰ নাচৰ লয়লাস ভঙ্গী আৰু পদ-বিক্ষেপত, অঙ্গ চালনাত বিহুৰ মতলীয়া আনন্দ সুন্দৰকৈ ফুটি ওলায়। সেই নাচ দেখিলে দৰ্শকৰ মনলৈ এটি পবিত্ৰ আনন্দ আহিব, সেই আনন্দ যেন একো বাধা-বিঘিনি ভেটা নামানি আকাশে-পৱনে বিয়পি পৰিছে। বিহুনাচত আমি দেখাত অন্ততঃ ২০।২৫ বিধ নৃত্যভঙ্গী আছে। তাৰ ভিতৰত কিছুমান ঠিয় হৈ আৰু কিছুমান বহি। বহি বহি নচা গাঁৱলীৰা নাচ নেদেখা শিক্ষিতৰ কাৰণে বোধকৰো অভিনৱ। তাক দেখি বিলাত ইটালীৰ পৰা আমদানি

কৰা বুলিহে কব। বোধকৰোঁ সেইকাৰণেই লিখকে শ্ৰীযুত বেজবৰুৱাৰ "সোণবৰণীয়া" গানটো অসমীয়া নৃত্য-ভঙ্গীৰে দেখুৱাওঁতে (expressed in dancing poses) গোৱালপাৰাৰ শ্ৰীযুত এন্ এন্ চৌধাৰী মহাশয়ে "Times of Assam"ত "Italian Sort" ইটালীয় ধৰণৰ বুলি তুলনা কৰিব খুজিছে। কিন্তু লিখকে কেতিয়াও ইটালীয় নাচ দেখা নাই, আৰু যিকেটা ভঙ্গী দেখুৱাইছিল তাক অসমীয়া গাঁৱলীয়া নৃত্যভঙ্গীৰ অনুকৰণেৰেহে। বোধকৰোঁ চৌধাৰী ডাঙৰীয়াই গাঁৱত এবাৰ সোমাই চোৱা হলে এই বিষয়ে তেখেত নিশ্চিন্ত হব পাৰিলেহেতেন। তেনেহলে সঁচাকৈয়ে অসমীয়া নাচৰ লৈতে ইটালীয় নাচৰ কিবা সম্বন্ধ আছে নে কি?

বৰ্ত্তমান আমাৰ ষ্টেজবোৰত যাতে নৃত্যটো সঁচাকৈয়ে উপভোগ কৰিব পাৰি আমি তাৰ দিহা কৰিব লাগে। ঘুগুৰা অবশ্যে আৱশ্যক। গানৰ তাল ৰাখি ৰাখি নূপুৰ ধ্বনিৰো আৱশ্যক, বিশেষকৈ গানটো concentrated কৰিবলৈ। এনে কৰাক "সম" বোলে। এইবিলাক হলেও নৃত্য হবলৈ আৰু বহুত বাকী থাকে। লয়লাস ভঙ্গী আৰু ভাবপ্ৰকাশ এই দুটা নহলে নাচৰ প্ৰাণ নাথাকে। কোনো এটা গান গাই নৃত্য কৰোঁতে নাচৰ ভঙ্গীত তাক মনোহৰকৈ ফুটাই তুলিব লাগিব। তেহে সি নাচ হব। নাচে গানটো ঢাকি নাইকিয়া কৰিলে, সেই গানৰ লৈতে নচাই ননচাই সমান কথা। গানৰ ভাবেৰে অনুপ্ৰাণিত হৈ নাচিলেহে, সেই গানৰ নাচ হব। আৰু নৃত্যভঙ্গীয়েও গানক অনুসৰণ কৰিব লাগিব।

ইয়াৰ উপৰিও কোনো এটা ভাব, বা নাট্যলৈও নাচ হব পাৰে। নৃত্যৰ এটা ভেটি নাথাকিলে সি প্ৰাণ-হীন হয়। আমাৰ যিবোৰ অসমীয়া নৃত্যভঙ্গী dancing pose আছে সেইবোৰ study কৰি তাক ষ্টেজবোৰত প্ৰচলন কৰিবৰ আৱশ্যক। সেইবোৰেই আমাৰ জাতীয় নাচ। সেই জাতীয় নৃত্যভঙ্গীৰে লৈতে আমাৰ নাচ গঢ়িব লাগিব। এই বিষয়ে গাঁৱত সোমাই, নৃত্যৰ চানেকী চাই চেষ্টা কৰিলে আমাৰ মনে কৃতকাৰ্য্য হব পৰা যাব। আমাৰ ষ্টেজৰ অধিকাৰীসকলে যেন এই বিষয়ে চকু দিয়ে। এই প্ৰসঙ্গতে আৰু এটা কথা কোৱা আৱশ্যক। আগৰ পুৰণি ভাৰতীয় নাচ সেই সময়ত গোটেই ভাৰততে প্ৰচলিত আছিল, আৰু আসামো নিশ্চয় তাৰ ভিতৰত পৰিছিল। আমি তলত দিয়া কাৰণৰ পৰা বুজিব পাৰোঁ যে অসমীয়া নাচৰ পৰাই পুৰণি ভাৰতীয় নৃত্য কলাৰ উদ্ধাৰ হোৱাৰ সম্ভাৱনা। কাৰণ ভাৰতৰ আন ঠাইত মুছলমান আৰু আন Culture এ ভাৰতীয় Culture ঢাক খুৱাই পেলাইছে আৰু সকলোবোৰ সেইদৰে সান-মিহলি হৈ পৰিছে। কিন্তু আসামত বিদেশী Cultureএ প্ৰভাৱ বিস্তাৰ কৰিবপৰা নাছিল,— কাৰণ আসামে সদায় সকলো আক্ৰমণৰপৰা নিজকে ৰক্ষা কৰি আহিছিল। ইয়াৰ পৰাই বুজা যায় যে আসামত আগৰ নাচ বাহিৰৰ কোনো সম্পৰ্কত নহাকৈ আগৰদৰেই থকাৰ সম্ভৱ। অসমীয়া নাচ যে আগৰ পুৰণি ভাৰতীয় নাচৰেই অপভ্ৰংশ তাক অসমীয়া dancing pose বোৰেৰে লৈতে পুৰণি ভাৰতীয় dancing pose বোৰ মিলাই চালেই গমপোৱা যায়। বহুতো মিল আমি দুয়োৰে দেখিবলৈ পাইছো। এই বিষয়ে ভালকৈ আলোচনা কৰিলে বোধকৰোঁ পুৰণি ভাৰতীয় নৃত্যৰ আমি বহুতো গম পাম। এই বিষয়ে আমাৰ কলাবিদসকলে মনকৰিব বুলি আশা কৰিলো। তলত লিখা Sourceৰ পৰা আমি নৃত্যভঙ্গী আনিলেই আমাৰ নৃত্যৰ পৰিপুষ্টি সাধন কৰিব পৰা যাব বুলি আমাৰ বিশ্বাস। তাৰ লৈতে নিজৰ কল্পনাৰ পৰাও যোগদিয়াৰ আৱশ্যক।—

১। অসমীয়া ছোৱালীৰ বিহুনাচ।
২। অসমীয়া লৰাৰ বিহুনাচ।
৩। অসমীয়া মানুহৰ সাধাৰণ নৃত্য।
৪। মিৰিয়নীৰ নাচ।
৫। গৰখীয়া লৰাৰ নাচ।
৬। ভাওনাৰ নাচ
৭। পুৰণি অসমীয়া পুথিৰ ছবিৰ নৃত্যভঙ্গী।
৮। পুৰণি শিলত কটা মূৰ্ত্তিৰ নৃত্যভঙ্গীৰ পৰা।
৯। গ্ৰীছিয়, ইটালীয়, বাৰ্ম্মিজ, আৰু এনে জাতিৰ নৃত্যভঙ্গী আমাৰ নাচৰ লৈতে খাপখোৱা ভঙ্গী আনিব পাৰিলেও আমাৰ নাচৰ পুষ্টিসাধন কৰিব পাৰি।

শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা

# টোকা

## নিউয়ৰ্কত "মৃচ্ছকটিক"

নিউয়ৰ্কৰ "দি নেবাবহুড প্লে হাউছ" নাটশালত ফেব্ৰুৱাৰী মাহত ৰজা শূদ্ৰকে ৰচা বিখ্যাত সংস্কৃত নাটক মৃচ্ছকটিকৰ ইংৰাজী অভিনয় হৈ গৈছে। ইংৰাজীত এই নাটকখনিৰ নাম দিয়া হৈছিল "The little clay cart." এইখনি নাটকৰ অভিনয় চাবৰ কাৰণে সেই নাটশালত মানুহৰ সমাগম ইমান সৰহ হৈছিল যে বহুতে ঠাই নাপাই উভটিবলগীয়া হৈছিল।

অভিনয় আৰম্ভ হোৱাৰ আগতে প্ৰস্তাৱনাৰ দৰে ভাৰতীয় সুৰত এটি সংস্কৃত গীত গাইছিল। গানটোৰ প্ৰতিপাদ্য বিষয় হৈছে, ভাৰতৰ গৌৰৱৰ যুগত যেতিয়া বীৰ্য্য আৰু ঐশ্বৰ্য্য উন্নতিৰ মুৰচ পাইছিলগৈ, তেতিয়া পৃথিবীৰ চাৰিওফালৰপৰা নৰপতিসকলে তাত সমবেত হৈ অধৰ্ম্মৰ ক্ষয় আৰু ধৰ্ম্মৰ জয় ঘোষণা কৰি আহিছিল। সেই দিনা নানাঠাইৰ মানুহ সেই নাটশালত গোটখাইছিল আৰু ভাৰতৰ সহস্ৰ বছৰৰ এটি প্ৰাচীন কাহিনীৰ সুচাৰু অভিনয় চাই মুগ্ধ হৈ মনযোগৰ লৈতে নিৰীক্ষণ কৰিছিল। কেনেকৈ সেই মহাপ্ৰাণ চাৰুদত্তৰ চৰণত নগৰৰ সৰ্ব্বশ্ৰেষ্ঠা নটী (courtisan) বসন্তসেনাই আত্মোৎসৰ্গ কৰিলে তাৰেই হৃদয়গ্ৰাহী অভিনয়ে সেই দিনা দৰ্শকবৃন্দক যেন যাদুমন্ত্ৰেৰে স্তম্ভিত কৰি থৈছিল।

## ছিনেমাৰ বিখ্যাত কুকুৰ

বায়স্কপত যিবোৰ জন্তুৱে অভিনয় কৰিছে তাৰ ভিতৰত সকলোতকৈ বিখ্যাত হৈছে ৰিন্ টিন্ টিন্ নামৰ এটা কুকুৰ। 'ফাইণ্ড যুৱ মেন,' 'দি লাইট হাউছ বাই দি ছি,' "ট্ৰাকডাইন দি নৰ্থ," প্ৰভৃতি সকলো প্ৰসিদ্ধ ফিল্মত সি অভিনয় কৰিছে।

## শিশু অভিনেত্ৰী

ফিল্মৰ প্ৰসিদ্ধ শিশু অভিনেত্ৰী বেবি পেগিৰ বয়স এতিয়া মাথোন ৬ বছৰ ৫ মাহ। ছেঞ্চুৰী ফিল্ম কম্পেনীৰ ডাইৰেক্টৰ, যি বেবি পেগিক আবিষ্কাৰ কৰিছিল তেওঁ তাইক এধাৰ মুকুতাৰ হাৰ দিছে। এতিয়া তাত ছটা মুকুতা আছে। তাইৰ বয়সৰ লগে লগে তাত প্ৰতি বছৰে এটি এটি মুকুতা যোগ কৰা হয়।

## জেকি কুগান

জেকি কুগান বিখ্যাত ছিনেমা বালক অভিনেতা। এওঁ সৰুৰেপৰা ছিনেমা অভিনয় কৰি লক্ষ লক্ষ টকা



আয় কৰি বৰ্ত্তমান শিক্ষাৰ কাৰণে স্কুল-কলেজত পঢ়িবলৈ ওলাইছে। তেওঁৰ শিক্ষা সাং হোৱাৰ পাছত আকৌ আহি বায়স্কোপত যোগ দিবহি।

## দিনে আঠ হাজাৰ এশ

ফৰাছী দেশৰ ছাঁজে লিঅৰ এটা নাটশালত বিখ্যাত ফিল্মৰ অভিনেতা চাৰ্লি চেপলিনে এটি ভাও দিব।



ইয়াৰ কাৰণ তেওঁ দিনে আঠ হেজাৰ এশ টকাকৈ বানচ পাব।

## ফিল্ম অভিনেত্ৰীৰ আয়

বিখ্যাত ফিল্ম অভিনেত্ৰী গ্লোৰিয়া ছনছন্‌ৰ আয় সপ্তাহত কম পক্ষেও ২২০০০ বাইশ হাজাৰ টকা। মাজে সময়ে ইয়াতকৈ সৰহ হে হয় কিন্তু বৰ নকমে। গ্লোৰিয়া ছনছন্‌তকৈ সৰহ আয় কৰা আমেৰিকাত আৰু বহুত অভিনেত্ৰী আছে।

সুপ্ৰসিদ্ধা অভিনেত্ৰী মেৰি পিকফৰ্ডৰ সাপ্তাহিক আয় ৬৫০০০ পয়ষষ্টি হাজাৰৰ কম নহয়। আমেৰিকাৰ প্ৰেছিডেণ্টৰ সাপ্তাহিক আয় পাঁচ হাজাৰ মাত্ৰ। দেশ বিদেশত প্ৰেছিডেণ্টতকৈ অভিনেত্ৰীসকলৰ হে নাম বেছি জনাজাত।

## ফিল্মৰ সহায়ত সঙ্গীত

বায়স্কপৰ ফিল্ম তুলিবৰ সময়ত অভিনেতা আৰু অভিনেত্ৰীসকলে সঙ্গীতৰ যথেষ্ট সহায় লয়। কোনো করুণ ঘটনাত, তাৰ সৈতে খাপখোৱা, আৰু করুণ ভাব উদ্ৰেক কৰিব পৰা সঙ্গীত কৰা হয়। সেইদৰে প্ৰত্যেক ৰকম অভিনয়ৰ সময়তে বিবিধ ৰকম সঙ্গীতেৰে অভিনেতা আৰু অভিনেত্ৰীৰ ভাব আনিবলৈ সহায় কৰে। ইয়াৰ কাৰণে কিছুমান বিশেষজ্ঞ সঙ্গীতবিদ্ আছে' তেওঁলোকে অভিনেতা অভিনেত্ৰীৰ অভিনয়ৰ সৈতে সেইদৰে ভাবৰ পৰিবৰ্ত্তন লক্ষ্য কৰি সঙ্গীত সেইভাবৰ উপযোগা কৈ বজাই যাব লাগে। সঙ্গীত পাছত থকাৰপৰা ফিল্ম অভিনেতাসকলে ভাব অনাত আৰু অভিব্যক্তিত দুগুণ কৃতকাৰ্য্য হৈছে।

## নিজৰ হাতৰ পোছাক

ইংলণ্ডৰ যশস্বিনী অভিনেত্ৰী মেৰি ডিবলিয়ে ভাল ছবি আঁকিব পাৰে আৰু পোছাক তৈয়াৰী কৰিব পাৰে। অভিনয়ৰ সময়ত যিবোৰ নানাবিধৰ বিচিত্ৰ পোছাক তেওঁ ব্যৱহাৰ কৰে সেইবোৰ তেওঁ নিজৰ হাতেৰেই তৈয়াৰী কৰি লয়।

---

# বালক নাট্যকাৰ

ছুপৰীয়া। একো কাম-কাজ নাছিল। থিয়েটাৰৰ কৰ্তৃপক্ষসকল আৰু দুই এজন অভিজ্ঞ অভিনেতা আৰু অভিনেত্ৰী থিয়েটাৰ ঘৰতেই বহি আছিল। কথা আছিল যে সেই দিনা এজন নতুন নাট্যকাৰ আহি তেওঁলোকক এখন নতুন নাট পঢ়ি শুনাবহি, আৰু অৱশ্য ভাল পালে তেওঁলোকে অনুগ্ৰহ কৰি তাৰ অভিনয়ও কৰিব। পিছে



এটা কথা, নাট্যকাৰ অকল নতুনেই নহয়, তেওঁৰ বয়সো তেনেই কুমলীয়া: কুমলীয়া বয়স দেখিয়েই সকলোৰে আগ্ৰহ আৰু সন্দেহ দুইটা প্ৰবল।

অলপ সময়ৰ পাছতে এজন কৰ্ম্মচাৰী আহি তেওঁলোকক সংবাদ দিলেহি যে নবীন নাট্যকাৰজন আহিছে, তেওঁৰ সৈতে এজন প্ৰবীন মানুহো আহিছে। সকলোৱে উৎসুক হৈ তেওঁলোকলৈ বাটচাই ৰল।

এজন আদবয়সীয়া মানুহৰ সৈতে এজন চৈধ্য বছৰীয়া লৰা সোমাই আহিল। লৰাটি দেখিবলৈ শুৱনী, চকু উজ্বল, তিলফুল যেন নাক, দীঘল দীঘল চুলিবোৰ গলধনলৈকে পৰিছে, আহল-বহল কপাল। গঢ় পাতল। হাতত এডালি লাঠি। সেই লাঠিডালত ভৰদিয়েই তেওঁ খোজ কাঢ়িছে--ভৰি চোচোৰাই। লৰাটোৰ ভৰি এটা অলপ খোৰা। এওঁৰ এহাতত এখন বহী—বহী খনেই নতুন নাটক।

থিয়েটাৰত যি জনীয়ে নায়িকাৰ ভাও দিয়ে বালক নাট্যকাৰ আৰু তেওঁৰ সঙ্গীক আহিব ধৰা দেখি তেওঁ মাত দিলে প্ৰথমেই। চকুৰে অলপ হাঁহি কলে—"চোৱা, ছল আৰু! সেই লৰাটোৰ লগত যিটি আহিছে তেওঁ হল লৰাটোৰ মাষ্টৰ। সেই পুৰুষজনে হে নাটক লিখিছে, কিন্তু উলিয়াব লৰাটোৰ নামত। ডাঙৰ মানুহৰ লৰা, টকা দি কিতাপখন কিনি লৈছে—প্ৰায় ডাঙৰ মানুহৰ লৰাবোৰে যেনে কৰে! কিতাপ যি হৈছে তাক বেছ বুজা গৈছে।

বাকী সকলোৱে অলপ সম্মতিসূচক হাঁহি মৰিলে আৰু কোনেও একোকে নকলে। কথা কবৰ সময়ও বৰ নাছিল। কাৰণ, লৰাটি আৰু মানুহজন তেতিয়া লাহে লাহে আহি সেইখিনি পাইছিলহি।

যি প্ৰথমেই মন্তব্য প্ৰকাশ কৰিছিল, ডাঙৰ অভিনেত্ৰী যি, তেঁৱেই খাতিৰ কৰি তেওঁলোকক বহিবলৈ কলে, আৰু অলপ মিচিকাই হাঁহি লৰাটিৰ সৈতে অহা মানুহজনক সুধিলে, "ডাঙৰীয়ায়ে বোধকৰো নাটখন লিখিছে? বেছ, বেছ! আমি সকলোৱে শুনিবলৈকে বহি আছো।" মানুহজনে লৰাটিক দেখুৱাই কলে "নহয়, নহয়; মই লিখা নাই। লিখিছে এওঁ। এওঁ মোৰ ছাত্ৰ।" অভিনেত্ৰী গৰাকীয়ে তেওঁৰ ওচৰত যি বহি আছিল, তেওঁক চিকুটামাৰি মনে মনে ফুচফুচাই কলে, "চোৱা, মই কৈছিলো নহয়!"

সকলোৱেই অলপ মিচিকাই হাঁহিলে মাত্ৰ। লৰাটি কিন্তু থিৰ হৈ বহি আছে। তেওঁৰ মুখত উদ্বেগ বা আশঙ্কাৰ একো চিনকে নাই। অভিনেত্ৰীয়ে কলে "অ! এখেতেই লিখিছে! মই ভাবিছিলো বোলো আপুনিহে! পিছে আপুনিয়েই পঢ়িব লাগিব হবলা? তেওঁৰ বয়স বৰ কম নহয়! নাটকখন নিশ্চয় বিয়োগান্ত।" ইয়াত যে অলপমানো বিদ্ৰূপৰ আভাস নাছিল সেই কথা আমি একেবাৰে দুই কৰিব নোৱাৰো। কাৰণ ন লিখাকসকলৰ লেখা প্ৰায় বিয়োগান্তই হয়—বিশেষতঃ লিখকৰ বয়স যদি কম হয়, তেন্তে তো কথাই নাই!

লৰাটিয়ে ইমানপৰ মনে মনে বহি আছিল। এওঁ এইবাৰ মাত লগালে, "নহয়, ময়েই পঢ়িম।" অভিনেত্ৰীয়ে উত্তৰ দিলে—"আপুনিয়েই পঢ়িব? ভালেইতো, পঢ়ক তেনে। আমি শুনিম বুলিয়েই তো বহি আছোহঁক। আপোনাৰ নাটক যদি ভাল পাওঁ তেন্তে সেইখনৰ অভিনয়ো আমি নিশ্চয় কৰিমহঁক।"

লৰাটিয়ে লাহে লাহে নাটকখন পঢ়িবলৈ ধৰিলে। তেওঁৰ পঢ়া সুন্দৰ আৰু স্পষ্ট।

পঢ়া শেষ হল। বহুতেই শলাগিলে। খুত যে বৰ একো নাছিল এনে নহয়, পিছে মুঠতে কিতাপখন ভাল হৈছে বুলি নকৈ নোৱাৰি। ইয়াৰ দুই এটা দৰ্শন বৰ সুন্দৰ। ভাষা আৰু ভাব হৃদয়গ্ৰাহী। সকলোৱে মত দিলে যে এইখন নাটক কৰা হব।

অভিনেত্ৰীয়ে কলে, "চাওক কিতাপখনি সুন্দৰ, কিন্তু মোৰ অলপ কবলগীয়া আছে।"

নাট্যকাৰে কলে, "কওক।"

অভিনেত্ৰীয়ে উত্তৰ কৰিলে—"দ্বিতীয় অঙ্কৰ অমুক দৃশ্যটো অলপ সাল-সলনি কৰিব লাগিব।"

এইবুলি কৈ, কি কি বিষয়েনো পৰিবৰ্ত্তন কৰিব লাগিব তেওঁৰ মতানুসাৰে তাক কলে। বালক নাট্যকাৰে ধীৰভাৱে সকলো যুক্তি তৰ্ক অভিমত শুনিলে, বুজিলে, কলে—

আপুনি যি কৈছে সি ঠিক। সমালোচনা বেছ যুক্তি-পূর্ণ। মই ভাবি চাইছো', এইদৰে সালসলনি কৰিলে কিতাপখন ভালেই হব। বেছ, মোক অলপ সময় দিয়ক। মই আজি কিতাপখন লৈ যাওঁ, দুই তিনদিনমান পাছত মই আপোনাৰ কথামতে সংশোধন কৰি লৈ আহিম।'

অভিনেত্ৰীয়ে তেওঁৰ ওচৰৰ আনসকলক মনে মনে কলে "ৰবাচোন, মই আজিয়েই ইয়াৰ শেষ কৰি থম।" তাৰ পাছত লৰাটিক উদ্দেশ্য কৰি কলে "দুই তিনিদিন কিয়? তিন দিন হলেতো বহুত সময় লাগিব! আপোনাৰ ক্ষমতা যেনে দেখিছো, আপোনাৰ পক্ষে তিমান সময় লোৱাটো ঠিক নহব!"

"দুই তিনিদিন—সৰহ সময়?"

"নহয় জানো? আপুনি ইচ্ছা কৰিলে এতিয়াই কৰি দিব পাৰে।"

"এতিয়াই?"

লগৰ মানুহজনে কলে "নহয়, নহয়; এতিয়াই? —সি হবই নোৱাৰে। এইখিনি পঢ়িয়েই লৰামানুহ ভাগৰ লাগিছে।"

লৰাটোৱে কলে, "নহয়, মোৰ অলপো ভাগৰ লগা নাই। ভাল মই আজি সন্ধ্যাৰ আগেয়ে আপোনাৰ কথামতে ইয়াক সংশোধন কৰি লৈ আহিম।"

অভিনেত্ৰীয়ে কলে "সন্ধ্যাৰ আগেয়ে? কিয়, আপুনি দেখোন ইচ্ছা কৰিলে এতিয়াই ঠিক কৰি দিব পাৰে। আপোনাৰ পক্ষে সি আৰু কি বৰ ডাঙৰ কামটোনো?"

লৰাটি—এতিয়াই? ইয়াতেই?

অভি—হঁ, ইয়াতেই। আপোনাক আমাৰ ষ্টেজ মেনেজাৰৰ কুঠৰীটো দিওঁ, আপুনি তাতে বহি ঠিকঠাক কৰি দিয়ক। সিনো কি কথা? কি কয়? আৰু আপোনাৰ লগত এখেতে সেইখিনি পৰ আমাৰ লৈতেই বহি কথা-বতৰা পাতি থাকিব।"

লৰাটিয়ে আৰু এৰো নকৈ তাত সন্মতি দিলে। হাতত নাটকৰ প্যাণ্ডুলিপি লৈ তেওঁ লাহে লাহে ষ্টেজ মেনেজাৰৰ কুঠৰীটোলৈ সোমাই গল।

এঘণ্টাৰ ভিতৰতেই সংশোধনৰ কাম শেষ হল। বালক নাট্যকাৰ উভটি আহিল। বহীখন অভিনেত্ৰীৰ হাতত দি কলে—

"চাওকচোন হৈছে নে নাই।"

আকৌ পঢ়া হল। সকলোৱেই প্ৰশংসা কৰিলে। "সুন্দৰ হৈছে।" এই নাটকৰ অভিনয় হোৱাটো থিৰ হল।

যথাসময়ত নাটখন মেলা হল। প্ৰথম দিনা অভিনয় ৰাতি নাটঘৰ মানুহেৰে ভৰপুৰ। দৰ্শকসকলৰ ঔৎসুক্যৰ সীমা নাই।

আঁৰকাপোৰ উঠিল। দৰ্শনৰ পাছত দৰ্শন অভিনয় হৈ যাবলৈ ধৰিলে। দৰ্শক মন্ত্ৰমুগ্ধ। নট-নটীয়ে তন্ময় হৈ অভিনয় কৰিছে। নাটখন সুন্দৰ হৈছে। বাৰে বাৰে হাত চাপৰি আৰু উৎসাহসূচক বাক্যই নাটঘৰ মুখৰিত কৰি তুলিলে।

বালক নাট্যকাৰে "ৰয়েল বক্সত" বহি অভিনয় চাইছিল। দেশৰ যি জনা ৰাণী তেখেতো তাতেই। ৰাজ-পৰিবাৰৰ বহুতেই উপস্থিত। কণাকণিকৈ দৰ্শকসকলে শুনিলে যে নাট্যকাৰো তাতে বহি আছে। অভিনয় শেষত সকলোৰে দৃষ্টি সেই ফাললৈকে পৰিল। ৰাণীয়ে লৰাটিক ধৰি সকলোকে দেখুৱালে। সকলোৱে প্ৰশংসা কৰিলে। সি কি আনন্দ! কি সমাৰোহ! চৈধ্য বছৰীয়া বালক নাট্যকাৰ। তেওঁৰ লেখা ইমান সুন্দৰ! লৰাটিৰ মুখ কিছু গম্ভীৰ। তাত গৰ্ব্ব বা আনন্দৰ ৰেখা লেশ মাত্ৰ নাই।

দৰ্শকসকল গুচি গল। লৰাটি লাহে লাহে নাটঘৰৰ ভিতৰ সোমালগৈ। নট-নটীসকলক নমস্কাৰ কৰি কলে "আপোনাসকলৰ ওচৰত মই কৃতজ্ঞ। আপোনালোকৰ যত্ন আৰু চেষ্টাত মোৰ নাটকখন ইমান সুন্দৰৰূপে অভিনীত হল।"

তাৰ পাছত তেখেতে 'প্ৰম্পটাৰ'ক কলে "ডাঙৰীয়া অনুগ্ৰহ কৰি পাণ্ডুলিপিখন মোক এবাৰ দিয়ক। মই লৈ যাওঁ। অভিনয় দেখিলো, আৰু সংশোধনৰ আৱশ্যক।"

আনন্দৰ লৈতে স্মাৰকে পাণ্ডুলিপিখনি গ্ৰন্থকাৰক ওভোটাই দিলে। লৰাটিয়ে বহীখনি লৈ ঘৰলৈ উভটিলে।



পাছদিনা পুৱা থিয়েটাৰৰ কৰ্ত্তৃপক্ষসকলে এখনি চিঠি পালে। চিঠিখনৰ অৰ্থ এই—

"ডাঙৰীয়াসকল,

কালিৰ সাফল্যত মই বিশেষৰূপে মুগ্ধ হৈছো, কিন্তু বিভ্ৰান্ত হোৱা নাই। দৰ্শকসকলে অনুগ্ৰহ কৰি মোক আশাতীত উৎসাহ দান কৰিছে। কিন্তু মোৰ মনে ধৰে তেখেতসকলৰ উৎসাহ দান, নাটকক যিমান নহওক, নাট্যকাৰৰ ওপৰতেই অধিক প্ৰযুক্ত। কিতাপখনি মোৰ লৰালিৰ বাহিৰে আন একো নহয়। সেই কাৰণেই যি অলপ প্ৰশংসা পাইছে সি মোৰ বয়সেহে—মোৰ কিতাপে নহয়। এনে উৎসাহ জীৱনত এবাৰ পোৱা একো আচৰিত নহয়। কিন্তু দ্বিতীয়বাৰ এই সৌভাগ্য মোৰ হব নে নহয় সন্দেহ। মই চেষ্টা কৰিম যাতে ভৱিষ্যতে সহৃদয় দৰ্শকসকলৰ এই অসীম সহানুভূতি-লাভৰ যোগ্যতা আৰ্জ্জিব পাৰো। এই কিতাপ মই ৰাখিলো। ইয়াৰ আৰু অভিনয়ৰ আৱশ্যক নাই। মই চেষ্টা কৰিম যাতে ভৱিষ্যতে আপোনালোকৰ প্ৰতিভাৰ উপযুক্ত বিয়োগান্ত নাটক লিখিব পাৰো। ইতি।"

চিঠি পাই থিয়েটাৰৰ সকলো অবাক্। ই কি অদ্ভুত কথা! কিতাপখনি বেছ হল—মানুহে সুখ্যাতিও কৰিলে। কিন্তু কেনে গোঁৱাৰ নাট্যকাৰ! এনে কিতাপো বন্ধ কৰে? এনে ভোদাও আছে?

বালক নাট্যকাৰ কিন্তু স্থিৰসঙ্কল্প। তেওঁৰ যি কথা সেই কাম। পাণ্ডুলিপি আৰু থিয়েটাৰলৈ উভটি নাহিল।

ইফালেও বিপদ। মকৰ্দ্দমা কৰিও পাণ্ডুলিপি ওভোটাই আনিবৰ উপায় নাই। লৰাটি ডাঙৰ মানুহৰ লৰা। আৰু ৰাজপৰিবাৰৰ লৈতে বিশেষভাৱে সংশ্লিষ্ট।

এই অদ্ভুত লৰাটিৰ নাম লামাৰ ছিয়াৰ। অষ্টাদশ শতাব্দীৰ শেষ ভাগত ফ্ৰান্সত যি সকল প্ৰতিভাশালী কবিয়ে জন্মগ্ৰহণ কৰিছিল, এওঁ তাৰ ভিতৰৰেই এজন শ্ৰেষ্ঠ শিল্পী। এওঁৰ বহুত নাটক প্যাৰীৰ নাটঘৰত বৰ যোগ্যতাৰ লৈতে অভিনীত হৈছে।

"ৰূপ ও ৰঙ্গ"

## অসমীয়া অপ্ৰকাশিত নাটক

অসমীয়া মৌলিক নাটক বহুতো অপ্ৰকাশিত হৈ আছে। আমি যিমান নাম জানিব পাৰিছো তাৰ এটা তালিকা দিয়া হল। গ্ৰন্থকাৰসকলে যেন সোণকালে প্ৰকাশ কৰি অসমীয়া নাট্যসাহিত্যৰ অভাব গুচাবলৈ যত্নপৰ হয়। আমাৰ নাটকৰ অভাৱত বোলে নাটঘৰবোৰে বিদেশী নাটক কৰিব লগীয়া হয়?

শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ—সিংহাসন, শ্ৰীবৎসচিন্তা, উদ্ধৱ সংবাদ।
শ্ৰীযুত প্ৰসন্নলাল চৌধাৰী—নীলাম্বৰ, শৰাইঘাট, অপেশ্বৰী (গীতি-নাট্য), ভাস্কৰবৰ্ম্মা (লিখিবলৈ হাতত লৈছে)।
শ্ৰীযুত ভিম্বেশ্বৰ নেওগ—শ্ৰীকৃষ্ণলীলা, কামৰূপ, কুণ্ডিলকুঁৱৰী।
শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা—বদন বৰফুকন, চন্দ্ৰকান্ত সিংহ।
শ্ৰীযুত মোহনলাল চৌধাৰী—মানৰ দিন, বিদ্ৰোহী বীৰ।
শ্ৰীযুত দণ্ডিনাথ কলিতা—চিলাৰায়।
শ্ৰীযুত বিষ্ণুচন্দ্ৰ গোস্বামী—ভ্ৰমৰেন্দ্ৰ, কুবেৰ (সামাজিক)।
শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰ—ৰাধাৰুক্মিণী, শত্ৰুদমন, অসম-প্ৰতিভা, পাৰিজাত (গীতিনাট্য), বামুণী কোঁৱৰ, বেউলা।
শ্ৰীযুত বেণুধৰ দাস—শ্ৰীবৎসচিন্তা, নলদময়ন্তী।
শ্ৰীযুত কামাখ্যাৰাম ঠাকুৰ—মনোমতী।
শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালা—শোণিতকুঁৱৰী।
৺ শেখৰচন্দ্ৰ দাস—জয়নাপঞ্চম (বৰ্ত্তমান বাণষ্টেজৰ হাতত আছে)
শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা—গুৰুধ্বজ, পুনৰ্জ্জীৱন, (বেউলা লক্ষীন্দাৰ নাটক) হিন্দুস্থান বিজয় বা কনৌজকুমাৰী, মাৰাঠাকেশৰী, চম্পাৱতী, গৌৰৱ বা ভক্তলীলা।
শ্ৰীউমেশচন্দ্ৰ বৰদলৈ দস্যু ৰত্নাকৰ, হামিৰ।

এই বিষয়ে আমি আৰু জানিব পাৰিলে, পাঠকসকলক জনাম।

---

# বিবিধ সংগ্ৰহ

## ৰেল-যাত্ৰীৰ সংখ্যা

১৯২৩-২৪ চনত গোটেই ভাৰতবৰ্ষতে ৰেল-যাত্ৰীৰ সংখ্যা ৫৭১৬৫৯৪০০। তাৰে—

১ম শ্ৰেণীৰ যাত্ৰী ৯১১৭৮০ ২য় শ্ৰেণীৰ যাত্ৰী ৫১৩২৪০০
মধ্যম „ „ ৮১২৮৯০০ ৩য় „ „ ৫০২৮৫১১০০
আন আন (দোকানী-পোহাৰী ইত্যাদি) ৫৫৬৬৪৯০০

—বেঙ্গল নাগপুৰ ৰেলৱে মেগেজিন

## আমাৰ সৰ্ব্বহভাগেই কিয় সোঁহতীয়া

ইয়াৰ সহজ উত্তৰ এয়ে যে আমি সৰুৰেপৰা সেই ৰকমে শিক্ষিত হওঁ। কিন্তু নকৈ ওপজা কেচুৱা লৰা-ছোৱালীবোৰে সোঁ আৰু বাঁও উভয় হাতেৰেই সমানে কাম চলাব পাৰে। যদি আমি কেৱল সোঁ হাতকেই ব্যৱহাৰ কৰাৰ শিক্ষা এৰি দিওঁ তেন্তে আমি দুয়ো হাতে সমানে কাম কৰিব পাৰিম বুলি বহুতৰ বিশ্বাস। আমি কিয় কেৱল সোঁ হাতকেই ব্যৱহাৰ কৰো সেই বিষয়ে বহুতো মত আছে। তাৰ ভিতৰৰ এটা মত এয়ে যে প্ৰথমে যেতিয়া আমাৰ হৃদ্‌যন্ত্ৰ চলিবলৈ ধৰে তেতিয়া আমি বাঁও হাতক ঢাল আৰু সোঁ হাতক অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছিলো। আন এটা মত এয়ে যে যদিও প্ৰথমতে আমাৰ সৰহভাগেই উভয়হস্তীয়া আছিল তথাপি তাৰ ভিতৰত কিছুমান স্বাভাৱিকতে সোঁহতীয়া হৈছিল আৰু কালক্ৰমে এই সোঁহতীয়াবিলাকেই জয় লাভ কৰে আৰু সেই গুণেই আজি হাজাৰ হাজাৰ বছৰ ধৰি সেই নিয়ম চলি আহিছে।

## সাহিত্য-বাতৰি

শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকীৰ নতুন কিতাপ "তত্ত্ব আৰু তথ্য" ছপা হব লাগিছে--সুলিখিত প্ৰবন্ধৰ সমষ্টি।

শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাৰ 'বহাগী'ৰ ২য় তাঙৰণ উলিয়াবলৈ যো-যা চলিছে।

* * * *

ছেণ্ট্ৰাল মেলেৰিয়া ছচাইটীৰ বাৰ্ষিক অধিবেশনত আচাৰ্য্য জগদীশে কৈছিল:--

"এই সুযোগতে মই আৰু এটা বিষয়ৰ কথা কওঁ, সেইটো আপোনাসকলৰ কিছুমানে কৰিব পাৰিব। শৰীৰৰ ওপৰত যে মনৰ কিমান প্ৰভাৱ তাক মোৰ নিজৰ গবেষণাই আৰু চিকিৎসা ক্ৰমে ক্ৰমে বেছিকৈ দেখুৱাইছে। যেতিয়া মন অৱসন্ন হয় তেতিয়া শৰীৰো সহজে ভাগি পৰে, সেই কাৰণে নিৰ্দ্দোষ আমোদ-প্ৰমোদেৰে মন প্ৰফুল্ল ৰখা উচিত। এসময়ত আমি বৰ আমোদপ্ৰিয় জাতি আছিলো; গোটেই বছৰ ধৰি হাট আৰু মেলা ইটোৰ পিছত সিটো বহিছিল আৰু তাত সকলো মানুহ গোট খাইছিল, কিন্তু এইবিলাক নিৰ্দ্দোষ আমোদ-প্ৰমোদ ক্ৰমে নাইকিয়া হৈ যাবলৈ ধৰিছে। তাৰ বাহিৰেও শাৰীৰিক বল বৃদ্ধিৰ কাৰণে নানাৰকমৰ খেল আছিল যাৰ দ্বাৰা শৰীৰৰ প্ৰত্যেক অঙ্গই পুষ্টি লাভ কৰি শৰীৰত ৰোগ হবলৈ নিদিব পাৰিছিল। মই মোৰ ছাত্ৰসকলক নিতৌ আবেলি ২ ঘণ্টা লাঠি-খেল খেলিবলৈ দিওঁ। 'লাঠি-খেলৰ' দ্বাৰা তেওঁলোকৰ হাত আৰু শৰীৰৰ জোৰাবিলাক সবল আৰু সহজে ইফালে সিফালে লৰাব পৰা হয়, সেয়ে নহলে মোৰ সূক্ষ্ম যন্ত্ৰ-পাতিবিলাকেৰে কাম কৰিবই নোৱাৰি। এই লাঠিখেলৰ ফল বৰ সুন্দৰ হৈছে। আগেয়ে গড়ে শতকৰা ৩০ জনৰেই বেমাৰ হৈছিল। কিন্তু 'লাঠি-খেল' খেলাৰপৰা বেমাৰীৰ সংখ্যা শতকৰা ৫ জনতকৈও কমিছে। মোৰ সুচিন্তিত মত এয়ে যে আমাৰ স্কুল আৰু কলেজবিলাকত শাৰীৰিক শিক্ষা বাধ্যতামূলক হোৱা উচিত।

• • •

ইংলণ্ডৰ ভূতপূৰ্ব্ব প্ৰধান মন্ত্ৰী মিঃ ৰামছে মেক-ডোনাল্ডে 'ইনভেলিড চিল্‌ড্ৰেন্‌ছ এছোছিয়েন'ৰ বাৰ্ষিক অধিবেশনত কৈছিল—"যদি আমি লৰা-ছোৱালীক গাত নিচেই কম কাপোৰ-কানিৰে সৈতে বাহিৰত বিছনাত শুৱাই থওঁ যাতে সিহঁতে যথেষ্ট নিৰ্ম্মল বায়ু সেবন কৰিব পাৰে, তেন্তে সিহঁতৰ পক্ষে—অকল সিহঁতৰ পক্ষেই নহয় সকলো মানুহৰ পক্ষে— সেয়েই এটাইতকৈ উৎকৃষ্ট ঔষধ আৰু চিকিৎসা।"